Shri Devendra Nath Hazarika : It is altogether a different road. I may add also that when its work was in progress in 1967 the Executive Engineer of Panchayat and Community Project Directorate inspected the road and his report reveal that the road was in progress. It was constiuted from its two ends but the middle portion was not completed. (Interruption) That means that the work was in progress and the report of the Executive Engineer reveal of it.

## Statement by Minister, Health-Death of a patient in Nalbari Civil Hospital.

Shri Chatra Sing Teron (Minister Health) : Mr. Speaker,

Sir, with your permission I propose to make the following statement regarding the incident that took place in the Nalbari Civil Hospital. On 2.4.70 Shri Rajat Dutta, a student of Nalbari College, was admitted into the Civil Hospital in bed No. 10 at 6.40 A.M. Dr. Choudhury, A. S. (I), attended this patient at his residence on the previous day and he had suspected Enteric Fever.

According to the general instruction, indoor patients are in charge of the Sub-divisional Medical and Health Officer, Dr. Haladhar Deka, the Sub-divisional Medical and Health Officer, according to the Duty Nurse, did not see the patient on 2.4.70 from 8 A. M. to 12 noon.

According to the Duty Nurse the patient was running temparature of 104' F.

It appears that Dr. Deka did not examine the patient at all on 2.4.70. On 3.4.70 the patient was running high temparature and was convulsive. After repeated calls, Dr. Deka came and prescribed certain medicines including Coramine Injection. He stayed for about 15 minutes and left the ward. Dr. Deka was again called and came at 3.10 P.M. and the patient died at 3.30 P.M.

As a routine affair clinical tests and investigations are undertaken as soon as a patient is admitted, but this was not done. After the death of the boy the students became extremely agitated and there was fear of serious breach of law and order. On 4.4.70 the Additional Director and the Joint Director of Health Services along with the Civil Sur-

geon held an enquiry. The Deputy Commissioner and the Superintendent of Police had also visited the spot.

As a result of the enquiry of the enquiry of the Addl. Director and the Jt. Director of Health Services, it emerged tnat Dr. Deka, the Sub-divisional Medical and Health Officer, had failed in the proper discharge of his duty and evidence of serious lapses of ommission and commission were noticed.

A case of murder had been lodged by the mother of the deceased at Nalbari. The post mortem examination has been done by the Civil Surgeon, Kamrup, himself.

Post-mortem report is being awaited.

In the meantime Govt. have placed Dr. Haladhar Deka under suspension pending drawal of formal proceedings against him.

The situation is under control and calm.

Shri Dulal Chandra Barua : Point of information. Sir, Is it a fact that the students and the public of Nalbari had represented to the Minister against Dr. Deka ? If so, whether any action taken against him for such kind of behaviour ? Because we know that even after complaints he was not removed from the hospital.

Shri Chatra Sing Teron : A representation from the studeents came to me on 29th only when I was attending a meeting of the All Assam Tribal Sangha at Barama. Accordingly I assured them that since there are so many public grievances he will be transferred within this month.

Dr. Bhupen Hazarika : Before that did you get anyother complaint from the people of Nrlbari against this Doctor ?

Shri Chatra Sing Teron : Earlier complaints, subject to correction, were enquired into by the Civil Surgeon and I learnt from him that there is no foundation as regards the allegations made at that time. But still then we are to consider all these things. I have already said that I had recived the complaints from the students only on 29th and we are going to transfer him as early as possible.

Shri Rothindra Nath Sen : Does the hon. Minister consider that simlpy by transfer his conduct would be rectified ?

Shri Chatra Sing Teron : Therefore, we have placed him under suspension and proceedings will be drawn up against him.

Shri Rothindra Nath Sen : No my point is that when a doctor is to do humanitarian job and since he had neglected that job does the Govt. consider that only by transfer his conduct will be rectified ?

Shri Chatra Sing Teron : Sir, if the conduct of a doctor is not desirable then a simple transfer will not be sufficient, but at the time time other punishments such as disciplinary action, drawal of proceedings etc can follow only when a prima facie case is there, and be inflicted.

## Re : Second Oil Refinery in the State

*Shri Soneswar Bora : অধ্যক্ষ মহোদয়, অসমৰ দ্বিতীয় তেলশোধনাগাৰৰ আন্দোলন জীৱিত আন্দোলন। যোৱা বছৰ ১৫ চেপ্তেম্বৰৰ পৰা ৩০ চেপ্তেম্বৰলৈ

*Speech not corrected

গোটেই অসম ব্যাপি গণ সত্যাগ্ৰহ হৈছিল। কেন্দ্ৰীয় তেলমন্ত্ৰী আৰু প্ৰধান মন্ত্ৰীয়ে অসমৰ আন্দোলনত দ্বিতীয় তেলশোধনাগাৰ প্ৰতিষ্ঠাৰ ঘোষনা সাপেক্ষে আশ্বাস দিছিল। অতি দুখৰ কথা তেওঁলোকৰ দেহাইত আজিলৈকে অসমত ২য় তেলশোধনাগাৰ প্ৰতিষ্ঠাৰ সিদ্ধান্ত চৰকাৰে লব নোৱাৰিলে। আৰু নোৱাৰাৰ কাৰণে আজি গোটেই অসমত ২য় তেলশোধনাগাৰ দাবীত শোভাযাত্ৰা, আন্দোলন পুনৰ আৰম্ভ হৈছে। এইটো ঠিক যে বিশেষজ্ঞ কমিটিয়ে কেতিয়াও স্থাপনৰ সিদ্ধান্ত লব নোৱাৰে, চৰকাৰে নিজে এই সিদ্ধান্ত লব লাগিব। তদুপৰি গনতন্ত্ৰই অকল বিশেষজ্ঞ কমিটিক দোহাই দিব নোৱাৰি, যেতিয়া জনমতক ৰক্ষা কৰিব লাগিব। আনহাতে আমি দেখিছো যে হালদিয়া আৰু বাৰাউনিত তেল শোধনাগাৰ স্থাপনৰ সিদ্ধান্ত লওঁতে সেই সময়ত বিশেষজ্ঞ কমিটিয়ে নিশ্চয় সিদ্ধান্ত লোৱা নাছিল বা বিশেষজ্ঞ কমিটিৰ দোহাই চৰকাৰে লোৱা নাছিল। বেঙ্গল আৰু বিহাৰত হালদিয়া আৰু বাৰাউনিত সিদ্ধান্ত লৈছিল নিজৰ চৰকাৰে। কেন্দ্ৰীয় চৰকাৰে এতিয়াও অসমৰ উন্নয়নৰ খাতিৰত উন্নয়নৰ কাৰণে নিবনুৱা সমস্যা সমাধানৰ কাৰণে বা বিভিন্ন কাৰণত তেলশোধনাগাৰ প্ৰতিষ্ঠাৰ সিদ্ধান্ত লোৱাত দেৰি কৰাত আমাৰ অসমত ব্যাপক আন্দোলনৰ সম্ভাৱনা আহি পৰিছে। মই আশা কৰো আমাৰ বিভাগীয় মন্ত্ৰী আৰু চৰকাৰে এই সিদ্ধান্ত ঘোষণা কৰিব লাগে। মই এইটো সদনৰ দৃষ্টি আৰ্কষণ কৰিলো আৰু যথাযথভাৱে উত্তৰ পাবৰ কাৰণে দৃষ্টি অৰ্কেষণ কৰি প্ৰস্তাৱটো দাঙি ধৰিলো।

Shri Promode Chandra Gogoi : অধ্যক্ষ মহোদয়, আজি বাতৰি কাকতৰ সংবাদত যি প্ৰকাশ হৈছে, সেই সম্পৰ্কত চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰো। সংবাদটো হৈছে এই—"Whether Assam will have a second public sector refinery as demanded by the people or the proposed increase in its present refining capacity by a little over one million tonnes will be effected through expansion is likely to be decided by the end of the current year, if not by September next. আৰু এই বাতৰি দিল্লীৰ অফিচৰ পৰা প্ৰকাশ হৈছে। গতিকে যোৱা চেপ্তেম্বৰ মাহত প্ৰধান মন্ত্ৰীয়ে যিটো ঘোষনা দিছিল আৰু এই ঘোষনাত কৈছিল যে অসমত তেল পৰিষ্কাৰ কৰাৰ কাৰণে এটা নতুনকৈ সোধনাগাৰ

কৰা হব নতুবা বৰ্ত্তমানে থকাটোকে ডাঙৰ কৰিব, এইটো সিদ্ধান্ত কৰা হয়। কিন্তু আজি বাতৰি কাকতৰ সংবাদমতে বিষয়টো ১৯৭০ চনৰ শেষৰ ফালেহে সিদ্ধান্ত হোৱাৰ সম্ভাৱনা আছে। তাৰ আগত সিদ্ধান্ত হোৱাৰ কোনো সম্ভাৱনা নাই। এতিয়া চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰো কাৰণ আমাৰ এই সদনত এই বিষয়টোৰ ওপৰত সৰ্ব্বসন্মতি ক্ৰমে এটা প্ৰস্তাৱ গ্ৰহণ কৰি সদনৰ সৰ্ব্বদলীয় দল দিল্লীলৈ গৈছিল। তদুপৰি আমাৰ গোটেই প্ৰদেশত এই বিষয়টোলৈ এটা ব্যাপক আৰু অভূতপূৰ্ব্ব গণ আন্দোলন হৈছিল, যি আন্দোলনৰ তুলনা ভাৰতবৰ্ষত এতিয়ালৈকে নাই। গতিকে এতিয়া এই বাতৰিৰ পৰা দেখা যায় যে ভাৰত চৰকাৰে সিদ্ধান্ত কৰা স্বত্বেও তেখেতে এই বিষাটোলৈ যথেষ্ট দেৰি কৰাৰ সম্ভাৱনা আছে। আৰু যিমান দেৰি হব সিমানে বিষয়টোৰ সম্পৰ্কত সন্দেহ সৃষ্টি হোৱাটো স্বাভাৱিক। সেইকাৰণে মই চৰকাৰৰ পৰা জানিব বিচাৰো চৰকাৰে বোধকৰো জানে যে এই বিষয়টো আমাৰ জনসাধাৰণে অতি গভীৰ ভাৱে লক্ষ্য কৰিছে। আৰু সেই কাৰণে আমি আগেয়ে অনুমান কৰিছো কেন্দ্ৰীয় চৰকাৰে এই বিষয়টোত দেৰি কৰাৰ সম্ভাৱনা আছে। সেই কাৰণে এতিয়া ছয় এপ্ৰিলৰ পৰা গোটেই অসমত এটা দাবী হব আৰু এই দাবীৰ বিশেষজ্ঞ আলোচনা কৰা হৈছে। এই সংগ্ৰাম পৰিষদে সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় চৰকাৰে যদি বাতৰি কাগজত প্ৰকাশিত মনোভাৱ পৰিবৰ্ত্তন নকৰে তেন্তে অহা মাহৰ পৰা আকৌ সত্যাগ্ৰহ আন্দোলন আৰম্ভ হব। ২য় তেলশোধনাগাৰ সম্পৰ্কত সদনত সৰ্ব্বসন্মতি ক্ৰমে গৃহীত হোৱা প্ৰস্তাৱটো কাৰ্য্যকৰী কৰাৰ কাৰণে। সেই কাৰণে সংবাদ পত্ৰত এই বাতৰিটো প্ৰকাশ হোৱাৰ পিচত অসম চৰকাৰৰ পক্ষৰ পৰা কি কৰিছে সেই কথা জানিব বিচাৰিছো। পৰিত্যাগৰ কথা Assam Tribune ত অসম চৰকাৰ এখন তথাকথিত স্মাৰক পত্ৰৰ কথা প্ৰকাশ হৈছে। খবৰটো পঢ়িলে দেখা যায় চৰকাৰে যি খন স্মাৰক পত্ৰ কেন্দ্ৰীয় চৰকাৰক দিলে সেইখনত Petro-chemical comeplex ৰ কথাহে কৈছে যদিও ৰাজ্যপালৰ ভাষণত কৈছে যে ২য় তেলশোধনাগাৰৰ সম্পৰ্কত দাবীৰ সন্তোষ জনক সমাধান পাইছে। Tribune ত আৰু সংবাদ উলাইছে যে অসম চৰকাৰৰ পক্ষৰ ২য় তেলশোধনাগাৰৰ কাৰণে পুনৰ কেন্দ্ৰীয় চৰকাৰক টানি ধৰিলে আৰু সেই বিষয়ে দাবী কৰিলে ঘোষণাত পলম নহয়। গতিকে এই বিষয়টোৰ সম্পৰ্কত বিশেষকৈ বাতৰি কাকতত প্ৰকাশ হোৱাৰ

পিচত অসম চৰকাৰৰ মনোভাৱ আৰু বক্তব্য জানিবৰ কাৰণে এই বিষয়টোত ৰাইজৰ যেনেকৈ দায়িত্ব আছে আৰু বিধান সভাত সৰ্ব্বসন্মতি ক্ৰমে গ্ৰহন কৰা প্ৰস্তাৱ কাৰ্য্যকৰী কৰাত যি দায়িত্ব চৰকাৰৰ আছে, সেই দায়িত্বৰ পৰা চৰকাৰে কেতিয়াও অব্যাহতি লব নোৱাৰে।

অধ্যক্ষ মহোদয়, এই বিষয়টোৰ সম্পৰ্কত আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিলো আৰু এই বিষয়টোৰ সম্পৰ্কত চৰকাৰৰ বক্তব্য আমি জানিব বিচাৰো।

Shri Dulal Chandra Barua : অধ্যক্ষ মহোদয়, এই খিনিতে আপোনাৰ অনুমতি লৈ এটা কথা কব খুজিছো। সেইটো হৈছে যে আজি আমি চৰকাৰৰ পৰা জানিব বিচাৰিছো যে অসমৰ ৰাইজ এই বিলাক বিষয়ত কিমান দিন প্ৰতাৰিত হব বিচাৰিছো। চৰকাৰে অন্যান্য ফালৰ পৰা যি সকলৰ নেতৃত্বলৈ কেন্দ্ৰীয় চৰকাৰে আমাক তেলশোধনাগাৰ দিলে বা অন্যান্য বহুত বস্তু দিলে বুলি গণ আন্দোলন মষিমূৰ কৰিলে এতিয়া কেন্দ্ৰত গৈ কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰীক স্মাৰক পত্ৰ দি আকৌ আন্দোলন প্ৰতিৰোধ কৰিব নেকি ? চৰকাৰে আজিলৈকে একো এটা বস্তু আনি দিব নোৱাৰাত আন্দোলনৰ সৃষ্টি হৈছিল। সেই গনতন্ত্ৰ মষিমূৰ কৰিবৰ কাৰণে কাৰো অধিকাৰ নাই। আজি চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা বস্তু লৈ দিছে বুলি প্ৰতাৰিত কৰিছে আৰু সেই বিলাকৰ কৈফিয়ত চৰকাৰে দিব লাগে। মই স্পষ্টভাৱে জানিব বিচাৰিছো যে ২য় তেলশোধনাগাৰ সম্পৰ্কত চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দ্দিষ্ট উত্তৰ পাইছেনে, যদি পোৱা নাই কব লাগে আৰু যদি পাইছে তাকো কব লাগে।

Shri Kamakhya Prasad Tripathi : মাননীয় সদস্যই প্ৰতাৰিত শব্দটো প্ৰয়োগ কৰাত দুখ পাইছো। এই আন্দোলনত ভাৰতবৰ্ষত একো দিব খোজা নাই এইটো অস্বাভাৱিক এই আন্দোলন কৃতকাৰ্য্য হোৱা নাই বুলিও কব নোৱাৰো। এইটো কৃতকাৰ্য্য হোৱাৰ কাৰণে ভাৰত চৰকাৰে বিবৃত্তি দিবলৈ বাধ্য হৈছে। বিবৃত্তি দিয়াৰ পিচত তেওঁলোকে নিশ্চয় Step লৈছে। Procedure কৰিব ধৰিছে আৰু তাৰ কাৰণে যত্ন কৰিছে। এতিয়া Petro Chemical complex industry সহজ সাধ্য নহয় কিছু সময় লাগিব।

ছাৰ এতিয়াও এই কেমিকেল Industry বিলাকৰ কথা কোৱা সহজ সাধ্য নহয়। তাত কিছু সময় লাগিব। যদি মাননীয় সদস্য সকলে অপেক্ষা কৰে তেন্তে কেইদিনমানৰ পাছত সকলো খবৰ দিব পৰা হব। গতিকে অসম চৰকাৰক এইদৰে ভবাটো উচিত নহব। কাৰণ এতিয়া আমাৰ Industry Minister কালি দিল্লীলৈ গৈছে এই কথাবোৰকে আলোচনা কৰিবৰ কাৰণে। তেখেতে তাত Prime Minister, Central Ministers আৰু M. P সকলৰ সৈতে আলোচনা কৰিব। গতিকে তেখেত ঘূৰি আহিলেহে আমি বুজিব পাৰিম যে কিমানখিনি কি কথা হৈছে। গতিকে খবৰ কাগজৰ ওপৰত ভিত্তি কৰিয়েই মাননীয় সদস্যসকলে এনেদৰে ভবাটো উচিত নহব। কাৰণ Minister ডাঙৰীয়া যেতিয়া আহি পাব আমাক জনাব আৰু তেতিয়াহে আমি বুজিব পাৰিম যে Minister ডাঙৰীয়াই কি খবৰ আনিব বা আনিছে আৰু যিটো প্ৰতিশ্ৰুতি প্ৰধানমন্ত্ৰীয়ে দিছে— সেই প্ৰতিশ্ৰুতিমতে বিশ্বাস হয়যে যতদূৰ সম্ভৱ আমাক দিব লাগে। কিন্তু সেই প্ৰতিশ্ৰুতিৰ পৰা প্ৰধানমন্ত্ৰীয়ে আঁতৰি যাব বুলি আমাৰ বিশ্বাস নহয়। গতিকে Minister ডাঙৰীয়া ঘূৰি আহি আমাক কথাবোৰ কলে আমি সদনত বুজাই দিব পাৰিম।

Shri Lakhydahar Choudhury : শিল্প মন্ত্ৰী দিল্লীলৈ যোৱাৰ কাৰণত মই কব বিচাৰিছোঁ। যে মই যিমান দূৰ জানো তেখেতক কালি লগ পোৱাত তেখেতে হতাশৰ ভাব লৈছে তালৈ গৈছে আৰু মোক বাটতে লগ পাই কলে যে তালৈ যাবৰ কাৰণে তেখেত দোধুৰ মোধুৰ অৱস্থা সৃষ্টি হৈছে আৰু পেকেজ Deal টো বাটতে হেৰুৱা কথা মোৰ আগত কৈছিল। গতিকে মই এইটো কথা কব বিচাৰিছোঁ। যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দিষ্ট কিবা লিখনি অসম চৰকাৰে ৰাখিছেনে নাই আৰু যদি ৰাখিছে তেন্তে সদনত জনালে ভাল হয়। কিন্তু অকল বাতৰি কাকত খনত প্ৰধান মন্ত্ৰীৰ Statement টোৰ ওপৰত বিশ্বাস ৰাখি আমাৰ এই আন্দোলনক বিপথে পৰিচালিত কৰাৰ চেষ্টা অসম চৰকাৰে কৰিছেনে কি? যদি কিবা লিখিত কথা আহিছে যেনে তেলশোধনাগাৰৰ বিষয়ে, বা Petro chamical complex ৰ বিষয়ে বা অন্য Industry বিষয়ে কিবা কাগজ আহিছেনে নাই?

Shri Kamakhya Prasad Tripathi : তেনেকুৱা লিখিত কাগজ নাই।

Shri Dulal Chandra Borua ; "The Assam Government's representation followed the reported decision of the Government of India to set up the proposed refinery and petro chamical complex for manufactaring only polyestere fibre in Assam. This, according to the State Government, will hardly contribute to any extent to the economic development of this backward State."

এইটোৰ পৰা সম্পূৰ্ণ বুজা যায় যে পেকেজ প্ৰগ্ৰেম দিম বুলি কৈছিলে ই সম্পূৰ্ণ ফাকি। কাৰণ বহুত দিনৰ পৰাই অসমক দিম বুলি কৈ আছিল কিন্তু এতিয়ালৈকে দিয়া নাই কিয় ? আৰু অসমৰ কোনো বস্তুকেই নিদিয়ে বৰঞ্চ অসমৰ পৰা লৈহে লৈছে। গতিকে যিটো বানী ভাৰতৰ Prime Minister এ দিলে সেইটো বাণী কেতিয়াও প্ৰতিশ্ৰুতি নহয়। কাৰণ এইদৰে বহুত বানী শুনাইছে এই সকলো বিলাকেই কেৱল ফাকি আৰু প্ৰবঞ্চনা। এইদৰে বানী দি থাকি আমাৰ ৰাইজক প্ৰতাৰনা কৰিছে আৰু আমাৰ আন্দোলনক বিপক্ষে পৰিচালনা কৰিছে ; কিন্তু এই প্ৰবঞ্চনা বা প্ৰতাৰণাৰ কাৰণে আমাৰ ৰাইজে কেতিয়াও ক্ষমা নকৰে।

Mr. Speaker : I will keep the matter open till the Industries Minister comes back.

## Re : Miscellaneous matters given notice for discussion on the day.

Mr. Speaker : As regards Shri Atul Goswami's filter pipe and also scarcity of water and also Himmat of Shri Soneswar Bora, these will be taken up tomorrow.

## Report of the Business Advisory Committee

Mr. Speaker : Now, Report of the Business Advisory Committee held on 28th March, 1970.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 28th March 1970 for settling the programme of business of the Budget Session of the Assam Legislative Assembly from 27th April onward. The Committee considered the business awaiting disposal in the House and approved the programme which has already been circulated to the Members. It will appear that the House will extend for another 52 days and 35 working days of which 21 days have been allotted for transacting Government business and 14 days have been allotted for transacting Private Members' Business. Seven days have been earmarked for Voting on Demands for Grants. I think the time so allotted will give ample opportunity to the Members for taking part in various discussion.

I hope this has the approval of the House ?

Shri Atul Chandra Goswami : অধ্যক্ষ মহোদয়, আপোনাৰ এই দীঘলীয়া বন্ধৰ programme খন পাইছোঁ আৰু তাত মোৰ কিছু আপত্তি কৰিবলগীয়া আছে। কাৰণ ১৭ জুন তাৰিখলৈকে যদি session চলি থাকে তেনেহলে আমাৰ কিছু অসুবিধা হয়। কাৰণ সেই সময়ত আমাৰ এটা ভৰপুৰ খেতিৰ সময় আৰু বহুতো সদস্যৰে সদনত উপস্থিত থকাটো অসুবিধা হয়। গতিকে জুন মাহৰ ৭ তাৰিখ মানে অন্ততঃ বন্ধ ৰাখি তাৰ পাছত পুনৰ চেপ্তেম্বৰ মাহত আৰম্ভ কৰিলে ভাল হয়।

Shri Kamakhya Prasad Tripathi (Minister, Finance) : Sir, May I point out one thing ! In the past so far as budget discussion and voting on demands were concerned, they were not interspersed by Private Members' discussions. It is for this reason that the budget was passed in a stretch. If this

budget was passed in a stretch then this time would not be required. If the budget plus some of the financial bills are not passed in time then we would not be in a position to take steps both as regards the implementation of the budget and also as regards the taxation matters. If these also were postponed then the work depending on the budget will not be undertaking at all. Even as it is the budget is passed within the 31st of March, many of the works remain undone till the 31st of March next year. But if the budget is passed in June or July then the time available for work would be limited and many of the provisions would lapse later on. Therefore, it should be one of the necessities that we pass the budget as quickly as possible and as in the past we do not intersperse the discussion about the budget by the Private Members' days. I think the same procedure should be adopted.

Shri Dulal Chandra Barua : I submit, Sir, whatever it may be, I must give thanks to the Members of the Business Advisory Committee because we also find that we do not find time to debate the voting on accounts. Most probably, by considering all these factors the Members of the Business Advisory Committee have kept so many days. Therefore, about the revision and other things we can take up the matter later on. I think the programme should be retained as it is for the time being.

Shri Kamakhya Prasad Tripathi : As I have said, the budget should be passed, the financial measures should be passed so that steps may be taken to implement the budget and taxa-

tion measures. From that point of view, the programme should be revised. Even the Parliament which manages the affairs of the entire country, will be over by the 1st week of May. It is for this reason that this matter should be considered by the Members.

Shri Gaurisankar Bhattacharyya : Sir, the programmes are subject to revision. Not that it cannot be revised ; but the point which is sought to be made by the Finance Minister, on that point I want to make a submission. If the budget is not passed before June, it is not our fault--it is the fault of the Finance Ministry. It is they who failed for reasons best known to them to bring the budget before this House within time.

Shri Kamakhya Prasad Tripathi ; I am not blaming anybody.

Shri Gaurisankar Bhattacharyya : So, they come an unusual manner to take a vote on account—and the money is there upto 30th of June. For this, it is necessary that there should be sittings for passing of the budget for the period beyond June. And, I hope the budget will be passed within proper time. I do not want to go into that chapter as to why our budget instead of being hand within 31st of March had to wait till June. It is no good blaming anybody.

Shri Kamakhya Prasad Tripathi (Minister, Finance) : I am sorry the Hon'ble member misunderstood me, I did not blame anybody. The only point is that there are somany things.

Shri Gaurisankar Bhattacharyya : We are naturally eager

to go home. Some are sorry that they are away from their families for so many days. Some are sorry their that cultivation will suffer and some may be sorry that their profession may suffer and there may be others who may be sorry if the days for the general discussion on the Budget are curtailed. There may be others who may be sorry if the days for the discussion on the Voting on Demands for Grants are curtailed. There may be still others who may be sorry if the Private Members' Days are curtailed because we have seen uptill now that the first casualty becomes the Private Members' Days. Therefore we have to consider so many things. This is of course subject to revision but how can it be revised here and now?

Shri Kamakhya Prasad Tripathi (Minister Finance): The Business Advisory Committee may consider this matter.

Mr. Speaker: I hope this has the approval of the House.

(Voice—Yes, Yes).

So as suggested by the hon' Members, I will place this matter before the Business Advisory Committee.

## Re: Number of Questions Replied to during the Session

Mr. Speaker: Now I am reading out a Statement relating to Questions and replies.

Statement showing the total number of admitted copies of Starred and Unstarred Questions sent to Deptts and the total number of Replies received from Govt upto 10.30 A. M. on 6.4.70

| Admitted Questions sent. | | Replies received. | |
|---|---|---|---|
| Starred | Unstarred | Starred | Unstarred |
| 608 | 176 | 82 | 29 |

*Shri Promode Chandra Gogoi : অধ্যক্ষ মহোদয়, আমাৰ starred question ৰ ঘাটি বেছি হৈছে। দিনে ৫টা মান হে হৈছে। যোৱা বছৰ শেষৰ দিনা এটা ডাঙৰ খাটা দিয়া হৈছিল। যেনেকৈ স্কুল বন্ধ হলে শিক্ষক সকলে Home work দিয়ে সেইদৰে আমাকে ঘৰত পঢ়িবলৈ দিয়া হৈছিল। মই কিছুমান প্ৰশ্ন Assembly আৰম্ভ হোৱাৰ এমাহ মানৰ আগতে দিছিলো কিন্তু তাৰ উত্তৰ আজিলৈকে অহা নাই। অধ্যক্ষ মহোদয়, starred question বিশ্বাকত আমাৰ সমষ্টিত নানানি সমস্যাৰ কথা উল্লেখ থাকে। গতিকে আপোনা -লোকক অনুৰোধ কৰো যেন এই starred question বিলাক সোনকালে session ত দিয়াৰ ব্যৱস্থা কৰে। কিন্ত গুৰুত্বপুৰ্ণ প্ৰশ্ন কিছুমান বিভাগ বিলাকে ইচ্ছাকৃত ভাবে নপঠায় যাতে সদন চলি থকা অৱস্থাত এই বিলাক আলোচনাৰ কাৰণে সদনলৈ নাহে। যেনে ২০ জানুৱাৰীত গুৱাহাটীত হোৱা firing ৰ কি কৰিলে এই question টোৰ কাৰণে এমাহ বাট চোৱাৰ প্ৰয়োজন নাই। এনে বহুত question থাকে যি বিলাক বিভাগ বিলাকে প্ৰশ্ন দিয়াত পলম কৰি উদ্দেশ্য সিদ্ধি হোৱাত ব্যাঘাট জন্মায়। গতিকে এই starred question বিলাক সোনকালে সদনত দিয়াৰ ব্যৱস্থা কৰে।

Shri Atul Chandra Goswami : অধ্যক্ষ মহোদয়, মইও ইয়াৰ লগতে আৰু অলপ যোগ দিব খুজিছো। শিক্ষা বিভাগৰ প্ৰশ্ন বিলাকৰ সাধাৰণতে উত্তৰ নাহে। দুমাহ বা আঢ়ৈ মাহৰ আগতে দিয়া প্ৰশ্ন যি বিলাক Director ৰ পৰা আহিব লাগে সেই প্ৰশ্ন বিলাকো আজিলৈকে অহা নাই। শিক্ষা বিভাগে ইচ্ছাকৃত ভাবেই Starred Question বিলাকৰ যথাযথ উত্তৰ নপঠায়। সেই কাৰণে এই বিষয়ে Parliamentary affairs ৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰা হ'ল।

*Speech not corrected

Mr. Speaker : I shall ask my office to submit to me a statement regarding Replies department wise. I think that will be better.

Shri Rathindra Nath Sen : Sir, will you be kind enough to make an enquiry whether the Education Department is still in existence ? Will you please ask the Minister concerned ?

Shri Dulal Chandra Barua : Sir, according to the Rules, Replies to Question should be sent within 15 days after they were received in the Departments. But even though we have sent our Questions long before, and so far my information goes, even though the Secretariat have sent those Question to the Respective Departments in due time, but uptil today those Questions are simply floating in the respective Department. We are not talking about the Education Department alone. This is the case in every Department like Industries and Home Departments. Therefore, Sir, it will be of no use for the Honble Members to take so much labour if we do not get the replies to our Questions and if we do not have the opportunity to raise supplementary questions during this Session. In this regard we seek your protection. As stated by my friend Shri Promode Chandra Gogoi there are many Replies which are to come from the Heads of Departments and which have not yet been received till today.

Mr. Shamsul Huda : অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট আছে। এই গোতেই বস্তু বিলাকৰ মুল হ'ল যাতে চৰকাৰৰ বিভাগ বিলাকে বিধান সভাত বিশেষ কোনোবিষয় আলোচনা হব নোৱাৰে এই সুবিধা হবৰ কাৰণে পৰিকল্পিত

ভাৱে বিচৰা উত্তৰ বিলাক নপঠায়। কোনো বিভাগৰ বিষয়ে সদনত আলোচনা কৰিব খুজিলে সংলিষ্ট বিভাগ বিলাকে সেই বোৰ যাতে আলোচনা কৰিব নোৱাৰে তাৰ কাৰণে পৰিকল্পিত ষড়যন্ত্ৰ কৰি উত্তৰ বিলাক ইয়ালৈ নহাৰ ব্যৱস্থা কৰে। চৰকাৰে যাতে ইয়াৰ প্ৰতি দৃষ্টি ৰাখে।

Shri Mahendra Mohan Choudhury ( Minister Revenue ) : Sir, there is no conspiracy in the matter of bringing to the House the Replies to the Questions put by Hon Members. We are trying our best in this regard and as matter of fact I have already taken a note from the Assembly Secretariat a few days back about the number of questions pending department-wise. I have circulated that note to all Departments and I have also requested the Honble Ministers to see that their Departments submit the Replies as expeditiously as possible. Of course I am very sorry that this time the progress in sending of Replies had been a bit slow. I fully share the view expressed by hon Members in this respect and I shall do my best so that more Replies are sent.

Mr. Speaker : I hope as already assured by the hon Minister there will be progress in the regard.

Shri Rathindra Nath Sen : Sir, I think the Honble Minister shall have to give the same reply even after the 27th April when the House resumes its sitting.

Shri Mahendra Mohan Choudhury : Sir, that is a wrong impression of the hon Member. I have already stated that we shall try to give more Replies to Questions.

Shri Rothindra Nath Sen : Can the hon. Minister assure the House that this decision will be implemented by the

Departments ? Why I say this is because as far as my informatson goes the subordinates do not carry out their orders. Even the slips sent by Ministers are thrown into the waste-paper baskets.

## Calling Attention to A Matter of Urgent Public Importance—Extravagance in Flood Control Measures

**Shri Soneswar Borah :** অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্যপৰিচালনা বিধিৰ ৫৪ ধাৰা অনুযায়ী অসমৰ মাননীয় বান নিয়ন্ত্ৰন দপ্তৰৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষনাৰ্থে নিম্নলিখিত বিষয়টো উথাপন কৰিলো। বিষয়টো যোৱা ৪ মাৰ্চ তাৰিখে প্ৰকাশিত "জনমভূমি" কাকতৰ প্ৰথম পৃষ্ঠাত পৰিবেশন কৰা বাতৰি। প্ৰকাশিত বিষয়টো এই—

"বান নিয়ন্ত্ৰণৰ নামত বহুধন
অপব্যয় কৰাৰ অভিযোগ।

খবৰ কাকতত প্ৰকাশিত এই বাতৰিয়ে অসমৰ জনসাধাৰণৰ মাজত গভীৰ চাঞ্চল্যৰ স্থষ্টি কৰিছে। জনসাধাৰণৰ অত্যন্ত জৰুৰী আৰু অতি আৱশ্যকীয় এই বিষয়টো মাননীয় "বান-নিয়ন্ত্ৰণ'' বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো।"

**Shri Mohendra Mohan Choudhury :** (Minister, Flood Control & Irrigtion) Sir, I have gone through the caption বান নিয়ন্ত্ৰণৰ নামত বহু ধন অপব্যয় কৰাৰ অভিযোগ''

**Alleged injustice to the Local Contractors :**

1. From some time past, the system of Registration of Contractors as prevalent in other states and railways have also been introduced in the Flood Control Deptt. The Registered Contractors are required to keep a fixed sum of money as deposit in the Government according to their

class of registration. All contractors whether local or outsiders are free to apply for registrations. Their cases are considered provided they satisfy certain conditions as laid down by the department. For obivious reason the department encourage all contractors of different categories for registration in the department. As a rule in allotment of contracts the registered contractors have an edge over non-registered eontractors. In view of introducing the system of registration of contractors in the department the settlement of contracts are done from the point of view of registration, capability and financial soundness and no other considerations weigh in the matter. Non the less considerations are always made to accomodate as many number of contractors as possible belonging to the soil.

2. Malow bund was initially constructed during the year 1951-52. Works on raising & strengthening of this dyke on the basis of 1966 flood was taken up in the year 1968. In nature of soil is not uniform every where and in all depth and therefore it is no exeption on construction of dyke. On account of the dyke standing against flood water pressure over a long period, the organic materials from the foundation soil of the dyke at places of heavy deposit must have leached out gradually over the years as normally happen under such circumstances making hollows in the sub-surface. On 18.7.69 at 10 P.M. the dyke in between Chainage 3600m-3710m breached under pressure of flood water. The dyke in this reach passed through a comparatively low lying area and the breach might have occurred due to formation of cavities in the foundation

soil on account of leaching of organic materia's form. It may be relevant to mention that in that year the Brahmaputra flood mark at Neamati attained a level which surpassed all previous records and its elevation went up to R. L.283.30. As the breach occurred at a time before sali paddy cultivation in the protected are and sali pady cultivation being the principal crop grown in the area therefore it was decided to make up the work on [temporary restoration due to sheer compulsion of circumstances. In consultation with the district revenue officials and with their approval of the estimate the work on temporary restoration was taken up on test relief basis using sali piles timber scantlings, bamboos, earth filled gunny bags, empty cement bags etc. In temporary restoration work, it is a practice for want of time not to carry out the work to full width and height of the original structure but to a safe level. Before works on permanent restoration can start, it is an indispensable necessity for the stability that all materials of nature like timber, piles, bamboos etc. are to be removed from the seat of permanent closure so that the works can] be carried out satisfactorily and in a more compact way. According to this necessity all timber materials viz. sal piles timber scantlings etc that could be salvaged, were removed from the site and kept properly in the departmental store for using them in future when occassions arise. The work on permanent restoration of the breach during fair weather had already been taken up and its present progress is 90% of the estimated quantity. The

total expenditure on temporary restorations comes to Rs. 7,00,000/-while the cost of permanent restoration will come to Rs. 1,00,000/-approximately.

3. **Dibrugarh Retirement Bund :**

In 1969 the Dibrugarh town protection dyke experienced a flood wave which it never faced since its construction. The flood level R.L. 346.20 on 17.7.69 suspassed all previous records and the flood inflicted considerable damages to the town protection dyke. Through sustained flood fighting day and night without any rest and food the town was saved from the impending calamity. After the fall in the flood level, the damaged duke had to be repaired hurriedly to meet the pressure of second wave. Accordingly tender was called by the Executive Engineer on 29.7.69 allowing a period of 3 days. After opening tenders it wis discovered thar low rates were quoted by contractors not suitable to be entrusted with emergent works and therefore the Superintending Engineer invited fresh quotation allowing only 1 day for submission of tender due to urgency of the situation. The work was let out to capable and reliable contractors. In heavily built up areas in the town where no borrow area is available the earth had to be obtained from the distant place carrying by truck. The rate allowed to contractors for earthworks by head load was Rs.5.00 per cubic metre while rate for earth carried by truck was given Rs. 14·50 per cubic metre. The value of works carried out on emergent basis just after the first wave of flood was for Rs. 4, 74,847.00.

The amount of Rs. 50,000·00 as stated in the news item does not have any real basis excepting a creation of imgination.

4. **Dehing Bund**

This concerns the distribution of work on "Raising and Strengthening of extension of Tengakhat bund from Jokai Reserve Forcst to A.T. Road". Altogether 124 contractors were selected for this work. Various categories of contractors selected for the scheme are given below.

| | | | |
|---|---|---|---|
| 1st Class contractor | .... | 7 Nos | ... 5.6% |
| 2nd " " | .... | 32 " | ... 25.8% |
| 3rd " " | ... | 85 Nos | 68.6% |
| 4th " " | ... | | |

From the above figures it becomes evident that greatest volume of work in the scheme was given to Class III & IV contractors who were all local. The total value of works in this scheme that was distributed amongst different contractors was for Rs. 20,66,000/- and the value of works given to each of the 4 contractors are given below.

| | | | |
|---|---|---|---|
| 1) | Shri Jogendra Singh | ... | Rs. 47,092.00 |
| 2) | Shri Jamil Ahmed | .... | Rs. 100,647.00 |
| 3) | Shri J.K. Newatia | ... | Rs. 36,225.00 |
| 4) | Shri Abdus Sukkur Khan | .. | Rs. 33,975.00 |

In respect of the total value of work the above contractors were given value of works 2.27%, 4.80%, 1.70% & 1.50% respectively.

Mr. Speaker ; Now, Item 3- Mr Surendra Nath Das.

## Debate on the Governor's Address

Mr. Speaker : Shri Surendra Nath Das.

Shri Bhadreswar Gogoi : চাৰ সিদিনা মোৰ অলপ কৰলৈ আছিল।

Mr. Speaker : তেনেহলে আপুনি ৫ মিনিট কওক।

Shri Bhadreswar Gogoi : মাননীয় উপাধ্যক্ষ মহোদয়, মই সিদিনা নিবনুৱা সমস্যাৰ কথা কৈছিলো। নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে চৰকাৰে বিশেষ ভাবে যত্ন লোৱা নাই। নিবনুৱা সমস্যাৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে। ভবিষ্যতে ইয়াৰ পৰা গোটেই দেশত এটা ডাঙৰ উশৃঙ্খলাৰ সৃষ্টি হ'ব। এই সমস্যাবিলাক সমাধান কৰিবৰ কাৰণে বৃহৎ শিল্প সম্প্ৰসাৰণৰ ওপৰিও ক্ষুদ্ৰ শিল্পৰ সম্প্ৰসাৰনৰ বাবে বিশেষ ব্যৱস্থা লব লাগে।

এতিয়ালৈকে কৃষিৰ উন্নতিৰ বাবে চৰকাৰে যি আচঁনি লৈছে, যিমান টকা খৰচ কৰিছে। এই আচনিয়ে কৃষিৰ কেনো উন্নতি কৰিব পৰা নাই। এই আচনি বিলাক সাধাৰন খেতিয়ক বিলাকে আদৰ কৰিব পৰা নাই। কাৰণ খেতিয়কৰ অৱস্থা নুবুজাকৈ লোৱা আচনি কেতিয়াও কাৰ্য্যকৰী নহয়। এই আচঁনি বিলাকে কাগজতহে খেতি কৰিছে। তদুপৰি আমাৰ অসমৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিবৰ কাৰণে অসমৰ চাহ শিল্প ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে। অসমৰ চাহশিল্প যিসকল পুঁজিপতি সেইসকলে প্ৰতিদিনে ন ন পথ উলিয়াই চৰকাৰক ফাঁকি দিছে। আৰু অসমৰ অৰ্থনৈতিক উন্নতিত বাধা দিছে। কিছুমান বাগানে ফেক্টৰী একত্ৰীকৰণ কৰিছে। তাৰ ফলত বহু মজদুৰৰ কাম নোহোৱা হৈছে।

মহোদয় বিশেষকৈ অসমত থকা বিদেশী তেল শিল্প আজিও ৰাষ্ট্ৰীয় কৰণ নকৰাটো ঘোৰ অন্যায় হৈছে। অসমত থকা এই বিদেশী তেল শিল্প ৰাষ্ট্ৰীয় কৰণৰ দাবীত সংযুক্ত চচিয়েলিষ্ঠ পাটিৰ তৰফৰ পৰা চেপ্তেম্বৰ মাহৰ ২০ আৰু ২৫ তাৰিখে সত্যাগ্ৰহ হৈছিল। এই সত্যাগ্ৰহ ১৯৭০ চনৰ চেপ্তেম্বৰ মাহৰ ২০, ২৮ তাৰিখলৈ চলি আছিল। আৰু এই আন্দোলন তেল ৰাষ্ট্ৰীয় কৰণ নোহোৱা পৰ্য্যন্ত ই ভৱিষ্যতলৈও চলি থাকিব। এইয়া আমাৰ ব্যক্তিগত দাবী নহয়। এইয়া আমাৰ সমূহীয়া দাবী। অসমৰ ৰাইজৰ দাবী।

তাৰ পাছত মই সদনত আগেয়ে কৈছিলো যে এই চৰকাৰে ৰাইজৰ দাবী আৰু ৰাইজৰ কথাবোৰত কান নিদিয়ে। আমি যিবোৰ কথা কও এইবোৰ আমাৰ ব্যক্তিগত কথা নহয়] এইবোৰ ৰাইজৰ দাবী। অসমৰ ৰাজধানী চিলংৰ পৰা ভৈয়ামলৈ নিয়াৰ দাবী আজি বহুদিনৰে পৰাই চলি আছে। এইটো আজিৰ দাবী নহয়। কিন্তু চৰকাৰে এইফালে চকু দিয়া বা মনোযোগ দিয়া দেখা নাই। এই ৰাজধানী ভৈয়ামৰ যিকোনো ঠাইলৈ নিয়াৰ বিষয়ে ভালদৰে আলোচনা হব লাগে আৰু ৰাইজৰ মতামত লৈ সোনকালে অসমৰ সোমাজৰ এখন ঠাইত এই ৰাজধানী পাতিব লাগে। মোৰ পৰামৰ্শ গুৱাহাটীত নাপাতি অইন এখন মাজ ঠাইত পাতিলে বেচি ভাল হব। মই ভাবো Nowgong জিলা কলিয়াবৰৰ পৰা কুঠৰীলৈকে এই ঠাইত পাতিব লাগে। এই ডোখৰ ঠাই গোটেই অসমৰ বাবে উপযুক্ত হব। শিলঘাটৰ ওপৰত এখন দলং নিৰ্ম্মান কৰিলে ইটো পাৰৰ লগত ভাল যোগাযোগ হব। আৰু এটা কথা কৈয়ে মই সামৰনি মাৰিম। সেইটো হল লক্ষীমপুৰ জিলাখন পুনৰ গঠন কৰিব লাগে।

ব্ৰহ্মপুত্ৰ থন বুকত লৈ এই জিলাখন গঠন হোৱাত চৰকাৰৰ প্ৰশাৰনৰ অসুবিধা হৈছে। আৰু এচাম ৰাইজৰও বিপদ হৈছে। সেই কাৰণে তিনিচুকীয়া এটা চাব ডিভিজন পাতি ডিব্ৰগড় নামে এখন জিলা আৰু ইটো পাৰে লক্ষীমপুৰ নামেৰে এখন জিলা গঠন কৰিব লাগে। আগতকৈ জনসংখ্যা বহুত বাঢ়িল সেই কাৰণে দুখন জিলা হোৱাৰ স্থল আছে।

*Shri Surendra Nath Das : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত আমাৰ অসম ৰাজ্যৰ বহুতো বিষয়ে উল্লেখ কৰিছে যদিও সংক্ষেপে উল্লেখ কৰিছে তথাপিতো গোটেইখিনি কথা ইয়াত ভাল ৰকমে উল্লেখ হৈছে। আজি আমাৰ দেশত শান্তি শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত অৱশ্যে কিছু কৃতকাৰ্য্যতা লাভ কৰিছে, যদিও কোনো কোনো অঞ্চলত গাৱে ভূঞে অঞ্চলত চুৰি, ডকাইতিৰ সংখ্যা বৃদ্ধি হৈ আছে। এই ক্ষেত্ৰত আমাৰ কৰ্তৃপক্ষই চোকাদৃষ্টি ৰাখিব লাগে। কিয়নো আজি আমাৰ গাৱত এনেকৈ আশঙ্কা বা বিভিষাৰ সৃষ্টি হোৱাত দেশৰ শান্তি শৃঙ্খলা ৰক্ষা কৰাটো সময়ত টান হৈ পৰিব পাৰে। সেইকাৰণে বিষয়টোৰ প্ৰতি

*Speech not corrected

চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই চুৰি, ডকাইতসকলে গৰীব জনসাধাৰণে কঠোৰ পৰিশ্ৰম কৰি অৰ্জ্জা পইচা বিলাক হেলাৰঙে লৈ যোৱাটো সচাকৈয়ে দুখৰ কথা। এই ক্ষেত্ৰত বিশেষভাৱে শান্তি শৃঙ্খলাত নজৰ দিব লাগে বুলি ৰাজ্যপালে স্বীকাৰ কৰিছে। আমাৰ গাৱলীয়া খেতিয়ক সকলৰ উন্নতিৰ কাৰণে গৰু, পশুপালন ইত্যাদিত কেনেকৈ অৰ্থনৈতিক ক্ষেত্ৰত আগবাঢ়িব পাৰে তাৰ ইঙ্গিত দিছে। অসম দেশৰ মূল অৰ্থনৈতিক ভেটি হৈছে কৃষি। কৃষক সকল কাৰবাৰী বা উদ্যোগপতি নহয় এইটো সচা। সেইকাৰণে উন্নত প্ৰণালীত উৎপাদনৰ ক্ষেত্ৰত আগবাঢ়িব পাৰিলে দেশৰ কাৰণে কল্যাণমূলক কামৰ আচনিয়ে কৃতকাৰ্য্যতা লাভ কৰিব। সেইকাৰণে খেতিয়ক সকলক উন্নত প্ৰণালীত খেতি কৰাৰ কাৰণে কৃষি ঋণ দিয়াৰ ব্যৱস্থা হব লাগে। সেইকাৰণে ঋণৰ ভাল ব্যৱস্থা হলে তেওঁলোকে নিজৰ ভৰণ-পোষণ ধৰাৰ উপৰিও Apex Marketing ক থান দিয়াত সহায়ক হব। আঞ্চলিক পঞ্চায়ত বা উন্নয়ন খণ্ডৰ যোগেদি, জিলাপৰিষদৰ D. C, সমূহ, মহকুমাধিপতিয়ে B. D. O ক মাতি আনি কেনেকৈ পঞ্চায়ত এলেকা বিলাকত ভাল ৰকমে প্ৰচাৰ হয় আৰু ঋনৰ কাৰণে Form Fill up কৰাৰ ব্যৱস্থা কৰিব লাগে। তেনে নকৰিলে Deserving সকলে সুবিধা পোৱাৰ পৰা বঞ্চিত হব পাৰে। সেইকাৰণে B. D. O ৰ যোগেদি উন্নয়ন বিষয়া বিলাকৰ যোগেদি কেনেকৈ Irrigation ৰ ব্যৱস্থা কৰিব লাগে সেইবিলাকৰ ব্যৱস্থা কৰি দিব লাগে। আৰু চাব লাগে যাতে প্ৰকৃত খেতিয়কে ঋণ পাব। কিছুমান মানুহে ঋণ আনি অন্য কামত খটুৱায়। বিশেষভাৱে আঞ্চলিক পঞ্চায়তৰ যোগেদি B. D. O ৰ যোগেদি প্ৰকৃত খেতিয়ক সকল সংগ্ৰহ কৰিব পাৰে। মাটিহীন কৃষকক মাটি দিয়াৰ ব্যৱস্থাই দেশত আলোড়নৰ সৃষ্টি কৰিছে। কিছুমান V. G. R. আৰু P. G. R. গ্ৰেজিং-ৰিজাৰ্ভ মাটিহীন মানুহে বেদখল কৰি আছে, আৰু বেদখল উঠাই বহুতো মাটি থকা মানুহে দখল কৰি আছে। সেইবিলাকত যাতে মাটি থকা মানুহে নেতৃত্ব কৰিব নোৱাৰে তাৰ কাৰণে চোকা দৃষ্টি ৰাখিব লাগে। সেইবিলাকৰ পঞ্চায়তৰ জৰিয়তে লিষ্ট সংগ্ৰহ কৰি পুঙ্খানুপুঙ্খ ৰূপে তদন্ত কৰি মাটিৰ ব্যৱস্থা কৰিব লাগে। তাৰপিচত মাটি থকা মানুহে V. G. R. বিলাকত বেদখল কৰি ২/৩ বিঘা মাটিত পশুপালন কৰিবলৈ দি পট্টা দিয়া হয় তেন্তে সেইটো মাৰাত্মক কথা হব। কিয়নো সেইবিলাক বেদখল কৰিলে হালৰ গৰুহাল ৰাখিবলৈকে ঠাই নোহোৱা হব। সেইকাৰণে সেইবিলাকৰ ভালধৰণে

সংৰক্ষণ কৰিব লাগিব। গাওঁ অঞ্চলত পশুপালনৰ ক্ষেত্ৰত ৰাজ্যপাল মহোদয়ে কোৱা হিচাবে পালন কৰা হব। চৰকাৰে কুটীৰ শিল্পৰ ক্ষেত্ৰত ঋণ দিয়াৰ ব্যৱস্থা কৰিছে আৰু সুন্দৰ পৰীক্ষা কেন্দ্ৰও চলোৱা হৈছে। কিন্তু এইবিলাক ভালদৰে পৰিচালিত হোৱা নাই।

আজি আমাৰ কুটীৰ শিল্পৰ ক্ষেত্ৰতো চৰকাৰে বহু ৰকমৰ ঋণ দিয়াৰ ব্যৱস্থা কৰিছে। ঠায়ে ঠায়ে Capentary Project Centre ইত্যাদিও খুলিছে। যি সকল বিষয়-ববীয়া আছে তেওঁবিলাকেও কেনেকৈ অনুস্থান বিলাক চলিছে কোনো খবৰ নলয়। প্ৰশিক্ষণপ্ৰাপ্ত লোকসকলকো নিযুক্ত দিয়া হোৱা নাই। সেই কাৰণে চৰকাৰৰ ফালৰপৰা ঋণ দিয়াৰ ব্যৱস্থা কৰি এই প্ৰশিক্ষণপ্ৰাপ্ত লৰাবিলাকক কামত লগাব লাগে। তেতিয়াহলে তেওঁলোকে নিজা হিচাবেই হওক বা অন্য ভাবেই হওক উপকৃত হব পাৰিব।

আমাৰ নিবনুৱা সমস্যাৰ কথা সকলোৰে কয় কিন্তু ই দিনকদিনে বাঢ়িহে গৈছে এই ক্ষেত্ৰত চৰকাৰে বিশেষভাৱে নজৰ দিব লাগে। বিশেষকৈ জন-জাতীয় আৰু অনুসূচীত জন-জাতীয় অঞ্চলত নজৰ দিব লাগে। একে পৰ্য্যায়ৰ মানুহ সাধাৰণ L. D. Asstt. বা Road Mahuri কামৰ কাৰণে আবেদন কৰি আছে অথচ কিছুমানে আকৌ আবেদন কৰিবলৈকো সমৰ্থ হোৱা নাই। অনুসূচীত জাতি আৰু জন-জাতি অঞ্চলত বেচি সুবিধা দিব লাগে।

আজি আমাৰ দেশখনৰ সামৰিক বা নিৰাপত্তাৰ ক্ষেত্ৰত বা পৰিবহনৰ ক্ষেত্ৰত চৰকাৰে যি ব্যৱস্থা লৈছে সেই ব্যৱস্থা মতে এতিয়াও কোনো কোনো অঞ্চলৰ কাম Untouch হৈয়েই আছে। পাকিস্তান Border ত যিবিলাক ঠাইত যাতায়তৰ সুবিধা নাই সেইবিলাকৰ ৰাস্তা-ঘাটলৈ বিশেষ চকু দিব লাগে।

আকৌ North Trunk Road ৰো অৱস্থা ভালেমান ঠাইত উন্নত হোৱা নাই। চেৰফাংগুৰী, তামোলপুৰ, ওদালগুৰীৰে -North লক্ষীমপুৰলৈ সংযোগ হোৱা প্ৰয়োজন। সেইকাৰণে সদনৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিছো যাতে এই বিলাকলৈ চকু দিয়ে।

আজি জনজাতীয় অঞ্চলত leprosy ৰোগৰ কাৰনে চিকিৎসালয় কৰিছে যদিও উন্নত হৈ উঠা নাই। Hospital বিলাকত অধিক Seat ৰ ব্যৱস্থা কৰিব লাগে। (সময়ৰ সঙ্কেত)

*Shri Phani Bora : অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ এই ভাষনটোত প্ৰকৃততে কবলৈ গলে আমাৰ ৰাজ্যৰ অচল অৱস্থাটো প্ৰস্ফুটিত হোৱা নাই। আমাৰ ৰাজ্যৰ অচল অৱস্থাত প্ৰকৃত ভাবে অৰাজকতাই বিৰাজ কৰিছে। ইয়াত বস্তুতঃ কোনো চৰকাৰ নাই। নামত যি চৰকাৰ আছে তেখেতসকলো এই অৱস্থাত ভাল ভাবে পৰিচালনা কৰি দেশক আগুৱাই নিবলৈ অক্ষম যেন ধাৰনা হৈছে। চৰকাৰ নামৰ এই মেচিনটো অচল হৈ যোৱাৰ প্ৰমাণ আমি বহুত ঠাইতে দেখিবলৈ পাইছো। কিন্তু ৰাজ্যপালৰ ভাষণত এই অৱস্থাৰ কোনো উল্লেখ নাই।

দেশৰ চাৰিওফালে চলি থকা অৱস্থাৰ কোনো ৰকমৰ উল্লেখ ৰাজ্যপালৰ ভাষণত নাপাই আমি বৰ আচৰিত হৈছো। আমি দেখিবলৈ পাইছো যে প্ৰাচীন ৰোম সম্ৰাটে যেনেকৈ ৰোমৰ শত্ৰুয়ে প্ৰাচীন কীৰ্ত্তি বিলীন কৰি দিব ধৰোতেও বাজনা বজাই ব্যস্ত আছিল আমাৰো ঠিক তেনেকুৱা অৱস্থাই হৈছে যেন পাইছো।

সিদিনাখন এজন মন্ত্ৰীৰ বিৰুদ্ধে এটা কথা ওলাইছিল, তাৰবাবে এটা Enquiry Commission গঠন কৰাৰ কথা কোৱা হৈছে। সেই Enquiry Commission ৰ Report ৰ ওপৰতহে সত্যা সত্যতা প্ৰমাণিত হব।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ গোটেই ভাষনটোৰ প্ৰত্যেকটোকে কবলৈ গলে আমাৰ ৰাজ্যৰ যিটো আচল অৱস্থা সেই অৱস্থাটো প্ৰতিবিম্বিত হোৱা নাই। আমাৰ ৰাজ্যৰ আচল অৱস্থাটোৰ বিষয়ে কবলৈ গলে আমি কব লাগিব যে আমাৰ ইয়াত এটা অৰাজকতা চলি আছে। ইয়াত চৰকাৰ বুলিবলৈ কোনো নাই। ইয়াত যি চৰকাৰ বৰ্ত্তমান আছে; সেইয়া কোনো চৰকাৰ নহয়। চৰকাৰ বুলি এটা শক্তিয়ে দায়িত্ব পালন কৰি আমাৰ ৰাজ্যখন পৰিচালনা কৰিছে বুলি আমাৰ দেশৰ ৰাইজে ভাবিব নোৱাৰা হৈছে। সাধাৰণতে আমাৰ যদি কিবা চৰকাৰ বুলি আছে, তেনেহলে সেইটো এটা পুৰণি জহি খহি যোৱা এটা মেচিন, যিটো চাৰিওফালে মামৰে ধৰি অচল হৈ আছে, তথাপি তাক মেচিন যেন দেখি আৰু কেতিয়াবা তাক কাৰ্য্যক্ষেত্ৰত লগাবলৈ

*Speech not corrected

হলে যিদৰে এটা এটা অংশ লৰাই লৰাই দিব লাগে তেনেকুৱা মেচিনৰ যি অৱস্থা, আজি আমাৰ অসম চৰকাৰৰো সেই একে অৱস্থা। কিন্তু ৰাজ্যপালৰ ভাষণত কোনো এটা বিষয়ৰে বিস্তাৰিত মন্তব্য আমি দেখিবলৈ নাপাওঁ আজি দেশত কিছুমান পৰিবৰ্ত্তন ঘটিছে আৰু পৰিবৰ্ত্তনৰ বা-বতাহ বলিছে; কিন্তু আজি ভাৰতবৰ্ষৰ মূৰে মূৰে থকাৰ কাৰণে নেকি আৰু চাৰিওফালে পৰ্ব্বতৰ টিলাই আৱৰি থকাৰ কাৰণেই নেকি অসমত থকা জনসাধাৰণৰ মন পৰিস্কাৰ নহয়। নতুবা বা-বতাহ যে চলিছে, তাৰ প্ৰতিফলন ইয়াত দেখিবলৈ পোৱা নাই। বৰঞ্চ আমি দেখিবলৈ পাইছোঁ যে ৰোমৰ সম্ৰাটে যেনেকৈ ৰোম নগৰলৈ চাই চাই গান গাইছিল বজানা বজাইছিল আমাৰ অসমৰ শাসন কৰ্ত্তা সকলেও আজি তেনেকৈ এটা অৱস্থাত পৰিণত হৈছে যিদৰে ৰোমৰ সম্ৰাট নেৰুৱে হৈছিল।

(Voices—কি নেৰুৰ কথা কৈছে ?)

ৰোমৰ সম্ৰাট নেৰুৰ কথা কৈছোঁ।

প্ৰথম কথা হল সদনত যি আলোচনা হৈছে চৰকাৰে তাৰ এটা সিদ্ধান্ত কৰিছে আৰু সেই কামটো নিৰ্ণয় কৰিবলৈ এটা Inquiry Committee গঠন কৰিছে। কিন্তু মই আচৰিত হৈছোঁ যে যি মন্ত্ৰী গৰাকীৰ বিৰুদ্ধে Inquiry Committee গঠন কৰিছে আৰু এই Inquiry Committee গঠন কৰাৰ পাছত যিটোৰ বিষয়ে Inquiry কৰিবলৈ দিছে সেইটো হাতত ৰাখি নিজে কেনেকৈ Inquiry কৰিবলৈ দিছে মই কব নোৱাৰো আৰু চৰকাৰে কেনেকৈ তেওঁলোকৰ হাতত এই দোষ খিনি ৰাখি নিৰ্দ্দোষী বুলি প্ৰমাণ দিবলৈ ওলাইছে মই বুজা নাই।

ইংলণ্ডত Profuome বুলি এজন মন্ত্ৰী আছিল, সেই মন্ত্ৰীজনে কোনো দিনেই প্ৰজাৰ অনিষ্ট কৰা নাছিল যি ধৰণে আমাৰ মন্ত্ৰী কেইজনে কৰিছে, ৰাইজৰ তেজ শোষণ কৰিছে কিন্তু এনে ধৰণে সেই Profuome নামৰ মন্ত্ৰীজনে যোৱা নাছিল। কিন্তু আমাৰ মন্ত্ৰীকেইজনে ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ যোগেদি ৰাইজক সৰ্ব্বনাশ কৰি পেলাইছে। কিন্তু সমাজৰ এটা নৈতিকতাৰ ফালৰপৰা সেই মন্ত্ৰীজনে Resign দিয়াৰ দৰে অন্ততঃ আমাৰ মন্ত্ৰী কেইজনেও

এইটো কথা চিন্তা কৰিব লাগিছিল। সেই মন্ত্ৰী গৰাকীয়ে Resign দিছিল, Profuome, ইংলেণ্ডৰ মন্ত্ৰী। কিন্তু আজি আমাৰ এগৰাকী মন্ত্ৰী হাটে লোটে ধৰা পৰিল, তথাপিও তেখেতৰ বিৰুদ্ধে কিয় একো বিশেষ ব্যৱস্থা কৰিব পৰা নাই। তেখেত কিয় এতিয়াও সেই বিভাগত আছে, তেখেতেই বা তাৰপৰা আতৰি যোৱা নাই, তেখেত সকলৰ সংখ্যা গৰিষ্ঠ পাটিয়ে কিয় এতিয়াও আতৰাই দিয়া নাই।

Shri Lakshmi Prasad Goswami : যেতিয়া বস্তুটো সদনৰ সন্মুখত আছে............।

Shri Phani Bora : সেই আলোচনা কৰা নাই, মই কৈছো যে সেইটো আলোচনাৰ কাৰণে দিছে যেতিয়া তাক ঠিকমতে কৰিব লাগে। আৰু মন্ত্ৰী গৰাকী সেই বিভাগৰ পৰা আতৰি থকা উচিত। কিয় এতিয়াও আতৰি যোৱা নাই সেই বিষয়েহে প্ৰশ্ন কৰিছো।

Shri Lakshmi Prasad Goswami : মই জানো যে ২৭ তাৰিখে যেতিয়া এই প্ৰশ্নটো উঠিছিল মই নিজেই সদনত কৈছিলো যে তাৰ কাৰণে Inquiry হব লাগে।

(হাহাকাৰ)

Shri Phani Bora । মই সেই বিষয়টোৰ ভিতৰলৈ নাযাও। কিন্তু মই সদনত দাবী কৰিছো সেই মন্ত্ৰী গৰাকী সেই বিভাগত থাকিবৰ উপযুক্ততা নাই। বিচাৰ ঠিকমতে হব লাগে বিচাৰ শেষ নোহোৱালৈকে তেখেত সেই বিভাগৰ পৰা আতৰি থাকিব লাগে।

Shri Lakshmi Prasad Goswami : তেখেতে এইটো দোষ বুলি কৈছে, কিন্তু মই দোষ বুলি নাভাবো কাৰণ চৰকাৰে মোক এতিয়াও আতৰি যাবলৈ কোৱা নাই।

Shri Phani Bora : এজন পিয়নে দোষ কৰিলে তাক 'ফাইল' চুবলৈ নিদিয়ে। সেই মন্ত্ৰীকে এতিয়া বিভাগত ৰখা হৈছে, ফাইল handle কৰিবলৈ দিয়া হৈছে তেখেতে কোন ফাইলত বা কোন অফিচাৰক কেতিয়া কি হুকুম দিয়ে, তাৰ কি ঠিক আছে ?

Shri Lakshmi Prasad Goswami : তেনেকুৱা কিবা প্ৰমান পালে তেতিয়া সেই কথা আনিব লাগে ।

Shri Phani Bora : আমাৰ চৰকাৰৰ এই বিলাকেই আচনি । কিন্তু আচল কথা হল যদি কেতিয়াবা কাৰোবাৰ বিৰুদ্ধে কিবা অভিযোগ প্ৰমান হয়, অৱশ্যে সম্পূৰ্ণ প্ৰমান নহব পাৰে ; তথাপিতো প্ৰমান হলেই বিভাগ এৰি যাব লাগে । অন্যান্য দেশত এনে বিলাক মানুহক যেনে ধৰণে ব্যৱহাৰ কৰে আমাৰ ইয়াটো তেনে ধৰণেই ব্যৱহাৰ কৰিব লাগে । তেনে মানুহক জোৰ কৰি গাদিৰপৰা আতৰাই দিব লাগে । কিন্তু মই এটা কথা কব খুজিছো যে, যি সকল ক্ষমতাৰ গাদিত আছে সংখ্যাত বেচি থকাৰ সুবিধা লৈ জন-সাধাৰনৰ প্ৰাণৰ ভাষা, জনসাধাৰনৰ প্ৰাণৰ বক্তব্য শুনিব লাগে । মই দাবী কৰিছো যে জনসাধাৰনে আজি ইয়াৰ উত্তৰ বিচাৰিছে । সেই কাৰণেও মই কও যে আজি আমাৰ ইয়াত চৰকাৰ নাই ।

তাৰ পাচত আমাৰ গৰ্ভণৰ বাহাদুৰে তেখেতৰ ভাষনত ৰাজ্যৰ প্ৰশা-সনৰ কথা কৈছে । তেখেতে প্ৰশাসনীয় ব্যৱস্থা প্ৰসংশা কৰিছে । কিন্তু এইটো ইয়াত কি প্ৰসাসনীয় ব্যৱস্থা হৈছে ? যত লাখ লাখ, কোটি কোটি টকা খৰচ কৰি, গুৱাহাটীৰ ২৬ জানুৱাৰী ঘটনা Inquiry কৰিবলৈ খৰচ কৰিলে। Inquiry ৰ Report হৈ গল কিন্তু সেই Report জনসাধাৰণৰ আগলৈ উলিয়াই নিদিলে । Inquiry কৰিলে, দুখীয়া মানুহৰ বুকুৰ তেজ শোষন কৰি খৰচ কৰিলে কিন্তু আজিও সেই Report বাহিৰত দেখিবলৈ নাপালে । এই ঘটনা Inquiry Commission এ কি বিচাৰ কৰিলে ? সেইটো আজিলৈকে নাই। আমাৰ এয়ে প্ৰশাসনীয় ব্যৱস্থা। মই প্ৰশাসনীয় বাৱস্থাৰ কথা বহলাই কবলৈ নাযাও। মই উদাহৰণ স্বৰূপে কৈছো যে, সেইটো আমাৰ চৰকাৰে অস্বীকাৰ কৰিব নোৱাৰে যে আজি আমাৰ যিটো প্ৰশাসনীয় ব্যৱস্থা চলি আছে সেইটো আজি অচল হৈ পৰিছে ।

আমাৰ এটা ডাঙৰ সমস্যা হৈছে । সেই সমস্যাটো সমাধান কৰিবলৈ আমাৰ চৰকাৰে একো ব্যৱস্থা কৰা নাই । যদি এই সমস্যাটো চৰকাৰে সমাধান নকৰে তেন্তে অসমৰ বুকুতে বিপ্লৱৰ জাগৰণ হব, তাৰ ফলত অশান্তিৰ

সৃষ্টি হব। সেইটো হৈছে মাটিৰ সমস্যা। মাটিৰ সমস্যাটো অসমৰ এটা ডাঙৰ সমস্যা এই সমস্যা সমাধান কৰিবৰ কাৰণে যোৱা বাজেট অধিবেশনৰ সময়তে এখন কমিটি গঠন কৰিছিল। সেই কমিটিতে আলোচনা-বিলোচনা কৰা হল যে আমাৰ অসমত V.G.R. P.G.R. আৰু যিবিলাক Forest Land আছে, সেই বিলাক খুলি দিব লাগে। এই বিলাক কথা আলোচনা কৰা হৈছিল। আলোচনাৰ পাচত আলোচনা হল যে দুৰ্গত দুখীয়া মাটিহীন মানুহক মাটি দিব লাগে। কিন্তু সেই বিলাক মানুহক মাটি দিয়াৰ ব্যৱস্থা চৰকাৰে আজিও নকৰিলে। আমাৰ গাৰে-ভুঞে লাখ লাখ মাটিহীন মানুহে সন্তান সন্ততিক ভাত-কাপোৰ দিব পৰা নাই, পঢ়াৰ খৰচ যোগাৰ কৰিব পৰা নাই। আমাৰ পাচ পৰা সম্প্ৰদায়ৰ যি বিলাক মানুহ, Scheduled caste Scheduled Tribes ৰ মানুহ, যি বিলাক নেকি অসম মাতৃৰ আদিম সন্তান, সেই মানুহ বিলাকে মাটিৰ অভাবত খেতি কৰিব পৰা নাই, তাৰ ফলত লৰা-ছোৱালীৰ ভাত কাপোৰৰ যোগাৰ কৰিব পৰা নাই। লৰা-ছোৱালীৰ ভাত কাপোৰৰ কাৰণে ঘৰে ঘৰে ভিক্ষা কৰি ফুৰিছে। আৰু তেওঁলোকে মাটি পোৱা নাই— আৰু যদি কৰোবাত মাটি দিছে তেন্তে এই দুখীয়া মানুহ বিলাকে পোৱা নাই, পাইছে ধনী সকলে। ধনীক ধনী কৰিবলৈ এই ধনী সকলকে মাটি দি থকা হৈছে। কিন্তু তেওঁলোকক এই সুবিধাৰ পৰা বঞ্চিত কৰিবলৈ এই চৰকাৰৰ কি অধিকাৰ আছে। যি চৰকাৰে দেশৰ জন সাধাৰণক ভাত কাপোৰ দিব নোৱাৰে তেওঁলোকক সৰ্ব্বনাশ কৰাত অধিকাৰ নাই, এই চৰকাৰৰ তাৰ পাচত শুনিলো মাটি বিলোৱা হব। আজি প্ৰশ্নোত্তৰৰ সময়ত মন্ত্ৰী মহোদয়ে কলে যে ১৯৬৯ চনৰ January মাহত এখন Land Settlement Advisory Commitee বহিছিল আৰু তাৰ ঠিক ১ বছৰৰ পিচত ১৯৭০ চনৰ ফেব্ৰুৱাৰী মাহত এখন মিটিং বহিছিল। আৰু তাত কি কি আলোচনা হৈছিল আমি মেম্বাৰ সকলে জানো। এই Agenda বিলাকত কিমান বিলাক Item থাকে ঠিক নাই মাত্ৰ তাৰ ৪/৫/১০ টা মানহে Item শেষ কৰিব পৰা যায়। মই মোৰ অভিজ্ঞতাৰ পৰা এই কথা কৈছো। মই মন্ত্ৰী মহোদয়ৰ ওচৰত এইটো দাবী কৰিব খুজিছো যে অকল যি সকলে মাটি দখল কৰি আছে সেই সকলকে মাটি দিয়াত সীমাবদ্ধ নাথাকি অন্য বিলাককো মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ মন্ত্ৰী মহোদয়ে ১৪ হাজাৰ মানুহক মাটি দিয়া হৈছে। আচলতে সেই সকলে মাটি আগৰে

পৰা দখল কৰি আছিল। এতিয়া মাত্ৰ Regularise কৰা হৈছে, ডিব্ৰুগড় অঞ্চলত। নগাঁও জিলাৰ যিমান বিলাক মানুহক মাটি দিছে সেই সকল মানুহ আগৰে পৰা মাটি দখল কৰি থকা মানুহ। আজি মন্ত্ৰী ডাঙৰীয়াই কৈছে যে তেওঁলোকক উচ্ছেদ কৰিব লাগিব আৰু তাৰ পাচত পৰিকল্পিত ভাবে মাটি দিব লাগিব। এই ক্ষেত্ৰটো দেখা যাব যে লাখ লাখ ভূমিহীন মানুহে মাটিৰ Allotment নাপাব– যি সকলে আগৰে পৰা দখল কৰি আছে—কিন্তু পাব মাটি থকা ধনী মানুহ কেইজনে, যাৰ টকা আছে ঘোচ দিব পাৰে। এই দুখীয়া মানুহ খিনিয়ে মাটি নাপাব কাৰণ তেওঁলোকে টকা পইচা দিব নোৱাৰে কাকী পথাৰত মাটি দিছিল। তাৰ ৭০ ভাগ মাটি মহাজনে পাইছে। দুখীয়া মানুহৰ Cancel কৰি দিলে সেই বিলাকৰ বিচাৰ নকৰিলে। আমি পৰামৰ্শ আগবঢ়াইছো যে, Land Advisory কমিটিয়ে যদি দ্ৰুতগতিত মাটি হীনক মাটি দিব খোজে তেন্তে উচ্ছেদ বন্ধ কৰক আৰু এটা সময় নিৰ্দ্ধাৰিত কৰি লোৱা হওক -১৯৭০ চনত কাকো কতো উচ্ছেদ কৰা নহব। যি বিলাক য'ত বহি আছে তাতে থাকক। বহি থকা মানুহ বিলাক মাটিহীন হয় নে নহয় আৰু সেই বিলাকক মাটি দিবৰ কাৰণে মণ্ডল কানুনগুক নিৰ্দ্দেশ দিয়া হব যদি মাটি হয় তেন্তে পট্টা দিয়ক। কেৰেলা প্ৰদেশত এইটো কৰিছে—আঢ়ৈ লাখ তিনি-লাখ মানুহক মাটি দিছে। আমাৰ অসমত কি হৈছে? বৰপেটাৰ কাৰৈমাৰী গ্ৰেজীং ৰিজাৰ্ভত যি বিলাক মানুহ বহি আছে সেই বিলাকক মন্ত্ৰী ডাঙৰীয়াই মাৰি কিলাই, ধান বিলাক হাতী ম'হ লগাই খুৱালে লৰা-ছোৱালীৰ কান্দোনৰ ৰোল তুলিলে তিৰোতাৰ চকুপানী বোৱালে।

Shri Mahendra Mohan Choudhury (Minister, Revenue): কথাটো বুজিব পৰা নাই। এইটো Point of clarification-কথাটো হৈছে কিছুমান ঠাইত মানুহ বহি আছে আৰু তাত Land Advisory কমিটিয়ে কিছুমানক Allotement দিছে। সেইবিলাক মানুহক উচ্ছেদ কৰা নাই। আনফালে মাটি বেদখল কৰা মানুহক মাটি নোহোৱা হোৱা বুলি পট্টা দিব লাগে। সেই বিলাক মানুহক পট্টা দিব পৰা নাই।

Shri Phani Bora: সহজ। যিবিলাকে বছৰৰ পিচত বছৰ ধৰি ১০ বছৰ বহি আছে সেই বিলাক ঠাইত যদি আন কিছুমান মানুহক বহুৱাই দিয়া হয়

তেন্তে দুই দলৰ মাজত এখন কাজিয়া লগাৰ চক্ৰান্ত কৰি লোট কৰা হয়। মই কব খুজিছো যদি বহি থকা মানুহক পট্টা Issue কৰা নাই, পিচত বেদখল কৰি আছে তাত মাটিহীন মানুহৰ লিষ্ট কৰি সেই বিলাকত বাকী মানুহখিনি বহুৱাই দিয়ক। তেতিয়াহলে দুয়ো দলৰ ভিতৰত কাজিয়া নহয়। এতিয়া মাটিৰ কমিটিয়ে দিলে আৰু মন্ত্ৰী ডাঙৰীয়াই লাঠি লগাব, এইটোৱেই আমাৰ পৰামৰ্শ নে? অতিয়া Eviction লগাই দিলে। একশ টকা নাপালে মণ্ডলে জমি বিলাক নিদিয়ে।

Shri Mahendra Mohan Choudhury : তেওঁলোক তাত বহুদিন থকা নাই।

Shri Phani Bora : চাৰ, যিখিনি মানুহক মাটি দিব লাগে সেই খিনি মানুহে মাটি লব নোৱাৰে। কাৰণ মণ্ডলক দিবৰ কাৰণে তেওঁলোকৰ পইচা নাই। সেই বিলাক মানুহৰ নামত গোটাই লৈছো যিচত যি কৰিব লাগে কৰিম। এতিয়া মন্ত্ৰী ডাঙৰীয়াই কৈছে Fresh encroacher ক উচ্ছেদ কৰাৰ সিদ্ধান্ত লৈছে। অফিচাৰ সকলে বে-আইনী ভাৱে কৰিছে আৰু তাক চৰকাৰে মানি লৈছে যে এইটো আইনসঙ্গত হৈছে। মাটিৰ কাৰণে হাহাঁকাৰ কৰি ফুৰা বুকুৰ হাৰছাল উলোৱা যিবিলাক মানুহে দখল কৰি আছে তেওঁলোকক Fresh encroacher বুলি উচ্ছেদ কৰিব খুজিছে আৰু আচৰিত ধৰণে Charge কৰিব বিচাৰিছে তাত কংগ্ৰেছে যিবিলাক মানুহক যদিও বে আইনী ভাৱে বহুৱাই দিলে সেই বিলাকক দলীয় স্বাৰ্থৰ খাতিৰত মাটি বন্দবস্তি দিলে। যি বিলাকক কংগ্ৰেছে বহুৱা নাই সেই মানুহখিনিক উচ্ছেদ কৰাৰ মতলবত Discrimination কৰা হৈছে। এই সংক্ৰান্তত দলীয় দৃষ্টি ভঙ্গিৰে কৰা হৈছে। যদি প্ৰকৃত পক্ষে তিনি বছৰৰ আগতে দাখিল কৰি থকা মাটিহীন মানুহ হয় তেন্তে তেওঁলোকক মাটি দিব লাগিব। যদি গাৰ জুৰেৰে তেওঁলোকক অত্যাচাৰ কৰি আৰু মানুহক Land lord কৰিব খুজিছে তাত আপত্তি নাই। ছালচিগা মানুহৰ ওপৰত বে-আইনী ভাৱে অত্যাচাৰ কৰিলে ৰক্তাৰক্তি হব মই কৈছো। সেইটো হব কাৰণ মাটিহীন মানুহ বিলাকে মাটি এৰি নিদিয়ে। কিয় মাটিৰ সমস্যা কৰিব নোৱাৰিব। ইন্দিৰাৰ দলত যোগদান কৰা ইন্দিৰা দলৰ সভাপতি শ্ৰীজগজীৱন ৰামে কৈছে যে, মাটি দখল কৰি থকা মানহ বিলাক যদি মাটিহীন হয় তেন্তে তেওঁলোকক পট্টা

দিব লাগে। এই মাটিৰ সমস্যা আলোচনাৰ কাৰণে Cuief Minister ৰ সন্মুখত দাঙি ধৰা হৈছে। ভাৰতৰ বিভিন্ন প্ৰদেশত মাটি সমস্যা সমাধানৰ কাৰণে ব্যৱস্থা হাতত লৈছে সেই বিলাক ব্যৱস্থা অসম চৰকাৰে লব খোজা নাই। কেৱল মহাজনে কিছুমান মহাজনে অৰ্থৰ চুক্তি দি খাই আছে, এইটোৱেই Registance নেকি বুজা নাই। কংগ্ৰেছ পক্ষই কংগ্ৰেছৰ ex mine কমিটিৰ Resolution হোৱাৰ পিচত Revise কৰে নে নাই চাব খুজিছো। যদি প্ৰকৃত পক্ষে গ্ৰাম্য অঞ্চলৰ অৰ্থনৈতিক জীৱনৰ, সামাজিক জীৱনৰ পৰিবৰ্ত্তন আনিব খুজিছে তেন্তে জমিদাৰ বিলাকৰ কথা মতে কাম কৰিলে নহব, কংগ্ৰেছে বহুৱাই দিয়া বিলাকক মাটি দিয়া আৰু বাকী বিলাকক মাটিৰ পৰা উচ্ছেদ কৰা, এইটো দলীয় দৃষ্টি ভঙ্গীৰ প্ৰভাৱান্বিত হলে দোষী সাব্যস্ত হব। তাৰ পিচত আৰু এটা আচৰিত কথা হৈছে। তাক আমি সহ্য নকৰিম সেইটো হৈছে তেওঁলোকে বেকাৰ সমস্যা সমাধান কৰাৰ কাৰণে কোনো পথ নোলোৱাকৈ, কোনো পদ্ধতিৰ কথা চিন্তা নকৰাকৈ এতিয়া শিক্ষা সংকোচন নীতি আৰম্ভ কৰিছে। যদি বুকুত সাহস আছে তেন্তে স্কুল কলেজ উঠাই দিয়ক কিন্তু Indirect পদ্ধতি চৰকাৰে হাতত নলব। Indirect পদ্ধতিত স্কুল, কলেজ গ্ৰাণ্ট দিয়া বন্ধ কৰা বা Deficit grant কৰা। তেতিয়াহলে কম কম দৰমহাত মাষ্টৰে থাব নোৱাৰিব। ল'ৰা-ছোৱালীৰ Fees বঢ়াই দিব, তেতিয়া শিক্ষাৰ নিশ্চয় সংকোচন হব। Training Institute ত শিক্ষিতক চাকৰি দিব পৰা নাই। সেই কাৰণে Training Institute বন্ধ কৰাৰ কাৰণে নানা চক্ৰান্ত কৰিছে। যদি বন্ধ কৰিব বিচাৰিছে তেন্তে গাৰ জোৰেৰে তৎক্ষণাত বন্ধ কৰক পৰোক্ষ ভাৱে নহয়।

প্ৰাইমেৰী শিক্ষাৰ কাৰণে পইচা নাই বুলি কয়। প্ৰাইমেৰী স্কুল এখনৰ গ্ৰাণ্টৰ সংক্ৰান্তত এজন মন্ত্ৰীৰ ওচৰৰ পৰা আন এজন মন্ত্ৰীৰ ওচৰলৈ যাও এজন মন্ত্ৰীয়ে কৈছে পইচা বিচাৰি প্ৰস্তাৱ পঠাইছো। প্ৰস্তাৱটো এতিয়াও অহা নাই।

## ADJOURNMENT

The House then adjourned for lunch till 2 p. m.

## ( AFTER LUNCH )

*Shri Phani Bora : মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ চৰকাৰে শিক্ষাৰ সংকোচিত কৰাৰ কাৰণে যি পৰোক্ষ নীতি আহবায়ন কৰিছে সেই নীতিয়ে আমাৰ জাতীয় জীৱনৰ কাৰণে সংস্কৃতি জীৱনৰ কাৰণে আৰু আমাৰ উঠি অহা ল'ৰা ছোৱালীৰ কাৰণে ঘোৰ ক্ষতি হৈছে আৰু তাৰ বিৰোধিতা কৰি মই দুৰ্ঘোৰ প্ৰতিবাদ কৰিছো। এই নীতি সংকোচন কৰিবলৈ যিমানেই চেষ্টা কৰক বা নকৰক, এইটো জনসাধাৰণৰ সমস্যা আৰু ইয়াক উদীয়মান যুৱক সকলৰ মাজত ঢাকি ৰখাটো সম্ভৱ নহব। সেই কাৰণেই মই চৰকাৰৰ এই নীতি প্ৰতি-ৰোধ কৰিবলৈ বাধ্য হৈছো।

উপাধ্যক্ষ মহোদয় এটা কথা ২৩ বছৰ হৈ গল যে আমাৰ সংবিধান মতে আমাৰ দেশৰ ল'ৰা-ছোৱালী বিলাকে compulsory প্ৰাথমিক শিক্ষা পাব লাগে। কিন্তু আজিও বাধ্যতা মূলক প্ৰাথমিক শিক্ষা দিব নোৱাৰিলো বৰং এতিয়া প্ৰাথমিক শিক্ষা সংকোচিত কৰাহে চেষ্টা কৰিছে তাতকৈ আৰু পৰিতাপৰ কথা কি হব পাৰে? আজিও কিছুমান গাও অঞ্চলত আমাৰ দুখীয়া খেতিয়ক সকলে জঙ্গলৰ পৰা কান্ধত কাঠ, খেৰ, বাঁহ ইত্যাদি কাটি কঢ়িয়াই আনি স্কুল ঘৰ নিৰ্ম্মান কৰি নিদিলে স্কুল ঘৰেই হৈ নুঠে তাতো এজন শিক্ষক দিয়াত চৰকাৰ দায়িত্ব পালনত ব্যৰ্থ হৈছে। ধুমুহাই সেই ঘৰ ভাঙিলে তাক মেৰামতি কৰিবলৈও চৰকাৰে সুবিধা দিব নোৱাৰে।

এই সম্বন্ধে শিক্ষা মন্ত্ৰীৰ ওচৰলৈ আহিলে কয় যে Revenue Deptt য়ে কোনো Report এতিয়ালৈকে দিয়া নাই আৰু ৰাজহ বিভাগলৈ আহিলে কয় Finance য়ে এতিয়ালৈ কোনো sanctione দিয়া নাই। অথচ মাৰ্চ্চৰ শেষত গোটেই sanctions বোৰ আহি পৰে কিয় এনেবোৰ হব লাগে? চাহ বাগানৰ স্কুল বিলাকত যি দুৰবস্থা হৈছে সেইটো কথা নকলেও হব আৰু Tribal স্কুলৰ কথাটো কবই নোৱাৰি। সেই কাৰণেই কও যে এই বিলাক অঞ্চলত এতি-য়াও প্ৰাথমিক শিক্ষা বাধ্যতা মূলক কৰাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই।

উপাধ্যক্ষ মহোদয়, মই দেখিবলৈ পাইছো কংগ্ৰেছ চৰকাৰে তেওঁলোকৰ এটা standing committee কৰিছে মন্ত্ৰী মহোদয়ক সেই বিষয়ে পৰামৰ্শ দিবৰ কাৰণে। গণতন্ত্ৰ ভোটত তেওঁলোকে শাসন কৰিবলৈ হলে তেওঁলোকে

*Speech not corrected

অন্তত সকলো পক্ষৰ মানুহ লৈ এই standing committee গঠন কৰিব লাগে। বৰ্ত্তমান Minister সকলক যেনে Education deptt, Industry deptt, Finance deptt, Home deptt, supply deptt, আৰু Cooperative deptt বিশেষকৈ Cooperative deptt আদি সকলোতে পৰামৰ্শ আগবঢ়াব লাগে। আজি যেনেকৈ দেখা যায় যে Parliament ত গণতান্ত্ৰিক ভিত্তিত সকলো ধৰণৰ সদস্য লৈ consultative কমিটি গঠন কৰি সৰ্ব্বসন্মতি ক্ৰমে যিবোৰ প্ৰস্তাৱ বা পৰামৰ্শ আগবঢ়াব সেইবোৰ আজি লবলৈ চৰকাৰ বাধ্য হয়। যিহেতু Parliament য়ে সেই ধৰণে সকলো সদস্য লৈ কমিটি গঠন কৰিব পাৰে, আমাৰ বিধান সভাত সেইটো কিয় কৰিব নোৱাৰে ? প্ৰত্যেক বিভাগৰ কাৰণে কিয় standing Committee কৰিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, মই এটা কথা কৈ শেষ কৰিম। ৰাজ্যৰ ৰাজধানী সম্বন্ধে সকলো সদস্যই কৈ গৈছে কিন্তু আজি মই এটা কথা চৰকাৰক কব খুজিছো যে চৰকাৰে যেতিয়া কিছুমান office ভৈয়ামলৈ নিছে কিয় এইদৰে যতে ততে লৈ গৈছে ? কিছুমান office লৈ গৈ কাৰোবাৰ বাৰান্দাত কিছুমান পাগঘৰৰ চুকত পাতিছেগৈ। গতিকে এইদৰে যেনে পাই তেনে নিনি ৰাজ্যৰ যি বিলাক অত্যন্ত প্ৰয়োজনীয় deptt সেই বিলাক তুলি নি যি কোনো এখন ভাল ঠাই selection কৰি তাতেই পাতিব লাগে। এতিয়াৰ দৰে দুৰ্গাপূজাত বাতাচা হৰিলুট নকৰি প্ৰকৃত পক্ষে একোখন ভাল ঠাই নিযুক্ত কৰি সকলো সদস্যকে লৈ আলোচনা কৰি সেই ঠাইলৈ ৰাজধানী স্থানান্তৰ কৰিব লাগে আৰু আজি কালি যিবিলাক ডাঙৰ ডাঙৰ ৰাজ্যৰ ৰাজধানী নিৰ্ম্মান হৈছে সেই নমুনাৰে এই ৰাজধানীখন নিৰ্ম্মান কৰিব লাগে। ভালদৰে plan আৰু পৰিকল্পনা ৰচনা কৰি একে ঠাইতেই মন্ত্ৰী অফিচাৰ বা কেৰানীৰ কাৰণে গৃহাবাহ নিৰ্ম্মান কৰিব লাগে আৰু ওচৰা ওচৰিকৈ office ঘৰো নিৰ্ম্মান কৰিব লাগে যাতে দুখীয়া ৰাইজৰ ধন অনাহঁকতে অপচয় নহয় কাৰণ দূৰত office হলে বা মন্ত্ৰী আৰু officer সকল অইন অইন ঠাইত থাকিলে এই দুখীয়া ৰাইজৰ অহা-যোৱা কৰি থাকোতেই বহুত খিনি খৰচ এনেয়ে বাঢ়ি যায়।

এইখিনি কৈয়েই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ ব্যক্তব্য সামৰনি মাৰিলো।

Shri Abala Kanta Goswami : Mr. Deputy Speaker, Sir, first of all I thank you for allowing me to speak. I am a man of few words, so I think 10 minutes will be sufficient for me.

Sir, first of all, I would like to say that the Governor in his speech has referred to sancion of D. A. at the flat rate of Rs. 20 to the State employees drawing less than Rs. 750 a month and this benefit has been extended to the teachers and other employees of aided high schools as well as to the teachers of the schools under the Board of Elementary Education. But it is surprising that the employees of aided colleges have been denied this benefit. I do not understand the reason thereof. I scratched my head for a long time in order to find out the reason, but I failed to do it. Some of the professors and other employees of aided colleges draw less than Rs. 750/— and they belong to the same category as the teachers and employees of aided high schools. Why then is this benefit denied to them ?

Shri Joy Bhadra Hagjer : We are taking action on that.

Shri Abala Kanta Goswami : Palpably it seems to me that it is an unjustifiable discrimination. I hope and I am glad to hear from the Education Minister that they are taking some action towards that.

As regards recurring and non-recurring grants given to the aided colleges, I am afraid there have been no definite plan and policy ; the only policy that has been followed seems to be favouritism and, for want of a better word, I may call it pressurism. I think the Finance Minister also in

his budget speech admits this to some extent. The story goes that Government sanctioned deficit grants to some colleges and then withdrew those orders and then again re-issued them. I do not know why such things happen in an organised Government. It is also reported that because some of the Minister, including the Chief Minister, are interested in different colleges that is why deficit grants have been sanctioned to these colleges. I wish the story is not true, but any way such reports circulate and we hear these things not only from the members on this side but also from members on the other side of the House. Further, in giving non-recurring grants to non-Government aided colleges the same story is repeated. It is ture it is not possible for the Government with their limited resources to improve the condition of these colleges immediately by giving adequate grants, but if grants are to be given they should be given after a careful study of the comparative needs of these colleges and following some definite policy. If this is done then only we can say that grants are properly given to the institutions and they may become poperly useful.

Secondly, this year it is reported that some grants were sanctioned to some aided schools, orders were issued and the schools also received the orders and then those orders were withdrawn, I do not think this kind of things enhances the prestige of a Government. If grants are to be given and orders are issued these should be given finally and not be withdrawn after a few days. This year we have seen, especially in the last week of March, that people from

different aided collges and aided schoo's crowding the office of the D. P. I. They came from all corners of Assam. I have seen people coming from Karimaganj, from North Lakhimpur as well as from Dhubri. The office was so crowded that it was difficult to make one's way through them into the room of the D. P. I. or the Additional D. P. I. Why ? Because, as I gathered from them, they did not receive any orders for increased grants or non-recurring grants for arrear D. A. and so on and so forth. I do not understand why all these things cannot be done just in good time. There is the policy of the Government, the amount is allotted in the budget and then there are officers there and the Ministers are also there. Why these things could not be done in the month of February or in the early part of March ? If that was done these people would not have been required to come to Shillong and spend a larger amount for getting the order from the Government. I think Government should be alert and do things at the proper time so that people are not put to difficulty. This year probably the Ministers did not know where they stood ; some of them were thinking that they might not be in the Cabinet. That is probably the reason why they were not taking any trouble for issuing orders or directions to the Department. But any way, whether they remain as Ministers or not in future, so long as they are Ministers it is expected that they do their duties properly and in good time. Also I think there may be another factor. Probably the Ministers interfere very much in the work of the Depart-

ment. Propably they do not allow the Officers of the Department, the highest Officer of the Department also to do things on their own accord. I think it should be the policy of the Government to dictate what they should do in general so that they may work out the details in conformity with the policy or the direction given by the Ministers. For these things these difficulties have arisen this year and in future let me hope that these difficulties will be avoided so that all concerned may get things done in proper time.

As regards employment I would like to submit a few words. The Governor in his speech has made only a casual reference to the employment problem of the State of Assam. It is because, I think the Government has not been able to see their way to make room for more employment and they are in a wilderness. No scheme for giving opportunities of employment has been put before the public by the Government. There is on paper the policy that the children of the soil should have preference in employment in industries in public and private sector. But this policy is on paper only. Government has failed to implement this policy for reasons best known to them. I would request the Ministers and the Government to see that the local youths who are unemployed now may get preference not only in Government service but also in the industries and other companies under the control of the Government, the public as well as private individuals.

Sir, with these words, I resume my seat.

*Shri Atul Chandra Goswami : উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষন পঢ়িলো কিন্তু সেইখনৰ পৰা এনে এটা অনুমান হৈছে যেন ঘৰপোৰা সময়তো নন্দে আনন্দ কৰে। আজি ২২ বছৰৰ বিকলতা আগতলৈ ৰাজ্যপালে ভাষন দিছে। আকৌ পুৰণি অধ্যায়ৰ পাত লুটিওৱা বুলিহে কৈছে। আজি চৌধুৰী ডাঙৰীয়া, বনিক্য ডাঙৰীয়াইও কি কৈছে যে মেঘালয় ৰাজ্য হোৱাৰ পিচত অসমৰ ৰাজধানী শ্বিলংত থকাৰ কোনো যুক্তি নাই। ভাষনৰ ১৬ পৃষ্ঠাত অসম দেশ-খন নদন-বদন হৈছে আৰু কোনো সমস্যাই নাই এনে ধৰণৰ কথা কৈছে। ইয়াৰ দ্বাৰা জনসাধাৰণ আৰু সদস্যসকলক প্ৰতাৰনা কৰাহে হৈছে।

আজি ২২ বছৰে আমাৰ দেশৰ কৃষকক পানীযোগানৰ ব্যৱস্থা কৰিব পৰা নাই। যোৱা বাজেট অধিবেশনত ৰাজ্যপালৰ ভাষনত কলিয়াবৰ circle ত পানী যোগান উত্তোলিত ব্যৱস্থাৰে হব বুলি কৈছিল যদিও আজিলৈকে একো হোৱা নাই। এনেকি কলঙৰ মুখখনো খনা হোৱা নাই। তেন্তে এই চৰকাৰ আৰু মন্ত্ৰীসকল থকাৰ উদ্দেশ্য কি? ৭৫০ টকাৰ কম দৰমহা পোৱা চৰকাৰী চাকৰিয়াল সকলক ২০ টকাকৈ দিয়া হব বুলি কৈছিল। শিক্ষকসকলৰ কথাও শিক্ষামন্ত্ৰীয়ে কৈছিল; কিন্তু সাহায্যপ্ৰাপ্ত হাইস্কুলৰ চকীদাৰ সকলৰ কথা কোনেও ভৱা দেখা নাপাওঁ। তাত বোধ হয় ৩০ লাখ টকাহে দৰকাৰ হব।

অসমক উদ্যোগীকৰণ কৰাৰ নামত যি এটা উদ্যোগ বিভাগ আছে তাৰো কোনো কামত আগবঢ়া আমি দেখা পোৱা নাই। বিজুলী শক্তি যোগান ধৰাটো এটা ডাঙৰ সমস্যা, কিন্তু অসমত ইয়াৰ charge ইমান বেছি লয় কি কাৰণত নাজানো। অন্ধ্ৰপ্ৰদেশত ৬/৭ পইচা লয় আমাৰ ইয়াত ২৬ পইচা লয়।

গ্ৰাম্যাঞ্চল উদ্যোগীকৰণৰ নামত ঢোল কোবাইছে কিন্তু কোনো কাম হোৱা নাই। কুঠৰি কুৰঁৰীতোল আদিত গধূলি লাইটৰ পোহৰত ডেকা-গাভৰুয়ে লাৰে-লাপ্পা সঙ্গীত গাইছে। কাঠৰ খুটা এবাৰ পুতিছে, এবাৰ লোহাৰ খুটা কিন্তু কোনো কাম হোৱা নাই।

Shri Kamakhya Prasad Tripathi : মৰিগাওঁৰ Pilot-Project কেনে হৈছে ?

*Speech not corrected

**Shri Atual Chandra Goswami :** সেইটো ভাল হৈছে। তাৰ কাৰণে আমি ভাল পাইছো। আন এটা কথা হ'ল ৰাইজৰ শান্তিপূৰ্ণ আন্দোলন চলি থকা কাৰণে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী ইয়ালৈ আহিব নোৱাৰিলে। তাৰ কাৰণে দুখ পাইছো। ইম্ফললৈ গ'ল কিন্তু প্ৰধান মন্ত্ৰী ইমান ভয়াতুৰ নহয় বুলিহে মই ভাবো। আন এটা কথা হৈছে যে যেতিয়া আমাৰ ৰাইজৰ আন্দোলন হৈছিল, তেতিয়া শান্তিপূৰ্ণ ভাবেই আন্দোলন চলিছে বুলি স্বীকাৰ কৰাৰ পাছতো ৰাজ্যপালে কৈছে যে আন্দোলন চলি থকাৰ কাৰণে প্ৰধানমন্ত্ৰী ইয়ালৈ আহিব নোৱাৰিলে। কিন্তু শান্তিপূৰ্ণ ভাৱে আন্দোলন চলি থকা স্বত্বেও প্ৰধান মন্ত্ৰী ইয়ালৈ আহিব নোৱাৰাটো বৰ দুখৰ কথা আৰু প্ৰধানমন্ত্ৰী ইমান ভয়াতুৰ নে যে তেখেত ইয়ালৈ আহিব নোৱাৰে? কিন্তু ইফালে ইম্ফলত সেই ভয়াতুৰ ইন্দিৰা নেহৰুৱে দেখোন কৈছিল "আমি বৃটিছৰ গুলিলৈকো ভয় কৰা নাছিলোঁ। আৰু আমি এতিয়া যুদ্ধলৈকো ভয় নকৰো। তেনেকুৱা সাহিয়াল ইন্দিৰা নেহেৰুৱে কিয় আন্দোলনৰ সময়ত ইয়ালৈ আহিব নোৱাৰিলে ?

(A Voice : ইন্দিৰা নেহেৰু নহয়; ইন্দিৰা গান্ধীহে)

মই ইন্দিৰা নেহেৰু বুলিয়েই কম। কাৰণ তেওঁ জৱাহৰ লাল নেহেৰুৰ জীয়েক কাৰণে নেহেৰুৰ ফালৰ প'ৰাহে বেছি পৰিচিত।

ইন্দিৰা নেহেৰু ইয়ালৈ নহাৰ এটা কাৰণ আছে। যিহেতুকে অসমৰ কংগ্ৰেছৰ এনেকুৱা এটা কথা ওলাইছিল আৰু এনেকুৱা এটা ভাল ভাল অৱস্থাৰ সৃষ্টি হৈছিল যে যাৰ ফলত অসম চৰকাৰে ইয়ালৈ আহিবলৈ বাধা দিছিল; নহলে তেওঁ আহিব নোৱাৰাৰ কোনো কাৰণ নাছিল।

তাৰ পাছত অসমৰ বিষয়ে আমি সৰু কালৰ পৰাই পঢ়িছোঁ। আৰু তাত আমি লাচিতৰ বিষয়ে জানিছোঁ আৰু লাচিতৰ পৰিচয় পাইছোঁ। যে লাচিতে জ্বৰৰ অৱস্থাৰে ৰণক্ষেত্ৰলৈ গৈছিল আৰু যুদ্ধ কৰি অসমত মোগলৰ আক্ৰমন বন্ধ কৰি দিছিল। কিন্তু আজি অসুস্থ বুলি আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনলৈ নাহি বিছনাত বহি আছে। তেখেত যদি বিধান সভালৈ আহিবৰ ইচ্ছা নহয়, তেন্তে তেখেতক গুচাই দিয়ক আৰু নতুন এজন পাতক নহলে তেখেত ইয়ালৈ আহি থমথমকৈ বহি থাকক—অন্তত: চেহেৰাটোকে চালেও আমাৰ ভাল

লাগিব। এতিয়া তেখেতৰ ঠাইটো খালি হৈ আছে। যদি বিধান সভা চলি থাকোতেও খালি কৰিয়েই ৰাখে—তেন্তে কোনদিনা ইয়ালৈ আহি বহিবহি। যদি একেবাৰে আহিবই নোৱাৰে তেন্তে গোচাই দিয়ক।

অৱশ্যে এতিয়া তেখেতক যদি চিকিৎসা কৰি আছে, তেন্তে তাত আমাৰ অকনো দোষ নাই। আমিও কওঁ বেমাৰ হৈছে, চিকিৎসা কৰিব লাগে। যদি মন্ত্রী মহোদয়ক চিকিৎসাৰ কাৰণে চুইজাৰলেণ্ডলৈকো পঠাই দিয়ে। তেন্তে ভাল কথা; তাত আমাৰ আপত্তি নাই। যতেই নহক চিকিৎসা কৰি ভাল কৰিব লাগে।

(A voice—Interview test ত পাছ কৰিছে নহয়)

Shri Rothindra Nath Sen : মুখ্য মন্ত্রী হৈ এনেকৈ বহি থাকিলে নহব। আমাৰ ৰাইজৰ প্ৰতিও চিন্তা কৰি চাব লাগিব।

Shri Atual Chandra Goswami : অসমৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে অৰ্থনৈতিক বিকাশৰ কাৰণে সকলোৱে চেষ্টা কৰিব লাগে। উদ্যোগ পাতি বৃদ্ধি কৰিব লাগে। বৃটিছ যোৱাৰ পাচত অসম চৰকাৰে বা ভাৰত চৰকাৰৰ উদ্দেশ্য আছিল যে বাহিৰা শিল্প বা তেল শোধানাগাৰৰ যোগেদি কেনেকৈ উদ্যোগপাতি বিলাকক ধনী কৰিব পাৰি আৰু তাৰ দ্বাৰা জনসাধাৰণে কেনেকৈ ধনী হব পাৰি। কিন্তু আজি দেখিছোঁ নিজেহে কেনেকৈ ধনী হয় তালৈহে চাই আছে।

তাৰ পাছত চাহ-বাগিছাৰ কথা কওঁ। চাহ বাগিছাৰ মজদুৰ সকলৰ কাৰণে একো ব্যৱস্থাই কৰা নাই। তেওঁলোকৰ লৰা-ছোৱালী আছে. সেইবিলাকৰ পঢ়াৰ কাৰণে একো স্থবিধা দিয়া নাই। চাহ-বাগিছা বিলাকত সৰু সৰু ল'ৰা-ছোৱালীক পঢ়াবৰ কাৰণে শিক্ষকো নিয়োগ কৰা নাই। বৰঞ্চ উপযুক্ত শিক্ষাৰ পৰা ছাত্র আৰু ছাত্রী সকলক বঞ্চিতহে কৰা হৈছে। তাত যি সকল শিক্ষক আছে তেওঁলোকৰো কোনো সংস্থাপনৰ ব্যৱস্থা কৰা নাই : গতিকে অতি সোনকালে শিক্ষক সকলৰ সংস্থাপন হব লাগে।

Shri Kamakhya Prasad Tripathi : অলপতে শিক্ষক আৰু মালিকসকলৰ মাজত এটা চুক্তি হৈছে; সেই চুক্তি মতেহে তেওঁলোকক ৰখা হৈছে। মাননীয় সদস্যই এইটো কথা জনা উচিত।

**Shri Atual Chandra Goswami**: কলেজ আৰু প্ৰাইমাৰী স্তৰৰ শিক্ষাৰ বিষয়ে আমাৰ মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই কৈছে যে সংবিধান মতে আমাক যি খিনি সাধাৰণ নিয়ম দিছে সেইমতে ১৪ বছৰীয়া ল'ৰা-ছোৱালীক যি স্কুলীয়া শিক্ষা দিব লাগে সেইটো আজি ২৩ বছৰেও সংস্থাপন কৰিব নোৱাৰাটো বৰ দুখৰ কথা আৰু এইটো বৰ অন্যায় হৈছে।

তাৰ পাছত অন্যান্য বিতৰণৰ ক্ষেত্ৰত যি ধৰণে হস্তক্ষেপ হৈছে সেইটো সচাকৈ বৰ পৰিতাপৰ কথা। যিখন স্কুল কলেজৰ যিমান ছাত্ৰ সংখ্যা বা শিক্ষকৰ সংখ্যা আছে, তাত সেই সংখ্যামতে গোটেই খিনিৰে মানদণ্ড ৰাখি চৰকাৰে grant দিব লাগে। কিন্তু কিছুমান স্কুলত ছাত্ৰ আৰু শিক্ষকৰ সংখ্যা যথেষ্ঠ আছে, সেই বিলাকত grant দিয়া নাই। কিন্তু যত ছাত্ৰৰ সংখ্যাও কম আৰু শিক্ষকো যথেষ্ট নহয়, তেনেকুৱা স্কুলকেই grant দিছে। তেনেকুৱা স্কুলৰ উদাহৰণ লাগিলে মই বহুতো দিব পাৰো।

অধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা সমাধান কৰিবলৈ হলে আমি ক্ষুদ্ৰ উদ্যোগৰ বা কুটিৰ শিল্পৰ Sourse সাধিব লাগিব আৰু এই উদ্যোগ বা কুটিৰ শিল্পৰ জৰিয়তে আমাৰ ভবিষ্যতৰ কাৰণে যদি শিক্ষিত ডেকা সকলক সামৰি লোৱা নেযায় তেনেহলে আমি বৃহৎ উদ্যোগৰ কথা ভাবিব নোৱাৰোঁ আৰু তেওঁলোকক বৃহৎ উদ্যোগৰ প্ৰতি আকৰ্ষিত বা ক্ষুদ্ৰ উদ্যোগবোৰক বৃহৎ উদ্যোগলৈ ৰূপায়িত কৰিব নোৱাৰিম। কাৰণ ইন্দিৰা নেহৰুৱে ৰাজ্যসভা আৰু লোকসভাত যি বক্তৃতা দিলে তেওঁৰ তাতেই সকলো কাম শেষ হৈ আছে।

তেওঁ সেই বক্তৃতাতেই আমাৰ অসমত সকলো খিনি দিলে, অসমে তেওঁৰ বক্তৃতাতেই পালে ক্ষুদ্ৰ উদ্যোগ, বৃহৎ উদ্যোগ, তেল শোধনাগাৰ, পেট্ৰকেমিকেল কমপ্লেক্স আৰু বহুতো শিল্প। এই সকলো বিলাক উদ্যোগেই পালে বুলি ইন্দিৰা নেহৰুৱে ইয়াত ঢোল পৰ্য্যন্ত কোবাইছে। কিন্তু ঢোল কোবালেও বা কাগজে পত্ৰে বহুতো বক্তৃতা দিলেও আমি দ্বিতীয় তেল শোধনাগাৰ নেপাওঁ। তাৰ ঠাইত প্ৰথম শোধনাগাৰটোতে তেলৰ পৰিমান কিবা এটা মেট্ৰিকটনলৈ বঢ়াই দিব পাৰে, তথাপিও তেওঁ নতুন শোধনাগাৰ স্থাপন কৰাত নাই। কিন্তু এইটোতে আমাৰ ৰাইজ সন্তুষ্ট নহয়। সেই কাৰণে আমাৰ অসম চৰকাৰে এটা বৃহৎ শিল্প

উদ্যোগ আৰু Petro chemical complex দিবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত কৰিছে বুলি আমাক আশ্বাস দিব লাগিছিল ; কিন্তু এই আশ্বাস আমাৰ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষনতো নোপোৱাত আমি যথেষ্ট দুখ পাইছোঁ। (সময়ৰ সঙ্কেত) সময়ো শেষ হৈছে। গতিকে মোৰ বক্তৃতাও আজিলৈ ইমানতে সামৰনি মাৰিলোঁ।

*Mr. Shamsul Huda : উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান ৰাজ্যপাল মহোদয়ৰ ওপৰত আমাৰ মাননীয় সদস্য সকলে যিটো অভিযোগ আনিছে সেইটোৰ বিষয়ে ময়ো দুটামান কথা কবলৈ ওলাইছোঁ। এই বছৰ ৰাজ্যপালৰ ভাষনত আমি দেখিবলৈ পালোঁ যে ৰাজ্যপালে গতানুগতিক ভাবে আগৰদৰেই আমাৰ মনত উদ্বেগ আৰু আশঙ্কাৰ সৃষ্টি কৰিছে, আৰু এই ভাষনটোৱে আমাক আগতকৈ বেছিহে নিৰুৎসাহ কৰিছে। যিহেতুকে বৰ্ত্তমান চৰকাৰে এই শাসন ব্যৱস্থা আৰু এই সমাজ ব্যৱস্থা অতি সোনকালে ধ্বংস কৰিব ধৰিছে আৰু ৰাজ্যখনত এটা বিশৃঙ্খল অৱস্থাৰ সৃষ্টি হোৱা আমি দেখিবলৈ পাইছোঁ। তাৰ মূল কাৰণ হৈছে বৰ্ত্তমান অসমত যি চৰকাৰ আছে আৰু যি চৰকাৰে গণতন্ত্ৰ চলাইছে, সমাজতন্ত্ৰ চলাইছে, সেই চৰকাৰে আজি গণতন্ত্ৰৰ নাম লৈ গণতন্ত্ৰৰ মূৰ খাব ধৰিছে। সামাজিক দৃষ্টি ভঙ্গি নহৈ এই গণতন্ত্ৰৰ বৰ্ত্তমান ধনতন্ত্ৰ হৈ পৰিছে আৰু গণতন্ত্ৰক ধ্বংসৰ মুখলৈ ঠেলি দিছে। আৰু তাৰ ফলত আজি শাসন ব্যৱস্থা নিষ্পেষিত হৈ শেষ হব ধৰিছে। সেই কাৰণে দেখিবলৈ পাইছোঁ যে আজি কৃষিৰ ক্ষেত্ৰত শিল্পৰ ক্ষেত্ৰত, উদ্যোগৰ ক্ষেত্ৰত, ভূমিসংস্কাৰৰ ক্ষেত্ৰত কোনো ক্ষেত্ৰতেই চৰকাৰে কোনো ৰকমেই ন্যায় হব পৰা নাই। কেৱল অন্যায় আৰু প্ৰবঞ্চনা।

কৃষিৰ ক্ষেত্ৰত ৰাজ্যপালে কৈছে আৰু তেখেতৰ মন্ত্ৰীসভাত ঢোল কোবাইছে যে যোৱা বছৰতকৈ অথাৎ ১৯৬৭-৬৮ চনতকৈ ১৯৬৯-৭০ চনৰ ভিতৰত অসমৰ খাদ্য শস্য ২.২৬ মেট্ৰিকটন বৃদ্ধি পাইছে। এইখিনিতে ৰাজ্যপালে অসমত বহুত লাভ হৈছে বুলি কৈছে। কিন্তু আমি দেখিবলৈ পাইছোঁ ই এটা বিৰাট প্ৰবঞ্চনা। এই চৰকাৰে এইদৰেই প্ৰবঞ্চনা কৰিয়েই চলি আছে। কাৰণ ইয়াত খাদ্য শস্য উন্নত হৈছে বুলি আমি ভাবিব নোৱাৰোঁ। আৰু ভাবিবৰ কাৰনো নাই। যিকোনোতেই উৎপাদন বেছি হৈছে বুলি আমাৰ ভাবিবৰ থল নাই। যিহেতু খাদ্য উৎপাদন বৃদ্ধি হোৱাৰ লক্ষণ ক'তো আমি দেখিবলৈ পোৱা নাই। ১৯৬৭-৬৮ চনত যিমান বিঘা মাটিত খেতি কৰিছিল তাৰ পাছৰ বছৰটোত

*Speech not corrected

অৰ্থাৎ ১৯৬৮-৬৯ চনৰ বছৰটোত তাতোতকৈ অধিক পৰিমানৰ মাটিত খেতি কৰা হৈছিল। সেইকাৰণে হয়তু আংশিক ভাবে কিছু বেছি হব পাৰে। কিন্তু যিমান পৰিমানৰ মাটিত খেতি কৰা হৈছিল সেই পৰিমানে খাদ্যশস্য অকনো বৃদ্ধি হোৱা নাই। আজি বিঘাই প্ৰতি হিচাব কৰা হলে তাতোতকৈ অধিক পৰিমানে শস্য পাব লাগিছিল কিন্তু এতিয়া পোৱা নাই। গতিকে খাদ্যশস্যৰ উৎপাদন উন্নত বুলি কব নোৱাৰি। আমাৰ উৎপাদনৰ ক্ষেত্ৰত আংশিক পৰিমানে উৎপাদন বৃদ্ধি হৈছে। বিঘা প্ৰতি যিটো উৎপাদন হব লাগিছিল সেইটোও হোৱা নাই। মোৰ প্ৰশ্ন হৈছে কৃষি উন্নয়ন কৰিবলৈ হলে বিঘাই প্ৰতি কিমান উৎপাদন হৈছে চাব লাগে। আজি অসমত ধান উৎপাদন গড়ে বিঘাই প্ৰতি ৫ মোনতকৈ কোনো গুণে বেছি নহয়। এই কথা চৰকাৰে কব নোৱাৰে। অসমত এতিয়া বিঘাহ প্ৰতি গড়ে ৫ মোনতকৈ বেছি ধান উৎপাদন হৈছে বুলি চৰকাৰে দাবী কৰিব নোৱাৰে। সেইদৰে মৰাপাটৰ উৎপাদনো বিঘাই প্ৰতি ৩ মোনতকৈ বেছি নহয়। ৰাজ্যপাল মহোদয়ে অধিক উৎপাদন হব বুলি আশা কৰি আত্মসন্তুষ্টি লাভ কৰিছে। আমাৰ অভিজ্ঞতাৰ পৰা দেখিছো হাজাৰ হাজাৰ বিঘা মাটিৰ শস্য উৎপাদন নষ্ট হৈছে।

উপাধ্যক্ষ মহোদয়, মোৰ নিজৰ ১১ বিঘাৰ মাটিত মাহ আছিল, তাৰ ভিতৰত তিনিমোন পৰ্য্যন্ত মাহ নাপালো। সমস্ত পঁচি নষ্ট হৈছে শস্যৰ বেমাৰ হৈছে, সেই বিলাক প্ৰতিৰোধ কৰি শস্য বৃদ্ধি কৰাৰ কোনো ব্যৱস্থা চৰকাৰে কৰিব পৰা নাই। নমুনা মূলক ভাৱে কৃষিৰ নামত অতিৰিক্ত টকা আনিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক ফাকি দিয়ে। বাস্তব ক্ষেত্ৰত কৃষি উৎপাদন হোৱা নাই। মাহৰ উৎপাদনো বিঘা প্ৰতি একমোনতকৈ বেছি দেখুৱাব নোৱাৰে। যদি কৃষি উন্নয়নৰ কাৰণে উপযুক্ত পৰিমানৰ জলসিঞ্চনৰ ব্যৱস্থা কৰি দিলেহেতেন তেন্তে শস্য উৎপাদন হোৱাৰ সম্ভাৱনা আছে। কৃষি বিভাগে পঞ্চায়তৰ জৰিয়তে কৃষি উন্নয়নৰ কাৰণে সৰু সুৰা বান্ধ বন্ধাৰ কাৰণে টকা বিলাক গাওঁ সভা মজুৰী হিচাবে লৈ, বান্ধ নাবান্ধিলে। মন্ত্ৰীসভাই পোনপতিয়া ভাৱে আঞ্চলিক পঞ্চায়তক ধৰি এই ২২ বছৰৰ ভিতৰত বান্ধ বন্ধাৰ নামত কিমান টকা খৰছ কৰা হৈছে তাক পৰীক্ষা কৰি চাওক। দৰা চলতে পঞ্চায়তে টকা বিলাক ৰাজনৈতিক ভৰণপোষনৰ কাৰণে খৰছ কৰিছে। এইভাৱে সমগ্ৰ পঞ্চায়ত

বিভাগটো বিনষ্ট হৈছে। কৃষিৰ উন্নতিৰ কাৰণে মৰাপাট শিল্প প্ৰতিষ্ঠাৰ কাৰণে টকা বিলাক খৰছ কৰিব পৰা হেতেন আমাৰ যথেষ্ট উন্নতি হলহেতেন। লগে লগে উদ্বৃত খাদ্য বস্তুৰ দ্বাৰা টকা অৰ্জ্জন কৰিব পাৰিলোহেতেন আৰু অসমত যথেষ্ট ভুমি আছে। তাৰ পিচত চেনীৰ কাৰণে প্ৰায় ৮০ লাখ টন চেনী উৎপাদন কৰিব লগা হয়। কিন্তু আমাৰ ইয়াত তাৰ চাহিদাও ১/৪ ভাগহে কঁুহিয়াৰ উৎপাদন হয়। গতিকে চেনীকল প্ৰতিষ্ঠা কৰি সমগ্ৰ চাহিদা পুৰণ কৰিব পাৰো। কিন্ত তাৰ কাৰণে কোনো ব্যৱস্থা হোৱা নাই। বৰ্তমান যি খিনি উৎপাদন হৈছে তাৰ দ্বাৰা খেতিয়ক সকল লাভবান হৈছেনে? দিন ডকাইতৰ দৰে সৰ্ব্বশ্ৰান্ত কৰা হৈছে। তাৰ পিচত কাগজত উলাইছে ভাল মৰাপাটৰ উৎপাদন হয় তেন্তে ৮০ টকা দাম দিব, সেইটো গুটি সিচাৰ সময়ত। ১৯৬৭ চনৰ পৰা ১৯৬৯ চনলৈ এই ব্যৱস্থা হৈছিল!

সেই দৰে দেখা যায় মিলমালিক সকল আৰু পুজিপতি সকলে দিন ডকাইত কৰি লাভৱান হৈছে আমাৰ খেতিয়ক সকল লাভৱান হোৱা নাই। তাৰ পিচত দেখা যায় সমবায় বিভাগে ফেব্ৰুৱাৰী মাহত ধান সংগ্ৰহ নকৰিলে। ফলত মজুতদাৰ সকলে ১২/১৪ টকা মোনত ধান মজুত কৰি ৰাখিছে পিচত বেপাৰী বিলাকে ২২/২৩ টকা মোনত ধান বিক্ৰী কৰিছে। এইদৰে খেতিয়ক সকলক দিন ডকাইত কৰা হৈছে। শিল্প উদ্যোগৰ ক্ষেত্ৰত অসমৰ উন্নতিৰ শিল্পৰ উন্নতিৰ কাৰণে কৃষিক উন্নতিশীল কৰিব লাগিব। শিল্প গঢ়ি উঠাব লগা হলে কৃষকক পইচা দিব লাগিব। কৃষকক পইচা দিব নোৱাৰিলে শিল্প টিকি থাকিব নোৱাৰে। আজি মৰাপাটৰ কাৰখানা এটা শিলঘাটত আৰম্ভ হব বুলি ৰাজ্যপাল মহোদয়ৰ ভাষণত কৈছিল। সমবায় বিভাগে এই মৰাপাট কল কৰিবৰ কাৰণে যি ঋণ বিচাৰিছিল সেই ঋণ তেওঁলোকে এতিয়াও পোৱা নাই। ফলত কাম আৰম্ভ কৰিব পৰা নাই। অন্যান্য শিল্পৰ ক্ষেত্ৰত দেখিছো যে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু অসম চৰকাৰৰ পৰা শিথিলতাৰ ফালৰ পৰা, অকমন্যতাৰ পৰা সেইবিলাক বাধাগ্ৰাপ্ত হৈছে। শুনি আচৰিত হব চাৰি বছৰ ধৰি কাগজ কলৰ clearance আনিব নোৱাৰিলে। বোকাজান চিমেণ্ট কাৰখানাত কৈছে যে চিমেণ্ট সোনকালে তৈয়াৰ হব। তদুপৰি ১৯৭২ চনলৈকে চিমেণ্ট উৎপাদন নহয়। অফিচাৰে কৈছে কেন্দ্ৰৰ পৰা চিঠি নাপালে তাৰ কাৰ্য্য কৰিব নোৱোৰো

অথচ প্ৰতি বস্তুৰ নামত কেন্দ্ৰৰ পৰা হুকুম আনিব নোৱাৰে। কেন্দ্ৰৰ পৰা চিঠি নাপালে একো ব্যৱস্থা কৰিব নোৱাৰে। Petro chemical complex প্ৰতিষ্ঠা কৰা কথা আহিছে। এতিয়া শুনিছো সুতাৰ নাল তৈয়াৰ ক । Petro-chemical complex প্ৰতিষ্ঠা কৰাৰ কাৰণে চৰকাৰে বিবেচনা কৰা নাই আৰু ব্যৱস্থাও কৰা নাই। দুটা পইণ্ট আছে।

উপাধ্যক্ষ মহোদয়, মোৰ আৰু দুটা Point আছে। আজি আমি কৈছো যে, আমাৰ ইয়াত শিল্প প্ৰতিস্থা কৰাৰ প্ৰয়োজন হৈছে। এই ক্ষেত্ৰত চৰকাৰ তৎপৰ হব লাগিব। যদি এই চৰকাৰে নোৱাৰে তেতিয়াহলে এই চৰকাৰে এৰি দিয়ক আৰু শিল্প প্ৰতিস্থা কৰা লোক আছে সেই সকলক ৰাস্তা এৰি দিয়ক। নহলে এই ৰাজ্যত এটা অচল অৱস্থাৰ সৃষ্টি হব। আজি শিল্প উন্নয়ন কৰিব নোৱাৰৰ কাৰণে বেকাৰ সকলক চাকৰি দিব পৰা নাই। চৰকাৰে কৰাৰ ভিতৰত আজি এটা কাম কৰিছে সেইটো হৈছে তীৰ খেল পাতিছে। আজি ৰাজ্যজুৰি ৰাস্তাই ঘাটে আলিয়ে পদুলীয়ে, চাহৰ দোকান কিতাপৰ দোকানে স্কুল college ৰ compoud আদিৰ সন্মুখত টেবুলে টেবুলে এই তীৰ খেলৰ ব্যৱস্থা হৈছে। আজি ঘৰৰ তিৰুতা মানুহ পৰ্যন্ত এই খেলত লিপ্ত হৈছে। ইয়াত চৰকাৰে পৰোক্ষ ভাৱে ইন্ধন যোগাইছে। চৰকাৰৰ যিটো পুলিচ বিভাগ আছে তেওঁ-লোকে এইটো ফিফটি, ফিফটি কৰি লয়। এই তীৰ খেল বন্ধ কৰিব নোৱাৰিলে অদূৰ ভৱিষ্যতে ভয়ঙ্কৰ অৱস্থাৰ সৃষ্টি হব। অৰ্থাৎ caos হব। আজি মই বিধান সভাতে কৈছো যে যদি এই তীৰ খেল বন্ধ নহয় তেনেহলে আইন শৃংখলাৰ কথা উঠিলেও এই তীৰ খেল বন্ধ কৰিম।

আনহাতে আমাৰ শিল্প উন্নয়ন হোৱা নাই আনহাতে আমাৰ বেকাৰ সমস্যা সমাধান কৰিব পৰা নাই। আজি মানুহক খুৱাব নোৱাৰি চাকৰি নিয়ন্ত্ৰন কৰিছে আনকি স্কুল college নিয়ন্ত্ৰন কৰিব খুজিছে। আনহাতে শিল্প কাৰ-খানাৰ ক্ষেত্ৰতো Technical স্কুলৰ জন্ম নিয়ন্ত্ৰন কৰিছে। জন্ম নিয়ন্ত্ৰনৰ ইমান চখ যেতিয়া মন্ত্ৰীসভাৰ নিয়ন্ত্ৰনো আৰম্ভ কৰক যে মন্ত্ৰীসভাৰ ২৫ জনৰ ঠাইত ৫ জন কৰক।

(সময়ৰ সংকেত)

Mr. Dy Speaker : মাননীয় সদস্যই আসন গ্ৰহন কৰক।

M. Shamsul Huda : দ্বিতীয়তে মই এটা কথা কওঁ মাটিৰ সম্পৰ্কে নকও। অন্য এটা কথা কও। আজি খেতিয়কৰ কল্যানকামী চৰকাৰ বুলি কোৱা চৰকাৰে দেখিছো ঘাটকৰ দৰে দুই হাতেৰে খেতিয়কৰ মুৰত কুঠাৰ মাৰিছে। যি খেতিয়কক প্ৰতিশ্ৰুতি দিছিল যে বিনা পইছাই ম্যাদি কৰি দিম। কিন্তু আজি ৫ টকাৰ ঠাইত ৫০ টকা কৰিলে।

( সময়ৰ সংকেত )

শেষত মই এটা কথা কওঁ যে আমাৰ দেশখন অৰ্থনৈতিক ক্ষেত্ৰত বা শিক্ষাৰ দিক্ষাৰ ক্ষেত্ৰত কেনেকৈ আগবাঢ়িছে। আজি বেকাৰ সমস্যা সমাধান কৰিব পৰা নাই। আজি কৃষি উন্নয়নৰ ক্ষেত্ৰত দুখীয়া খেতিয়কক হেচা দিছে। এই বিলাক অৱস্থা দেখি এটা অৰাজকতাৰ ভাৱ পৰিলক্ষিত হৈছে। এই বিলাক ক্ষেত্ৰত অৰ্থনৈতিক ব্যৱধান টনকায়াল কৰাৰ ব্যৱস্থা কৰিব লাগে। নহলে এটা অৰা-জকতাৰ অৱস্থাৰ সৃষ্টি হব।

Shri Prabhat Narayan Choudhury : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা Meghalaya আজি বাস্তৱত পৰিণত হৈছে। আমাৰ সদনত এই Meghalaya সম্পৰ্কে বহুবাৰ আলোচনা কৰা হৈছে। মই ইয়াকে কামনা কৰিব পাৰো যে Meghalaya এখন Sub-State, অসম ৰাজ্যৰ ভিতৰতে এখন সৰু ঘৰ এই মেঘালয়ৰ লগত আমাৰ সম্পৰ্ক কি দৰে সুমধুৰ হৈ কেনেকৈ থাকে সেইটোহে চিন্তা কৰিব লগিয়া কথা। তাৰ বাহিৰেও Nagaland ৰ লগত আমাৰ সীমা সম্পৰ্কে আৰু অন্যান্য সম্পৰ্কে যদিও কিছু-মান কথাৰ মতভেদ হৈ আছে তথাপি Nagaland লগত আমাৰ ভাতৃত্বৰ ভাৱ অটুট ৰাখিব লগিব।

ভাৰতবৰ্ষৰ এক পূৰ্ব্ব প্ৰান্তত থকা সীমামূৰিয়া এই সৰু সৰু ৰাজ্য কেইখনৰ ভিতৰত সীমা আৰু ভাৰতবৰ্ষৰ লগত সংযোগ কি ভাৱে ৰখা হয় তাকহে চিন্তা কৰিবলগীয়া। Manipur, Nagaland আৰু অসমৰ ভিতৰত থকা Meghalaya আৰু Centrally administrative And N.E.F.A. এই সকলো ৰাজ্যৰ লগত পৰস্পৰ বুজাপৰা বৰ বেচি প্ৰয়োজন। এইটো প্ৰতিস্থাৰ কাৰণে

ভাৰতৰ সীমামূৰিয়া আৰু যাতায়তৰ অসুবিধা থকা কাৰণে ভাৰত চৰকাৰৰ পৰা আমি যিবিলাক অবিচাৰ পাই আহিছো আৰু তেওঁলোকৰ পৰা সহায় সহযোগৰ অভাৱ অনুভৱ কৰি আহিছো। এতিয়া আমাৰ যিটো Advisory Council হব তাৰ জৰীয়তে আমি আমাৰ সামূহিক সমস্যা আৰু Common Problem সেইবিলাক নিৰোধ কৰি কি দৰে আগবাঢ়ি যাব পাৰো সেইটোহে চিন্তা কৰিব লাগিব। এই বিষয়ে বহলাই কোৱাৰ প্ৰয়োজন নাই।

ৰাজ্যপালৰ ভাষনত এইবিলাক কথাৰ উল্লেখ নাই; প্ৰশাসন বিষয়ে আজি Assembly ত বহুদিনৰে পৰাই আলোচনা-সমালোচনা চলি আহিছে। এটা কথা ধৰি লব পাৰি যে প্ৰশাসন ব্যৱস্থাত বহুবোৰ বিজুতি ঘটিছে; সেইবিলাক বিজুতি কি দৰে গুচাব পাৰি সেই বিষয়ে কেৱল অসম চৰকাৰেই নহয় ভাৰত চৰকাৰেও Administrative Reform Commission, Hanumantheya Committee গঠন কৰি এই বিষয়ে অধ্যয়ন কৰি কিছুমান পৰামৰ্শ আগবঢ়াইছে; আমাৰ ৰাজ্যৰ ভিতৰতো A.R,C. গঠন কৰা হৈছে। তাৰ ভিতৰতে ৰাজ্যৰ প্ৰশাসন ব্যৱস্থা ভাল কৰাৰ কাৰণে Method and orgainsation দ্বাৰা traning দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই সকলোবোৰৰ প্ৰয়োজন মই স্বীকাৰ কৰিছো। কিন্তু এটা কথা Method and orgainsation য়ে যিবিলাক নিয়ম কৰিছে যে ইমান file ৰ পৰা ইমান file হলে under secy আৰু ইমান file ৰ পৰা ইমান file Dy. secy হব পাৰিব; এইবোৰ নিয়মৰ ওপৰত নিৰ্ভৰ কৰিলে প্ৰশাসন ব্যৱস্থা সুঠাম কৰিব পাৰিব বুলি মই নাভাবো।

কিন্তু এইবিলাক ক্ষেত্ৰত Human Element নিহীত হৈ আছে। আচৰণ কি দৰে কৰিব লাগে সেই বিষয়ে পৰামৰ্শ দিব লাগে এই সংক্ৰান্তত মই হতাশ হৈছো যে আচৰণ ব্যৱহাৰ ভাল হোৱা নাই। অইন ৰাজ্য বিলাকৰ তুলনাত আমাৰ ৰাজ্যৰ যথেষ্ট তাৰতম্য দেখা যায় মহীশূৰ, গুজৰাট Tamilnaidu আদি ঠাইত Secy সকলে মন্ত্ৰীক যি Policy advice দিয়ে তাক ভাল দৰেই পৰীক্ষা কৰি চৰকাৰে চৰকাৰৰ policy decision হিচাবে গ্ৰহণ কৰি তাক প্ৰয়োগ কৰে। সেই policy বোৰ চৰকাৰে নিজে কিমান, Director level ত কিমান District level ত কিমান কৰিব ঠিক কৰিলে তাক বিভিন্ন স্তৰত

প্ৰয়োগ কৰিলে ৰাইজে সকলো বিচাৰ সোনকালে পায় আৰু ৰাইজৰ মাজত শান্তি হয়। অসম ৰাজ্যত আজি শিক্ষা বিভাগৰ যি পলিচি লোৱা হয় তালৈকে চোৱা যাওঁক। ভাৰত চৰকাৰে যেতিয়াই যিহকে নিৰ্দ্দেশ দিয়ে তাকে পৰীক্ষা নকৰাকৈ অসম চৰকাৰেও কৰিবলৈ লয়। চোৱা যাওঁক তামিলনাডু চৰকাৰে মাধ্যামিক শিক্ষা-বিভাগৰ আইন ভাৰত চৰকাৰৰ direction মতে কৰা নাই। সেই ৰাজ্যত প্ৰয়োজনলৈ লক্ষ্য কৰি তাত মাধ্যামিক শিক্ষাৰ ব্যৱস্থা কৰিছে। আজি Higher Secondary আৰু Multipurpose শিক্ষাৰ কথা ওলাইছে। একো একোখন Commission কৰি সেই কমিশ্যনে মাজে সময়ে বহি যি সিদ্ধান্ত কৰিলে যি পৰামৰ্শ দিলে তাকে শিৰোগত কৰি যোগ্যতা সম্পৰ্ণ শিক্ষকৰ বিষয়ে কোনো চিন্তা নকৰি স্কুলৰ Laboratory ৰ কথা চিন্তা নকৰি সা-সজুলীৰ কথা চিন্তা নকৰি, পাঠ্য-পুথিৰ কথা চিন্তা নকৰি এই শিক্ষা বিস্তৃত ভাবে ব্যৱস্থাৰ ক্ষমতা ৰক্ষা চিন্তা নকৰি কমিশ্যনৰ পৰামৰ্শ গ্ৰহণ কৰি Higher Secondary & Multipurpose শিক্ষানুস্থান পতাঁৰ ফলতেই এতিয়া শিক্ষাবিভাগ অসুবিধাত পৰিছে। আনহাতে যিবিলাক plan, পঞ্চায়তৰ সম্পৰ্কত Scheme ৰ ওপৰত নিৰ্ভৰ কৰি গতানুগতিক ভাৱে কাম কৰাৰ কাৰণেই এই বিলাক কাম ভাল হোৱা দেখিবলৈ পোৱা নাই। এই plan আৰু scheme বোৰ ৰাইজৰ চাহিদা মতে হব লাগিছিল।

আন এটা কথা এই প্ৰসঙ্গতে মই কব খুজিছো যে এই শিক্ষা সম্পৰ্কত যি বিলাক অফিচাৰৰ ওপৰত দায়িত্ব দিয়া হয় সেইবিলাকে ভিতৰুৱা কথা বিলাকলৈ মনস্থ নজৰ দিব লাগে। গতিকে ৰিভাগীয় কৰ্ম্মচাৰী সকলে অন্তত ঃ S.I. level ত এই বিলাক ভালকৈ চাব লাগে। Television of power ঠিক হব লাগে। কেৱল মন্ত্ৰীসকলক দোষ দিব নোখোজো। আমাৰ ভিতৰত এনেকুৱা বহুত কথা আছে যিবিলাক জিলা পৰ্য্যায়তে হব পাৰে, সাধাৰণ Transfer আদিৰ কথালৈ মন্ত্ৰীসকলৰ ওচৰলৈ নাহিলে কেনেকৈ কাম হব আৰু শ্ৰীফনী বৰা ডাঙৰীয়াইও এটা Committee কৰি দিয়াৰ কথা কৈছে।

আমাৰ Financial Power সম্পৰ্কত কওঁ যে Finance এ সকলো বিলাক Control কৰে। Grant আদিৰ ক্ষেত্ৰতো Scrutiny হব লাগে। তেতিয়াহে প্ৰকৃত কাম হব। Administrative বিভাগে Finance ৰ লগত

Consult কৰি বুজা পৰাৰ ভিতৰত কামবিলাক কৰিব লাগে। ৩০ মাৰ্চৰ ২ বজালৈ Treasury ৰ লগত ৰৈ থাকিব লগীয়া অৱস্থা তেতিয়াহে শাম কাটিব।

এইটো সকলোৱে স্বীকাৰ কৰিব লাগে যে শিক্ষাৰ সম্প্ৰসাৰন হব লাগে যদিও অৰ্থ ভাৱ হোৱা কাৰণেহে কৰিব পৰা নাই। আমাৰ শিক্ষা বিভাগক দিয়া টকাখিনিও ঠিকমতে ব্যৱহাৰ কৰিব পৰা নাই। আজি M. V. School M. E School High School Lower Basic স্কুল বিলাকত একে শিক্ষা দিয়া হয়। একে ঠাইতে এনেকুৱা স্কুল কিছুমান আছে যিবোৰ চামিল কৰি দিব পাৰি। ১৯৬৭ চনতো এই কথা উল্লেখ কৰিছিলো, মন্ত্ৰী মহোদয়ে নীতিগত হিচাবে মানি লোৱা বুলি স্বীকাৰ কৰিছিল। আজিলৈ কাৰ্য্যকৰী ব্যৱস্থা লোৱা হোৱা নাই। Unification of Education কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা লব লাগে।

(সময়ৰ সংকেত)

তাৰ পাচত আমাৰ ব্যয় সংকোচৰ ব্যৱস্থা কৰিব লাগে। এই ব্যয় সংকোচৰ কাৰ্য্যকাৰিতাৰ কাৰণে আমাৰ যিবিলাক Social welfare বা সামাজিক কাম সেই বিলাকত পৰা পক্ষত, অনাহকত খৰচ নকৰি যিমান পৰা যায় সিমান খৰচ কমাব লাগে, কিছুমান Department ত overlapping হয় আৰু কিছুমান Social welfare work for one and the same purpose হয়। গতিকে মই এটা পৰামৰ্শ দিব খুজিছো যে আমাৰ weaving and Hand Loom Department টো Co-ordination কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আমাৰ লাভৰ কাৰণে ২।১ এটা অনুস্থান একেলগ কৰিব লাগে। সেইদৰে আমাৰ Social welfare Board আৰু Social welfare Depratment দুয়োটা একে লগ কৰিব লাগে। আমাৰ অসমৰ ক্ষেত্ৰত Joint Director of weaving আৰু Joint Registrar of Co-operation এজন কৰি দি weaving আৰু Hand Loom ৰ সমন্নয় সাধন কৰিব পাৰি। আজি দেখা গৈছে যে আমাৰ Hand Loom বিভাগত সুনিপুন কৰ্ম্মচাৰীৰ অভাব। সেই কাৰণে মই পৰামৰ্শ দিব খুজিছো যে মহীশূৰৰ নিদৰ্শনত এই Hand Loom বিভাগটো গঢ়ি তুলিব লাগে যাতে এটা Department technical head এ সহজে Hand-

Loom আৰু Weaving এই দুয়োটা ভাল হিচাবে চলাব পাৰে। এতিয়া দেখা গৈছে অসম power loom ৰ ক্ষেত্রত একেবাৰে পিচপৰা। নগাৱত ২খন, নলবাৰীত এখন, গৌহাটীত ২খন, গোলাঘাটত ১খন power loom Co-operative আছে। কিন্তু তাতো দেখা গৈছে যোগ্যতা সম্পন্ন ব্যক্তিৰ অভাৱ। Power loom officer এজন আছে qualified আৰু experieneed মানুহ নহয়। Hand loom ৰ ক্ষেত্রটো যিমান বিষয়া আছে তেখেত সকলৰো পূৰ্ব্বৰ অভিজ্ঞতা নাই। সেই কাৰণেই এই বিভাগটোও অপচয় বেচি হৈছে আৰু দিনক দিনে বাঢ়ি গৈছে। এই অপচয় বিলাক বন্ধ কৰিব লাগে। এই বিভাগত অথংথ্য Jaquard machine পৰিকল্পনাৰ ভুলত অকামিলা হৈ নষ্ট যাব ধৰিছে।

আজি দেখা যায় শতকৰা ৯৫ জনেই বেকাৰ। এখেত সকল বেকাৰ হোৱাৰ কাৰণ কি ? Technical education, employment ৰ লগত সমন্নয়ৰ বাবে Engineering institute, Polytechnic, junior polytechnic বোৰ একে ঠাইতে অবস্থিত হৈ so called technicaliy educated নিবনুৱাৰ সৃষ্টি কৰিছে। লগে লগে Labour Department ৰ Industrial Training Institute আৰু Industries Department ৰ I. T. I. বোৰে একে ঠাইবোৰত অৱস্থিত হৈ নিবনুৱাৰ সৃষ্টি কৰিছে। এনে খেলিমেলি বোৰৰ অবসান ঘটাব লাগে।

আমাৰ মাকেটিং বিভাগটো তিনিজন মন্ত্ৰীৰ বিভাগত পৰে Minister Industry, Minister Handloom আৰু Minister Co-operation গতিকে দেখা যায়- একেটা বিভাগৰে শাখা বেলেগ বেলেগ মন্ত্ৰীৰ হাতত থাকে। এই বিলাক একে জনৰ হাতত ৰখাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ শাখা যিমানেই বেছি হয় অপচয়ো সিমানেই বাঢ়ি যায়। এই অপচয় বিলাক বন্ধ কৰিব লাগে লগতে Handloom বিভাগত যি দোষযুক্ত rebate দিয়াৰ ব্যৱস্থা—যেনে একোখন Cooperative Society ৰ যি উৎপন্ন হয়, সেইবোৰত Handloom Department এ উৎপন্নতকৈ বেচি rebate দিয়া দেখা যায়। জম্মু কাশ্মীৰ, উত্তৰ প্ৰদেশ মহীশূৰ আদিত যি ধৰণেৰে এই পাট শিল্পৰ প্ৰচাৰৰ

ব্যৱস্থা লৈছে তেনেদৰে আসাৰ ইয়াটো প্ৰসাৰৰ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। কাৰণ দেখা গৈছে ৩/৪ ভাগ কাচাপাত raw silk পাত বাহিৰৰ পৰা আহে মাত্ৰ ১/৪ ভাগহে আমাৰ অসমৰ বস্তু। মুগা অসমৰ অমূল্য আৰু পৃথিৱীৰ ভিতৰত অতুলনীয় সম্পদ। এই অমূল্য সম্পদ সম্প্ৰসাৰন কৰিলে পৃথিবীত বজাৰ আকৰ্ষন কৰি অসম এখন আৰু সমৃদ্ধ ৰাজ্য হব পাৰিব।

তাৰ পাচতে মুগাৰ দৰে আমাৰ এৰি শিল্পটোও দিনক দিনে তলৰ ফালে গৈছে। মুগাৰ নিচিনাকৈ এৰিৰো বজাৰ নাইকীয়া হৈছে। এই এৰি শিল্পটো জীয়াই ৰাখিবৰ কাৰণে চৰকাৰে মনোযোগ দিব লাগে। আৰু আমাৰ Govt Secretary বিলাক ইমান বেছি হৈ গৈছে যে মই ভাবো ইমান বিলাক Secretary ৰ প্ৰয়োজন নাই এই Secretary বিলাক বেচি হোৱাৰ কাৰণে কামত আওল লাগিছে।

আনহাতে Secretary সকলে Minister সকলক policy advice দিব লাগে। Minister সকলে policy decision লোৱাৰ পাচত। সেই সকল differant level ত সম্পাদন কৰাৰ বাবে ব্যৱস্থা থাকিব লাগে। ইয়াৰ অভাবত কামৰ বহুত খেলি মেলি হৈছে।

Shri Kandarpa Narayan Banikya : Mr. Deputy Speaker, Sir, the Governor has rightly emphasised "that the spirit of understanding and co-operation which has marked our deliberations regarding Meghalaya so far will continue to govern the mutual relations between the autonomous State of Meghalaya and Assam." Yes, Sir, we the people of the rest of Assam, excluding Meghalaya, have been always co-operating even though we are to part with our brethen. I do not know what the members of the Meghalaya Legislative Assembly would say, but we the members of this House of both sides wish to co-operate in all matters. As in Nagaland the boundary

dispute may crop up between Meghalaya and the rest of Assam. So it would be advisable that the boundaries are demarcated immediately and permanent pillars are put. We have told the Govt. of India that there is no boundary dispute between Nagaland and Assam and that it is the Nagaland Govt. who are encroaching into Assam. On the other hand the Chief Minister of Nagaland Shri Sema in between 20th 25th of the last month stated that it is the people of Assam who are encroaching into Nagaland territory upto 10 miles. He went further to state that the people of Assam were trying to kidnap Naga women. We the people of Assam with a long term fancy for the people of Nagaland were surprised to hear such a statement. Boundary dispute is a dangerous things. We have had very sad experience in the past when Pakistan was created diving India into two parts. At first the boundary must be settled and the boundary must be permanently demarcated to avoid any unhappy happening in the future. When Korea was divided into North and South the 38 parrell was taken as the boundary and there is no boundary dispute now. When India was divided into two and India and Pakistan were created the people did not know what were the boundaries. The people of india did not know what was the boundary for two Punjabs. Due to this misunderstanding thousands of people got massacred. One American representative whose name was Robert Trumbull and who was present during the rioting in his book 'As I see India' wrote : "The rivalries and inequities that led to partition still existed on both sides of the artificial

boundary between India and Pakistan, a line then not completely delineated or manned by border guards and customs posts......... The fact of partition dramatized the wrongs, both real and fancied, that each had suffered at the hands of the other. Immediately after August 15, bitterness welled over, and blood began to flow in unparalleled carnage."

Sir, the present boundary dispute with Nagaland must serve as a warning to us that the samething may happen with Meghalaya also if we do not mend metters now. Sir, most probably you were present when Prime Minister Smti. India Gandhi came to Shillong to inaugurate Meghalaya. There was black flag demonstration by a large section of the people of the hills condemning the autonomous state and demanding a separate Hill State. The politicians should know things in advance as to what is going to happen in future. Sir, in Nefa what did we see. The Mc. Mohan line, an imaginary line not properly demarcated was taken as the dividing boundary line between India and China. Mr. Chou En Lai refused to accept the Mc.Mohan line as the dividing line saying that this was a map of the time of Chiangkai Shek. As a result what happened in Nefa ? Thousands of our Jawans had to sacrifice their lives in the Nefa border whose skeletons are still lying there. ( Interruptions ) I am speaking as a pure Assamese not as a Member of the Congress party. Today we may be smiling, laughing and shouting and roaring but what may be coming after 10 years the Hon'ble members should know. There will be no shouting, no roaring no laughing and no smiling. So now it is high time we

requested our Home Minister Mr. Chavan that if he could mediate in the dispute between Mysore and Maharastra he should also mediate in the boundary dispute between Assam and Nagaland.

Regarding industries, I beg to submit that the Governor has stated "My Government have been able to acquire substantial interest in a paper pulp company which had earlier established itself in Bihar. It is proposed that the concern should now set up its unit in Jogighopa in Goalpara District." I thank the Governor, I also thank the Indistries Minister for this. You know, Sir, that Goalpara district is backward as regards industrial development. With the establishment of the Paper Pulp Mill, it is hoped that the educated unemployment would be too some extent solved. Therefore, when this Paper Mill starts functioning I would request the Govt. to see that atleast 50 p. c. of local educated unemployed boys can get job in the Mill. Next thing Sir, before three years I could learn from the Minister, Industries that a Jute Mill has been sanctioned for the district of Goalpara. And we, all M.L,As, from Goalpara district tried to set up it in the Cooperative Sector. But we could not succeed in it. Now, I would request the Govt. of India as well as the Govt. of Assam to set up the Mill in public sector anywehere in the Goalpara district according to expert's opinion.

Regarding agriculture, Governor stated in his address "the contribution of the Assam Agricultural University, which has now started functioning, should be significant." Here also I would like to say something. We, the people of Goal-

para where the population consists of 80 p. c. cultivators, rightly demand that an Agricultural College should be sanctioned in Goalpara District.

Next, Sir, I have got something to tell to our Revenue Minister regarding land revenue. In Goalpara settlements were made on the one hand under G. T. Act and on the other there are large areas where settlement are made on temporary basis. This anomaly should be removed forthwith. I would request the Govt. that they are given periodic pattas immediately.

I am gateful to the Govt. for sanctioning two lakhs of rupees for the control of the river Aie, which is a menace to the people of the particular area. I would request the Govt. to see that the river Aie is controlled properly. This will also solve the land paoblem partially. (noise from the Opposition)

Next, Sir, there are sufficient mineral deposits in the district which should be explored for the benefit of the State. For instances, I have discover clay for second class pottery. I have discovered China Clay, second class pottery, I have discovered Iron Ore in our District which will increase our revenue. Therefore, it is not the responsiblity of the Congress MLAs alone to increase the revenue of the State. It is the duty of every M.L.A. irrespective of party affiliation to work for the benefit of the State. If this be the attitude of all of us then only I am sure our State will march forward towards prosperity. Jai Hind.

*Shri Govinda Chandra Bora : উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত কেইআষাৰ মান কথা কব খুজিছো। ৰাজ্যপালৰ ভাষণত পাকিস্তানী Isfiltration ৰ কথা কৈছে। তাৰ পিচত কৈছে যে বিভিন্ন বিভাগে কামত আগবাঢ়ি গৈছে। আজি মেঘালয় ৰাজ্য উপৰাজ্য হিচাবে অসমৰ ভিতৰতে গঠিত হ'ল ইয়াৰ লোকসংখ্যা প্ৰায় ৯ লাখ আৰু area হব প্ৰায় ৮ হাজাৰ বৰ্গমাইল। যদিহে এই উপৰাজ্যৰ লগত আমাৰ ভৈয়ামৰ ঘনিষ্ঠ সংস্পৰ্শ নাথাকে তেন্তে নগালেণ্ড আৰু নেফাৰ নিচিনা অৱস্থা হব।

আমাৰ অৰ্থনীতিত এটা বিৰাট হেচা পৰি গৈছে। এই মেঘালয়ৰ সদস্য অসম বিধান সভাতো থাকিব পাৰে আৰু Heavy Industry অসম চৰকাৰৰ হাতত থাকিব।

আজি নগালেণ্ড বৰ্ডাৰ লৈ যি সংঘাটৰ সৃষ্টি হৈছে তাৰ বাবে C.R.P. যোগান ধৰাৰ বাবে বহুত ঠাইত গোলমালৰ সূত্ৰপাত হৈছে। এই C.R.P. বিলাকক ভালদৰে Depute কৰিব লাগে।

অসম চৰকাৰৰ memorandum খনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কি মতামত দিছে সেইটো নজৰ কৰিবলগীয়া কথা।

আজি দেশত Law and order ঠিক মতে ৰখাৰ কাৰণে পুলিচ বাহিনী সন্তম থাকিব লাগিব। অফিচ বিলাকত চলি থকা দুৰ্নীতিবোৰ আঁতৰ নকৰিলে কোনো ভাল কামেই আমি আশা কৰিব নোৱাৰো। অফিচাৰৰ পৰা আৰম্ভ কৰি তললৈকে দুৰ্নীতি সোমাইছে।

অসমত কোনো Heavy Industry গঢ়ি উঠা নাই; যি দুই চাৰিটা পলমকৈ স্থাপন কৰা হ'ল তাতো অসমীয়া যুবকক নিয়োগ কৰা হোৱা নাই। অশিক্ষিত সকলৰ কথা বাদেই শিক্ষিত নিবনুৱা সকলৰ বাবেও চৰকাৰৰ কোনো নিয়োগৰ নীতি নাই, Employment Exchange ৰ যোগেদি নিয়োগৰ আশা কৰি থাকিলেই নহব।

আজি ভূমিহীন খেতিয়ক অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আছে। মাটি নহলে খেতিয়কে খেতি কৰিব পাৰিব কেনেকৈ সেইটো চিন্তা কৰিবলগীয়া কথা।

*Speech not corrected

গতিকে এই সমস্যা সমূহৰ প্ৰতি চোকা দৃষ্টি দিবলৈ অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Azizur Rahman Choudhury : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত যি কথা উল্লেখ কৰিছে তাত দেখা যায় যে চৰকাৰে আমাৰ দেশৰ কাৰণে যিখিনি চিন্তা কৰা বুলি কৈছে আচলতে সেইটো সত্য নহয়। এই কথাত আমাৰ সন্দেহ হয়।

( হাঁহি )

হাঁহি কোনো লাভ নাই কিয়নো চৰকাৰে আজিলৈ কৰা কামবিলাকৰ শলাগ নলৈ নোৱাৰো। আজি গাওঁ বিলাকৰ অৱস্থা কি আছিল আৰু কি হৈছে ? আগতকৈ বহুত আগবাঢ়ি গৈছে। গতিকে গোটেই উন্নতি নোহোৱাও নহয়। এতিয়া কথা হ'ল অৰ্থনীতি উন্নত কৰিবলৈ, দেশ সম্পূৰ্ণ উন্নত কৰিবলৈ খেতিৰ উন্নত প্ৰণালী দৰকাৰ। মাটিৰ অভাৱত খেতি কৰিব নোৱাৰা সকলক চৰকাৰে মাটি দি আছেই। মোৰ সমষ্টিতে ৰাজহমন্ত্ৰী ডাঙৰীয়াই মাটি দিলে বৰ সুখী হম কিয়নো তাৰ ভুমিহীন ৰাইজে আমাক Local M.L'A. বিলাকক দোষ দিয়ে।

আজি মেঘালয় ৰাজ্য গঠিত হ'ল। এই উপৰাজ্য খনৰ লগত যাতে আমাৰ সম্পৰ্ক ভালভাৱে থাকে তাৰ বাবে আমাৰ চৰকাৰে যৎপৰোনাস্তি চেষ্টা কৰিব বুলিয়েই মোৰ বিশ্বাস।

Shri Giasuddin Ahmed : Mr. Deputy Speaker, Sir, there is a point of order Under rule 277 "A member desiring to make any observation on any matter before the House shall speak from his place. I think the hon' Member is not speaking from his place.

Shri Azizur Rahman Choudhury : আজি কৃষিৰ ক্ষেত্ৰত পানী যোগান বেচ মন কৰিবলগীয়া কথা। ইয়াত জোৰ নিদিলে খেতিৰ আশা সুফল,. নহব।

Shri Dulal Chandra Barua Is not the word" বাৰবজা unparliamentary ?

Mr. Deputy Speaker : He is not refering to any hon' member.

Shri Azizur Rahman Choudhury : corruption : এইটো এটা অতি বেয়া বস্তু।

(হাঁহি)

চাকৰি আদিৰ ক্ষেত্ৰতো বকচিচ দিলেহে চাকৰি পায়। এই Corruption E.&.D. বিভাগতো ভালকৈয়ে শিপাইছে। তাত কেৱল Public money ৰ হে অপচয়। তাত যিবিলাক মহৰী আছে বা P.W.D. টো যিবিলাক অফিচাৰ আছে সেই সকলো বিলাকৰে কামৰ চোৰা-চিতাৰ দায়ীত্ব থকা সত্বেও তেওঁলোক কাম চাবলৈ নেযায়। কাম চাবলৈ যাব লাগে—আমাৰ M.L.A. সকলহে। এই সংক্ৰান্তত অৱশ্যে P.W.D. ৰ সংশ্লিষ্ঠ মহললৈ লিখা-লিখি কৰোতে কিছু remove হৈছে। গাৱলীয়া মানুহে মুৰীজনৰ ওপৰতহে বিশ্বাস কৰে আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰো কৰে। কিন্তু যেতিয়া এই মুৰীজন সকলো insulted হব লগীয়া হয় তেতিয়া আৰু থাকিল কি ? গতিকে দেশৰ মঙ্গল, ৰাইজৰ মঙ্গলৰ প্ৰতি নজৰ ৰাখি এনেধৰণৰ অনিষ্ঠ কাৰক দোষবোৰ নিবাৰণৰ কাৰণে সংশ্লিষ্ঠ বিভাগ সমূহে নজৰ ৰাখে—তাকে কামনা কৰি মই সামৰণি মাৰিলো।

Shri Dharanidhar Choudhury : উপাধ্যক্ষ মহোদয়, অসমৰ ভিতৰতে এখন নতুন ৰাজ্য "মেঘালয়" জন্ম হ'ল। মেঘালয়ৰ মঙ্গল হওক গাৰোপাহাৰ জিলা আৰু সংযুক্ত খাছিজয়ন্তীয়া পাহাৰক লৈ গঠিত এই "মেঘালয়ে" যাতে প্ৰগতিৰ পথত আগবাঢ়ি যাব পাৰে তাকে কামনা কৰো।

( A voice—আৰ্শীবাদ দিলে নেকি ? )

এই প্ৰসঙ্গতে উল্লেখযোগ্য যে মিকিৰ পাহাৰ জিলা আৰু উত্তৰ কাছাৰক তেওঁলোকৰ নিজৰ ভাগ্য নিৰ্ণয় কৰিবলৈ সুবিধা দিয়া স্বত্ত্বেও তেওঁলোকে অসমৰ লগতে থাকি নিজৰ ভাগ্যনিৰ্ণয়ৰ কাৰণে জনোৱা প্ৰচেষ্টাক আন্তৰিকতাৰে অভিনন্দন জনালো। লগতে অসম-চৰকাৰক এইটোও নিবেদন কৰিব খোজো যেন—অসমৰ লগতে নিজৰ ভাগ্যনিৰ্ণয়ৰ কাৰণে আগবাঢ়ি অহা উত্তৰকাছাৰ আৰু মিকিৰ পাহাৰক লৈ শান্তিপূৰ্ণ সহ অৱস্থানৰ মাজেদি নতুন স্বায়ত্তশাসিত ৰাজ্য "মেঘালয়" ৰ

লগত প্ৰগতিৰ দৌৰত আগবাঢ়ি যাবলৈ সক্ষম কৰি তুলিবপৰা যায় তাৰ বাবে আৰু সদায় সজাগ হৈ থাকে ।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত দেশত ক্ৰমবৰ্দ্ধমান দুৰ্নীতি নিবাৰণৰ কাৰণে জনোৱা গোহাঁৰীৰ পৰিপ্ৰেক্ষিতত মই কব খোজো যে এই দুৰ্নীতি নিবাৰণৰ বিষয়ে গাঁৱে-ভূঁইয়ে নানান ৰাজহুৱা সভা-সমিতি আনকি সংসদতো নানাভাৱে আলোচনা-বিলোচনা আদি হয় । এই আলোচনা-বিলোচনা বোৰৰপৰা কিন্তু দুৰ্নীতি নিবাৰিত হোৱা দেখিবলৈ পোৱা নাযায় । বৰং এই দুৰ্নীতি আগতকৈও বেছিকৈ শিপাইছেহে । আজি বহুত মানুহৰেই ধাৰণা হৈছে যেন অফিচবিলাক দুৰ্নীতিৰ কেন্দ্ৰস্বৰূপ । কৰ্ম্মচাৰী সকলেও সদায় কৈ থাকে তেওঁবিলাকৰ অকনো জিৰণি নাই । তেওঁলোকে যেন অবিৰাম কামকেই কৰি থাকিব লাগে । তেওঁলোকে যেন অকনো আজৰিকে নেপায় । কিন্তু বাস্তৱক্ষেত্ৰত সেইটো সদায়েই হয় জানো ? বাস্তৱক্ষেত্ৰত দেখা যায় কামতকৈ বেছি সময় গল্প গুজব কৰি নিয়াই, বহুতৰে ধাৰণা যে ক'ত দুই চাৰি পইচা পায় তাতেই ব্যস্ত থাকে । এইখিনিতেই মই এটা কথা উল্লেখ কৰিব খোজো— । যোৱা ২৪ তাৰিখে মই যেতিয়া State Transport ত উঠি শ্বিলঙলৈ বুলি ৰাওনা হওঁ ; তেতিয়া কেইজনমান শিক্ষিত Graduate শিক্ষকে এটা কথা আলোচনা কৰি আছে যে B.T. training টো Development Branch ত ৩০০/৪০০ টকা সালামী দিয়া লোক সকলেহে Seat পাইছে । অতি দুঃখৰ কথা যে শিক্ষক সকলেও সালামী দিবলৈ বাধ্য হৈছে । শুনা যায় ইনস্পেক্টৰ অফিচ সমূহত grant ৰ বিল বিলাক পাচ কৰিবলৈ হলে টকা দিব লাগে । নহলে কেৰাণী বিলাকে মূৰতুলিয়ে নাচায় । সন্মানিত হেড্ মাষ্টৰ চেক্ৰেটৰী সকল লাজত অফিচত যাব এৰিছে । যি অৱস্থাত শিক্ষাৰ নিছিনা এটা পবিত্ৰ অনুষ্ঠানতো যেতিয়া এই corruption সোমাল তেনে ক্ষেত্ৰত অকল আলোচনাৰ দ্বাৰাই ইয়াক নিৰ্মূল কৰিবপৰা হব বুলি মই নেভাবো । দুৰ্নীতি সম্পৰ্কে যিমান আলোচনা কৰা হয় সিমানেই দুৰ্নীতিৰ প্ৰচাৰহে হয় । আৰু লগে লগে দুৰ্নীতিৰ তিক্ততা কমি যায় আৰু লাহে লাহে ই সহজ স্বভাৱগত হৈ উঠে । আজি দেশৰ মানুহৰ দুৰ্নীতি এটা স্বভাৱগত ব্যৱস্থা হিচাবে ধৰিলোৱা যেন অনুমান হয় । যদি অন্যান্য বিষয়া সকলে দুৰ্নীতিৰ কাম কৰি থাকে, তেন্তে দুৰ্নীতি নিবাৰণ কামত ব্যস্ত থকা কৰ্ম্মচাৰী সকলেও সেই দুৰ্নীতিত লিপ্ত হব

পাৰে। যদি দুৰ্নীতিনিবাৰণ কৰ্ম্মচাৰীসকলও দুনীতিত লিপ্ত থাকে তেন্তে দুৰ্নীতি কেনেকৈ নিবাৰণ হব। দুৰ্নীতি নিবাৰণ কৰিবলৈ হলে দুৰ্নীতিৰ মূল কাৰণ বিচাৰিব লাগিব। দুৰ্নীতি কোনে কৰে কিয় কৰে? দুৰ্নীতি দুই শ্ৰেণীৰ মানুহে কৰে। এক শ্ৰেণীৰ হৈছে যিসকল ভোগ বিলাসিতাত লিপ্ত হৈ থাকে। আৰু আন শ্ৰেণীটো হৈছে ব্যক্তিগত ধন দৌলতৰ মালিকবোৰ লোভৰ প্ৰভাৱত পৰে। এই দুই শ্ৰেণীৰ মানুহৰ মাজৰ পৰা দুনীতি আতৰাবলৈ হলে ব্যক্তিগত সম্পত্তিৰ মালিকণা ৰদ কৰিবলৈ আইন কৰিব লাগে আৰু আনফালে যিবিলাক বিষয়াই ভোগ বিলাসত জীৱন যাপন কৰে তেখেতসকলক কামৰ পৰা অব্যাহতি দিব লাগে তেতিয়াহে কৰ্ম্মচাৰী সকলৰ মাজৰপৰা দুৰ্নীতি আতৰিব।

উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত মাননীয় বৰা দেৱে কৈছে যে আমাৰ আজি যিবিলাক শিক্ষাৰ ক্ষেত্ৰত বেমেজালি আছে সেইবিলাক দুৰ কৰিব লাগে। ৰাজ্যপালে তেখেতৰ ভাষণত কৈছে যে "শিক্ষাৰ ক্ষেত্ৰত নিয়োগ বজাৰত দেখা দিয়া অৱস্থাৰ লগতে ৰাজ্যখনৰ সামগ্ৰিক বিত্তীয় অৱস্থালৈ চাই গুণগত উন্নয়নৰ নীতি অনুসৰণ কৰি অহা হৈছে। মেৰে চৰকাৰে ক্ষিপ্ৰ সম্প্ৰসাৰণতকৈ বৰ্ত্তমানৰ প্ৰতিষ্ঠান সমূহ সংগঠিত আৰু উন্নত কৰাটোহে প্ৰয়োজনী বুলি বিবেচনা কৰিছে। প্ৰাথমিক প্ৰয্যায়ত অৱশ্যে অবিৰাম সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে"। মাননীয় শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী দেৱে এসময়ত কৈছিল যে আমাৰ এই শিক্ষা নীতিটো এটা বন্ধ্যা নীতি। আজি শিক্ষা আৰু নিয়োগৰ মাজত এটা বিৰাট অসামঞ্জতা দেখা গৈছে। এই নিয়োগৰ ব্যৱস্থা কৰিব নোৱাৰাৰ কাৰণে শিক্ষা-নীতি সংকোচ কৰিবলৈ বিচৰা হৈছে। কিন্তু শিক্ষাৰ ব্যৱস্থা ভাল নহলে প্ৰগতিশীল জাতি গঢ়িব নোৱাৰে। গতিকেই মই কওঁ যে শিক্ষাৰ নীতি সংকোচ কৰিব নোৱাৰি। আজি আৰ্থিক বিত্তিয় অৱস্থাত পৰিলেও লৰা-ছোৱালীক শিক্ষা বন্ধ কৰিব নোৱাৰো। লৰা-ছোৱালীক সাধাৰণ শিক্ষা দিয়াৰো এটা সাধাৰন Standard থাকিব লাগে। হয়টো Up to Matric লৈকে সকলো ল'ৰা-ছোৱালীয়ে শিক্ষা পোৱাৰ ব্যৱস্থা হব লাগে। কলেজ, বিশ্ববিদ্যালয়ৰ কথা বেলেগ। এই ক্ষেত্ৰত গুনগত উন্নয়নৰ ওপৰত গুৰুত্ব দিব লাগে। চেয়াৰমেন মহোদয়, আমাৰ টাউন বা গাওঁ অঞ্চলত যিবিলাক শিক্ষানুষ্ঠান আছে সেই বিলাকটো কোনো পাৰ্থক্য নাৰাখি সমপৰ্য্যায়ৰ সম সুবিধাৰ বন্ধবস্ত কৰিব লাগে। সাধাৰনতে

দেখা যায় টাউন, চহৰ অঞ্চলতকৈ গাওঁ অঞ্চলত স্কুল কম। আমাৰ বৰা দেৱে কৈ গৈছে যে এনে কিছুমান গাওঁ আছে যি বিলাকত L.P. School. মুঠেই নাই। এইটো দুঃখজনক ব্যৱস্থা অচিৰেতে সকলো গাওঁতে L.P. স্কুলৰ ব্যৱস্থা হব লাগে। প্ৰাথমিক শিক্ষা- বাধ্যতামূলক কৰিব লাগে। পাচপৰা গাওঁলীয়া অঞ্চলত কিছুসংখ্যক High School ৰাইজে গঢ়ি তুলিছে। প্ৰথমে Class VII, VIII লৈ খুলিবলৈ, শিক্ষা বিভাগে permision দিছে তাৰ পাচত Class IX, X খুলিছে কিন্তু permision বা গ্ৰান্ত নোপোৱাৰ ফলত হাই-স্কুল বিলাকৰ বেমেজালি সৃষ্টি হৈছে। শিক্ষাৰ মান বেয়া হৈছে। তাৰ ফলত পৰীক্ষাত ফেল কৰিছে। ফল স্বৰূপে আজি কালি আমাৰ গাওঁ বিলাকত এটা নতুন class ৰ সৃষ্টি হৈছে; সেইটো হৈছে Under Matric পাচ শ্ৰেণী। তেওঁ লোকৰ চাকৰি বাকৰি পাবৰও সুবিধা নাই আন কাম কাজত নিয়োগ হবলৈকেও অপাৰগ এই ল'ৰা বিলাকে গাওঁভূইত নিবনুৱা হৈ হাহাকাৰ কৰি ফুৰিব ধৰিছে। এই ল'ৰা বিলাকক নিয়োগৰ সুবিধা দিব লাগে তাৰ বাবে কৰ্ম্মসংস্থানৰ শিক্ষাৰ ব্যৱস্থা ও নিয়োগ সংস্থানৰ বাবে শিল্প আদি অনুষ্ঠান প্ৰতিষ্ঠা কৰিব লাগে, সুবিধা নোহোৱাৰ কাৰণে নিবনুৱা হৈ আছে। নহলে তেওঁলোকক খেতিৰ মাটি দি উন্নত ধৰণৰ খেতি কৰিবলৈ দিব লাগে। আমাৰ বৰপেটা মহকুমাত সি-বিলাক নিবনুৱা ডেকাক মাটি দিয়াৰ ক্ষেত্ৰত কোনো বিবেচনা কৰা হোৱা নাই। তেনে আঁচনি চৰকাৰে লব লাগে। সাধাৰন শিক্ষাৰ ক্ষেত্ৰত Higher Secon-dary Education Board এ এই Class IX, X লৈ শ্ৰেণী খোলা হাইস্কুল বিলাকক অতি সোনকালে permision দিব লাগে। দেখা যায় যে টাউন চহৰ বিলাকত ২ বিঘা মাটি থাকিলেই স্কুল খোলাৰ permision দিয়ে। কিন্তু গাওঁ অঞ্চলত ১০/১২ বিঘা মাটি দিব লাগে। আজি কালি গাওঁ অঞ্চল বিলাকতো মাটিৰ মূল্য বাঢ়িছে। বিঘাই প্ৰতি ৫/৬ হেজাৰ পৰ্য্যন্ত হৈছে। গাওঁ অঞ্চলত এখন হাইস্কুল খুলিবলৈ হলে মাটিত পৰে ৪০/৫০ হেজাৰ তাৰ পাচত Buil-ding কে ধৰি বহুত টকা খৰছ কৰিব লগা হয়গৈ ফল স্বৰূপে গাওঁলীয়া অঞ্চলত হাইস্কুল বিলাক উন্নতি লাভ কৰা হীন হৈছে গতিকে টাউন অঞ্চলত আৰু গাওঁ অঞ্চলৰ স্কুলৰ মাজত কৰা বৈষম্যমূলক নীতি অতি সোনকালে আঁতৰাই গাওঁলীয়া স্কুল বিলাক গঢ়ি উঠাৰ ব্যৱস্থা কৰিব লাগে।

ৰাজ্যপালৰ ভাষণত খাদ্যৰ উন্নয়নৰ কথা কৈছে । এই বছৰত ১৯.৮০ লাখ মেট্ৰিক টন খাদ্য উৎপাদন হব বুলি কৈছে । অৱশ্যে খাদ্যৰ কিছু উন্নতি হোৱাটো আমিও স্বীকাৰ কৰো। কিন্তু যি পৰিমানে খাদ্যৰ উন্নতি হব লাগে, সেই পৰিমানে হোৱা নাই । তাৰ কাৰণে "সাৰ আৰু সা-সজুলিৰ বৰ্দ্ধিত ব্যৱহাৰ, শস্য প্ৰতিৰক্ষাৰ প্ৰতি বাঢ়ি অহা জনপ্ৰীয়তা আৰু উচ্চ উৎপাদন শীল সঁচৰ খেতি কৰা মাটিৰ পৰিমান ক্ৰমাগত ভাৱে বৃদ্ধি পোৱা এই কথা স্পষ্ট হৈ পৰিছে"। আমাৰ খাদ্য শস্য দ্ৰুত গতিত বৃদ্ধি কৰিবলৈ হলে উপৰুক্ত কথা কেইটা কাৰ্য্যত পৰিণত কৰিব লাগিব নিশ্চয় । কিন্তু এই ব্যৱস্থা সমূহে আশাপ্ৰদ ফল দিব নোৱাৰে যদি জলসিঞ্চণৰ উপযুক্ত ব্যৱস্থা কৰা নহয় । যদি আমাৰ অন্যান্য অঞ্চলত সাৰ উন্নত বীজ আদি ব্যৱহাৰ লগত জলসিঞ্চণৰ কি ব্যৱস্থা হৈছে মই কব নোৱাৰো—মই বৰপেটাৰ মানুহ– আমাৰ বৰপেটাত কিন্তু এটাও জলসিঞ্চন আঁচনি লোৱা নাই । ফলত খাদ্যশষ্যৰ উৎপাদন ও বিশেষভাবে বঢ়া নাই যদি খাদ্য শস্য ইমানেই উৎপাদন হৈছে তেন্তে কিয় মাৰ্চ মাহতে ধানৰ দাম ৩০/৩২ টকা হল ? যেতিয়া মাৰ্চ মাহতে ধানৰ দাম ৩০/৩২ টকা হল; এই অৱস্থাত খাদ্য শস্য বাঢ়িছে বুলি মই কব নোৱাৰো । আমাৰ পঞ্চায়তৰ যি বিলাক ক্ষুদ্ৰ জলসিঞ্চনৰ আঁচনিৰ কথা কৈছে অৱশ্যে কত কি আছে মই নাজানো— কিন্তু আমাৰ বৰপেটা, নলবাৰী আদিত পঞ্চায়ত কোনো ক্ষুদ্ৰ জলসিঞ্চনৰ আঁচনিৰ ব্যৱস্থা দেখা নাই । সেই বোৰ অঞ্চলত খেতিৰ মাটি মানুহৰ সংখ্যা অনুপাতে বৰ কম হেতুকে খেতিয়কৰ অৱস্থা বৰ বেয়া। এইবোৰ অঞ্চলত খেতি মাটি প্ৰতেক পৰিয়ালত গড়ে ৩ বিঘাকৈ পৰে । তাতো সাৰ আদি প্ৰয়োগ কৰিলেও পানীৰ অভাবত খেতি ভালকৈ কৰিব নোৱাৰে গতিকে তাত খাদ্য-শস্য কেনেকৈ বৃদ্ধি হব । খেতিত পানী যোগানৰ ব্যৱস্থা পঞ্চায়তৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ দ্বাৰা যথেষ্ট হব নোৱাৰে । মজলীয়া আৰু বৃহৎ জলসিঞ্চনৰ আঁচনি আমি গ্ৰহন কৰিব লাগিব । বৰপেটা মহকুমাত দুটা Flow Irrigation ৰ আঁচনি চৰকাৰে লৈছে। কিন্তু আজি কেবাবছৰ ধৰি কাম কৰি থাকিও এই আঁচনি দুটা সম্পূৰ্ণ হোৱা নাই। ফলত জনসাধাধাৰণে তাৰ পৰা উপকৃত হব পৰা নাই। এই আঁচনি দুটা ক্ষিপ্ৰগতিত সম্পূৰ্ণ কৰি জনসাধাৰণক উপকৃত কৰিবলৈ চৰকাৰক অনুৰোধ জনালো। বৰপেটা মহকুমাত flow irrigation আঁচনিৰ সুবিধা খুব কম গতিকে

মহকুমাৰ অধিক অঞ্চল ঠাইতে Lift Irrigation ৰ ব্যৱস্থা কৰিব লাগিব। আজিলৈকে কোনো Lift Irrigation ৰ আঁচনি চৰকাৰে গ্ৰহন নকৰাৰ বাবে মই অতিশয় দুখিত আশাকৰো চৰকাৰে অতি সোনকালে বৰপেটা মহকুমাত Lift Irrigation ৰ আঁচনি কেইটামান গ্ৰহন কৰি জনসাধাৰনক খাদ্য শষ্যৰ উৎপাদন বৃদ্ধি কৰাত সহায় কৰি জনসাধাৰণৰ জৰাজীৰ্ণ আথিক অৱস্থা উন্নত কৰাত সহায় কৰে।

**Shri Sarat Chandra Rava** : মাননীয় চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষনত হে যোৱা কেইটামান ঘটনাৰ কথা উল্লেখ কৰি চালুকীয়া লৰাছোৱালীক নিচুকনি দিয়াৰ যি ব্যৱস্থা তাকেই সদনত দাঙি ধৰিছে। শেষত কৈছে যে সুন্দৰ অসম গঢ়াৰ কাৰণে সকলোৰে ঐক্যবদ্ধ হব লাগে। কিন্তু কেনেকৈ সুন্দৰ অসম গঢ়িব আৰু কেনেকৈ দেশবাসী ঐক্যবদ্ধ হব তাৰ কোনো উপায় দিয়া নাই। আমাৰ ৰাজ্যখনৰ শতকৰা ৮০ ভাগেই খেতিয়ক; তেওঁলোকক যদি তেওঁলোকে পাবলগীয়া সকলো প্ৰকাৰে অবহেলিত ভাবে ৰখা হয় আৰু তেওঁলোকে সা-সুবিধা নেপায়; তেওঁলোকে যদি সকলো নিৰ্য্যাতন ভোগ কৰিবলগীয়া হয় আৰু তেওঁলোকৰ ওপৰত যদি সকলো প্ৰকাৰৰ শোষণ চলি থাকে তেতিয়াহলে কেনেকৈ দেশখনৰ উন্নতি হব। এই ক্ষেত্ৰত মই কেইটামান কথা কব খুজিছোঁ যে ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কোনো ৰকম আলোচনা নকৰাকৈ একচনীয়া মাটি বিলাক ম্যাদী কৰাৰ ক্ষেত্ৰত ৫ টকাৰ প্ৰিমিয়ামৰ ঠাইত ৫০ টকা কৰিছে আৰু এইদৰে ৰাজ্যখণ্ডৰ শতকৰা ৮০ ভাগ খেতিয়কৰ ওপৰত নিষ্ঠুৰ নিষ্পেষণ চলোৱা হৈছে। এই দৰে হলে ভূমিহীন খেতিয়ক, গৰীব খেতিয়কৰ ভূমিৰ সমস্যা কেনেকৈ সমাধান হব আৰু দেশখনৰ কেনেকৈ উন্নতি সাধন হব। এই ক্ষেত্ৰত বিশেষকৈ গোৱালপাৰা জিলাৰ জমিদাৰী অধিগ্ৰহণৰ পিচত ৰায়ত সকলৰ চিৰস্থায়ী বন্দবস্তি উঠাই দিলে তাৰ পিচত ৰায়ত সকলক পুন: বন্দবস্তৰ নামত যি জৰীপ কাৰ্য্য চলিল সেই কাৰ্য্য অসংখ্য ভুল গন্দগোল বিবাদ আদি বৈ যোৱাত তাৰ খেতিয়ক সকলৰ ভুমি সমস্যা আজিও সমাধান নহল। এই সম্পৰ্কত আমি ১৯৫৯ চনৰ পৰা কৈ আহিছোঁ। ১৯৬৩ চনত মাটিৰ শুদ্ধ মেপ শুদ্ধ ৰেকডপাতি বুলি চৰকাৰে কাম চলাই গৈছিল, কিন্তু ৫ বছৰৰ পিচত ১৯৬৭

চনত এই বিধান সভাত কঠোৰ সমালোচনা হোৱাত চৰকাৰে পুনৰ বিবেচনা কৰিব লগা হল আৰু তদন্ত ক্ৰমে ভুল জৰীপ ভুল ৰেকৰ্ডপাতি বুলি স্বীকাৰ কৰি খেতিয়ক ৰাইজক পুনৰ আপত্তি দাখিলৰ সুযোগ দিলে। সেইমতে তেওঁ-লোকে ৰাজহ বিভাগৰ কৰ্ম্মচাৰীক যি আবেদন নিবেদন কৰিবলগীয়া হৈছে, তাৰপৰা কোনো প্ৰতিকাৰ ৰাইজে পোৱা নাই। দৰ্খাস্তৰ পিচত দৰ্খাস্ত কৰিছে আৰু ৰাজহ বিভাগৰ কৰ্ম্মচাৰী সকলেও শুনানীৰ কাৰণে তাৰিখৰ পাছত তাৰিখ দি process টো দীঘলীয়া কৰি শেষত দখাস্তবোৰ পৰীক্ষা নকৰাকৈ সকলো বিলাক নাকচ কৰিছে। এইদৰে হাজাৰ হাজাৰ লোক মাটিৰ স্বত্ব পোৱাৰ পৰা বঞ্চিত হৈছে। ভুল জৰীপৰ ফলত সাতাম পুৰুষীয়া তৌজিৰ মাটি খাচ পৰিছে আৰু খাচ মাটিত যিবিলাক মানুহ বসবাস কৰি আছে, সেই বিলাকক বেদখলকাৰী বুলি অভিহিত কৰি তেওঁলোকক শোষন কৰাৰ ব্যৱস্থা কৰিছে। এইদৰে গোৱালপাৰা জিলাৰ ভূমি সংশোধন ক্ষেত্ৰত ভেকো-ভাওনা চলিছে। এই ক্ষেত্ৰত ৰাজহ বিভাগৰ কৰ্ম্মচাৰীয়ে গাওঁবোৰত Camp পাতি ৰাইজৰ আবেদন গ্ৰহণ কৰি ফিলডত সংশোধন কৰিব লাগিছিল। কিন্তু বাস্তৱত দেখা গৈছে ৰাজহ বিভাগৰ circle অফিচত কিছুমান সমাজ বিৰোধী লোকৰ দ্বাৰা নানান সুবিধা লৈ ৰাইজক শোষন কৰিছে। ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে ফিলডত camp কৰি case বিলাক Dispose কৰাৰ নিৰ্দ্দেশ দিছিল বুলি যি কথা কৈছে সেইমতে ৰাজহ বিভাগৰ circle অফিচ বিলাকে কাম কৰা নাই, এইটো বৰ দুখৰ কথা আৰু তেওঁলোকৰ এই নিন্দনীয় শোষন কাৰ্য্য অনতি পলমে বন্ধ কৰিব লাগে। চৰকাৰৰ এই শিথিল অৱস্থা আৰু কাৰ্য্যৰ মাজত গোৱালপাৰা জিলাৰ ভূমিহীন খেতিয়ক সকলৰ ভুমি সমস্যা জটিলতৰ হৈ উঠিছে আৰু মণ্ডল কানুনগু সকলে খেতিয়ক সকলৰ ওপৰত কৰা অত্যাচাৰ শোষন জুলুমৰ মাত্ৰা বৃদ্ধি হৈছে।

(সময়ৰ সংকেত)

তাৰ ফলত হাজাৰ হাজাৰ খেতিয়ক সকলৰ মাজত বিক্ষোভৰ সৃষ্টি হৈছে। আৰু এটা কথা অসমৰ ভূমিহীন খেতিয়ক সকলে যোৱা বছৰৰ বাজেট অধি-বেশনত মাটিৰ দাবী কৰি এশ দেৰশ মাইল খোজকাঢ়ি তালি তোপলা কান্ধত লৈ খোজ কাঢ়ি কাঢ়ি আহি বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিছিল।

খেতিয়কৰ এই ঐতিহাসিক ঘটনা ৰাজ্যপালৰ ভাষনত উল্লেখ নাই। সিদিনা মুখ্যমন্ত্ৰী চলিহাই বিক্ষোভকাৰী খেতিয়ক সকলৰ আগত ওলাই এই ২২ বছৰে যে খেতিয়ক সকলৰ মাটিৰ সমস্যা সমাধান কৰিব পৰা নাই এই কথা দুখেৰে সৈতে স্বীকাৰ কৰে আৰু কিছু কৰা হব বুলি কৈছিল; কিন্তু দুখৰ কথা আজিলৈকে একো নহল আৰু তেওঁলোকৰ উচ্ছেদ কাৰ্য্য আজিও চলি আছে। যিবিলাক মানুহৰ বাৰীত পান-তামোল বাঁহ কল ফচল আছে সেইবিলাক মানুহ বাসকৰা ভূমি কেনেকৈ খাচ হব পাৰে আৰু তেওঁলোকক কেনেকৈ বে-দখলকাৰী বুলি অভিহিত কৰিব পাৰে। গতিকে তেওঁলোকে বাস কৰি থকা মাটি বিলাক তেওঁলোকেই পাব লাগে। কিন্তু দুখৰ কথা তেওঁলোকক সেই বিলাক মাটিৰ পট্টন দিয়া হোৱা নাই।

(সময়ৰ সংকেট)

তাৰ পাছত চৰকাৰে ১০/১২ বিঘা মাটি এটা পৰিয়ালক দিয়াৰ যি নীতি কৰিছে সেইটো যদি গোৱালপাৰা জিলাত প্ৰয়োগ কৰা হয়; তেনেহলে তাৰ খেতিয়ক সকলৰ মাজত বহুতো অসুবিধাৰ সৃষ্টি হব। কাৰণ জমিদাৰী আমোলেৰে পৰা যিবিলাক মাটি ভোগ দখল কৰি খাই আহিছে অথচ চেট্‌লমেন্ট জৰিপত নঠিপত্ৰ হোৱা নাই তেনে অৱস্থাত ১০/১২ বিঘাৰ নীতি প্ৰয়োগ কৰা হলে কাৰ দখলী মাটিত কাক দিয়া হব? তাৰ ফলত আইন শৃঙ্খলা ভঙ্গ হোৱাৰ সম্ভাৱনাই পৰিস্কাৰকৈ দেখা দিয়ে।

তাৰ পাছত বকো থানাৰ অন্তৰ্গত শামুকা গাৱঁত যি এম, ভি স্কুল আছে তাত চৰকাৰৰ পৰা আৰ্থিক মঞ্জুৰী পোৱা নাই গতিকে ৰাইজে তাৰে কাষত থকা গছ স্কুল ঘৰ সাজিবৰ বাবে ললে কোন দায়ী হব? হাহিম ফৰেষ্ট বিট অফিচৰ গাৰ্ডে হাবিত শাল ধুনা বুতলি থকা এজন মানুহক পহু বুলিয়ে নে কটাচোৰ বুলি বন্দুকেৰে গুলি কৰে। তাৰ ফলত সেই মানুহজন হাবিত পচি থাকে। বৰ দুখৰ কথা সেই মানুহজনে ৭-টা গুলি খাই পৰি আছিল। সাতটা গুলি খোৱাৰ পিচতো মানুহজন মৰা নাছিল। তাৰ পাচত ৰাইজে তেওঁক হাহিম State Dispensary লৈ অনা হ'ল। Dispensary ৰ পৰা থানালৈ পঠোৱা হ'ল তাৰ পাচত তেওঁক বকো Hospital লৈ অনা হ'ল। Hospital ত কলে যে গুলি উলিয়াব নোৱাৰে। গুৱাহাটী Medical College লৈ নিব

লাগিব। তেতিয়া দাৰোগাই Forest Ranger লগত ইংৰাজীতে কিবা কথা কলে আৰু বকোৰ ডাক্তৰে বাহিৰলৈ ওলাই নাহিল। গুলি খোৱা জখমী লোকৰ কোনো চিকিৎসা নিদিলে। বাৰান্দাতে গোটেই ৰাতি পৰি কটালে।

(সময়ৰ সংকেট)

পিচদিনা গুৱাহাটী Medical College Hospital লৈ আহিল। প্ৰথম দিনা Principal নাই বুলি নাৰাখিলে। তাৰ পাচতো কেইবাদিনো আহিল কিন্তু সময় নাই বুলি নানান অজুহাত দেখুৱাই ধমকি দি খেদি দিছিল। ইয়াৰ পৰা এই-টোৰেই প্ৰমান হৈছে যে ইয়াত এটা ষড়যন্ত্ৰ নিহিত হৈ আছে। কাৰণ কাঠ চুৰি কৰা মানুহক আজিলৈকে গুলি কৰা নাই। যিজন ফৰেষ্ট গাৰ্ডে মানুহজনক গুলি কৰি জখম কৰিলে তাক আজিলৈকে গ্ৰেপ্তাৰ কৰা নাই। বৰং বকো থানাৰ দাৰোগা পুলিচে সেই শামুকা বকোৰপৰা গাওঁলৈ গৈ গাওঁলীয়া ৰাইজৰ পৰাহে ৫০০ টকা (পাচশ) দাবী কৰিছিল বোধ কৰো এই ঘোচৰ টকা নিদিয়াৰ ফলতেই আজিও গাৰ্ডজন এৰেষ্ট নহল আৰু জখমীজনেও আজিলৈকে মেডিকেল চিকিৎসা নাপালে।

Mr. Chairman : আপোনাৰ ১২ মিনিট হৈ গল।

Shri Sarat Rava : যদি এই ৰকমৰ ঘটনা হৈ থাকে তেতিয়াহলে কেনেকৈ এখন সমৃদ্ধিশালী অসম গঢ়িব। সেই কাৰণে মই চৰকাৰক আহ্বান জনাও যে এনেধৰণে থাকিলে এখন সমৃদ্ধিশালী অসম হব নোৱাৰে।

Shri Pitsing Konwar : মাননীয় অধ্যক্ষ মহোদয়, আজি চাৰি বছৰ ধৰি বাজেট অধিবেশন পাৰ হৈ গ'ল। প্ৰতি অধিবেশনত ডাঙি ধৰা ৰাজ্যপালৰ ভাষণ পঢ়ি চাইছো, তেখেতৰ ভাষণত কেইটামান কথা সদায় পুনৰাবৃত্তি কৰা হৈছে। যেনে বিজুলী শক্তিৰ দ্বাৰা বড়ো খেতি কৰা, যমুনা Irrigation Scheme; চুকলা Irrigation Scheme, পাত্ৰদিচা Irrigation Scheme হাৰকুটি Irrigation Scheme ইত্যাদিৰ কথা বহৰে বছৰে ৰাজ্যপালৰ ভাষনত উল্লেখ কৰা দেখা যায়। কিন্তু আমাৰ Flood Control বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কপিলী নদীৰ পৰা খাল খান্দিলে, সেই কথা ইয়াত উল্লেখ নাই। ইয়াৰ পৰা বুজিব পৰা যায় ৰাজ্যপালৰ ভাষনখন কেৰাণী বা অফিচাৰে আগৰ বছৰৰ ভাষনকে পুনৰাবৃত্তি কৰি লিখি দিয়ে। আমাৰ পৰামৰ্শ বিলাক মুঠেই উল্লেখ কৰা নাই।

কিতাপখনত আকৌ এটা কথা চাৰি বছৰে পুনৰাবৃত্তি কৰিছে সেইটো হৈছে প্ৰশাসনীয় ব্যৱস্থা সংশোধন হব লাগে। মাননীয় সদস্য শ্ৰীফনী বৰাই কৈছে যে দেশৰ উন্নতিৰ কোনো প্ৰচেষ্টাই চলা নাই। আমাৰ দেশৰ প্ৰশাসনীয় যন্ত্ৰত কোনো সাল-সলনি হোৱা নাই যাৰ ফলত দেশৰ উন্নতিৰ কাম মন্থৰ গতিত চলিব ধৰিছে।

প্ৰশাসনীয় ব্যৱস্থাৰ ত্ৰুটীৰ কাৰণে এগৰাকী মন্ত্ৰীয়ে তদন্ত কমিটিৰ সন্মুখীন হবলগা হৈছে। এইটো কিয় হবলগা হৈছে। প্ৰশাসনীয় ব্যৱস্থাৰ কোনো ৰকম উন্নতি হোৱা নাই। আমি দেখিবলৈ পাইছো বিভাগীয় কৰ্তৃপক্ষই স্বাভাৱিক গতিত কাগজ-পত্ৰ নোপোৱাৰ কাৰণে টকা পইচা বিলাক Lapse হৈছে। Finance Department এ টকা বালিচৰ তলত বহি থাকে ; Finance লৈ এতিয়া Proposal বিলাক ঘুৰাই দিয়াতে ব্যস্ত থাকে। জানুৱাৰী মাহত টকা নিদি মাৰ্চ মাহৰ শেষ ভাগত বাকচৰ দুৱাৰ খুলি টকা উলিয়াই দিয়ে। তেতিয়া কৰ পৰা টকা আহে কব নোৱাৰো। Co-operative মন্ত্ৰীৰ ৯ লাখ টকা Lapse হৈ গল। Schedule caste ৰ একলাখ Tribal ৰ ডেৰলাখ টকা নাশ হ'ল। এনেকুৱা প্ৰশাসনীয় ব্যৱস্থাত দেশৰ কি উন্নতি হব ? আপোনালোকে চাওক আমাৰ এই Scheduled caste আৰু Scheduled Tribe ৰ মানুহ-বিলাকৰ উন্নতিৰ কাৰণে আজি দহ বছৰৰ কাৰণে ভাৰত চৰকাৰৰ আৰু অসম চৰকাৰে সঙ্কল্প গ্ৰহণ কৰিছে। কিন্তু চৰকাৰে যি মন্থৰ গতিত কাম আৰম্ভ কৰিছে তাক দোহাৰি নকলেও হয়। ১৯৭০ চনৰ কাৰণে বছৰি প্লেনৰ টকাৰ কাৰণে দিল্লীৰ পৰা অফিচাৰ আহে, এইবাৰো আহিছিল। Planning Development Officer এ এক কোটি পাঁচলাখ টকা ঠিক কৰিলে। কিন্তু অফিচাৰৰ লগত আলোচনা কৰিবলৈ কোনো অফিচাৰ নাই। মিশ্ৰ নামৰ এজন অফিচাৰৰ লগত আলোচনা হ'ল। পৰিতাপৰ কথা তেখেতে একো কথাই নাজানে আৰু কোনো কথাই দাঙি ধৰিব নোৱাৰে। তেতিয়া দিল্লীৰ প্লেনিং অফিচাৰজনে কলে আপোনালোকৰ ইমান টকাৰ প্ৰয়োজন নাই। গতিকে বাকী টকা বিলাক নামঞ্জুৰ কৰি কেৱল ৮৭ লাখ টকাহে Plan ত ধৰে। এইধৰণে দেশৰ কি উন্নতি হব পাৰে ? এইবিলাক ভাৱিবলগীয়া কথা। এইদৰেই যদি কাম চলি থাকে তেন্তে দেশৰেই বা জাতিৰেই কেনেকৈ উন্নতি হব ? তাৰপিচত দিল্লীত এখন মিটিং

এখন বহিলে Backward ৰ Dispensary ৰ কাৰণে। কিন্তু অসমচৰকাৰৰ পৰা এজনো অফিচাৰ তালৈ নগল। এইধৰণে কেনেকৈ জাতিৰ উন্নতি হব ? এইটো বৰ বেয়া কথা হৈছে। পিচপৰা জাতিৰ সা-সুবিধাৰ কাৰণে Back-ward Sector ৰ শিতানত টকা থাকে। তাত গৈ অসুবিধা সমূহ দাঙি ধৰি এই টকা-খিনি আনিব পৰা যায়।

তাৰপিচত ৰাজ্যপালে কৈছে ৰাস্তাপদূলিৰ ব্যৱস্থা, ডাক্তৰখানাৰ ব্যৱস্থা আটাংবোৰ হাতত লোৱা হৈছে। এইবোৰৰ কিধৰণে ব্যৱস্থা কৰিব কব নোৱাৰো। তাৰপিচত M.E. School এখনৰ Building grant ৰ বাবে পাচশ টকা দিলে Scheduled Tribal ৰ কি উন্নতি হব ? তাৰপিচত ব্ৰহ্মপুত্ৰ কমিচন কৰিয়েই আছে। এতিয়া বাৰিষা আহিব ধৰিছে। মায়ঙত হাহাকাৰ হব। মায়াঙৰ ৰিং বান্ধটো এতিয়ালৈকে কৰা নাই। কমিচনলৈ ৰৈ থাকোতে এই মানুহ বিলাকৰ অৱস্থা বৰ শোচণীয় হৈ গৈছে। কিমান গৰু মৰিল ঘৰ-দুৱাৰ ভাঙিলে তাৰ কোনো হিহাব নিকাশ নহল আৰু তাৰ প্ৰতিকাৰৰো কোনো ব্যৱস্থা নাই। এতিয়া কৃষি ঋণ দিয়া হৈছে। প্ৰশ্ন সুধিছো যিসকল মানুহে প্ৰকৃততে কৃষি ঋণ পাব লাগিছিল তেওঁলোকে কৃষি ঋণ নেপালে। যিসকল লোকৰ ঘৰত ওচৰলৈকে বানপানীয়েই গৈ পোৱা নাই তেওঁলোকেহে কৃষি ঋণ পালে। মই ভাবো আমাৰ চৰকাৰে সকলোবিলাক বিষয়তে একোটা বাস্তৱ দৃষ্টিভঙ্গি লৈ কাম কৰিলে প্ৰকৃতপক্ষে মানুহৰ অৱস্থাৰ উন্নতি হব।

গৰু কিনিবলৈ বুলিও কৃষি ঋণ লৈছে।

( Voice—নাম কি ? ) মোৰ সমষ্টিৰ "মৰিগাৱৰ" ভিতৰতে।

এতিয়া নাম নকও। পিচত হাল নোবোৱা মানুহেও কৃষি ঋণ পাইছে। গতিকে মন্ত্ৰী মহোদয়ে এইবিলাক চাব লাগে।

( সময়ৰ সঙ্কেত )

টকা পইচা ঠিকমতে বিলি হয় আৰু Lapse হৈ নাথাকে তাৰ প্ৰতি চোকা নজৰ দিবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Shri Md. Azad Ali : মাননীয় সভাপতি মহাশয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত কবলৈ গৈ মই কব খুজিছো যে আজি মেঘালয় ৰাজ্য গঠিত হোৱাৰ

*Speech not corrected

পিচতো নগালেণ্ড আৰু অসমৰ নিচিনা অৱস্থা নকৰি মিলাপ্ৰীতিৰে থাকিলেহে আমাৰ অৱস্থা উন্নত কৰিব পৰা যাব।

সভাপতি মহোদয়, আজি অসমত চলি থকা বৈষম্যমূলক নীতি আঁতৰ নকৰিলে আমাৰ দেশৰ উন্নতিৰ আশা কৰিব পৰা নাযাব। অসমত বহুত কুটনীতি সোমাইছে। এই কুটনীতি আৰু দুৰ্নীতি আঁতৰ কৰিবলৈ মই চৰকাৰক দাবী জনাওঁ।

আজি plan বিলাক নামতহে কৰে কিন্তু কামত একো নহয়। ইয়াৰ ফলত অযথা টকা খৰচ হয়। কোনো কামতেই আগবঢ়া নহয়। আজি বৈষম্য মূলক নীতিয়ে গোৱালপাৰা জিলাতেই প্ৰাধান্য লাভ কৰা দেখিবলৈ পাইছো। কি শিক্ষা, কি উদ্যোগ, কি স্বাস্থ্য কি ৰাস্তাঘাট সকলো ক্ষেত্ৰতে গোৱালপাৰা জিলা পিচপৰি আছে। বহুত Venture High School আছে কিন্তু কোনো Grant আদি দিয়া হোৱা নাই। এই বিলাক চাবলৈ চৰকাৰক দাবী জনালো। স্কুলঘৰ ঠিক নহলে শিক্ষাৰ সম্প্ৰসাৰন কেনেকৈ হব পাৰে ভাবি নাপাওঁ। ২/৩ জন শিক্ষকে ৩ শ লৰা ছোৱালীক কেনেকৈ পঢ়াব পাৰে ?

(সময়ৰ সংকেত)

Mr. Chairman : Two minutes.

Shri Md. Azad Ali : আজি গোৱালপাৰা জিলা শিক্ষাৰ ক্ষেত্ৰত বৰ পিচপৰি আছে। গোৱালপাৰা জিলাই স্বায়ত্ব শাসন দাবী কৰাৰো ইয়েই মূল কথা। কিয়নো এই জিলা চৰকাৰৰ দ্বাৰা অবহেলিত ভাবে পৰি আছে। কি উদ্যোগ কি শিক্ষা গোৱালপাৰাত একোৰেই হোৱা নাই। সেয়ে গোৱালপাৰা জিলাৰ মানুহৰ ক্ষোভ প্ৰকাশ কৰিছো। গোৱালপাৰাৰ অনুন্নত অঞ্চল সমূহৰ প্ৰতি চকু দিবলৈ মই চৰকাৰক দাবী জনানো ; ই ৰাইজৰ দাবী।

গতিকে ইয়াৰ পৰাই বুজা যায় যে গাৱলীয়া মানুহৰ মনত যি ক্ষোভৰ ভাৱ চলি আছে এই ক্ষোভ আৰু হতাশাৰ ভাব অচিৰে দূৰীকৰণ কৰিব পৰাৰ কাৰণে কাৰ্য্যকৰী পন্থা লোৱা চৰকাৰৰ অৱশ্য কৰ্ত্তব্য। আৰু সেয়ে কৰিব নোৱাৰিলে বিভিন্ন অঞ্চল সমূহত হতাশা নৈৰাশ্যৰ পৰা প্ৰকাশ পোৱা এই ক্ষোভৰ কাৰণেই দেশৰ আইন শৃঙ্খলাৰ পৰিস্থিতি উন্নত কৰাত এই কংগ্ৰেছ চৰকাৰ বাধাপ্ৰাপ্ত হব লাগিব।

মহোদয়, হিন্দী শিক্ষাৰ প্ৰচাৰৰ ক্ষেত্ৰটো মই অলপ উনুকিয়াব খুজিছো। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সদায় প্ৰেৰনাদি আহিছে। কিন্ত ৰাজ্য চৰকাৰৰ কিছুমান শিথিলতাৰ কাৰণে ই বেছি অগ্ৰসৰ হব পৰা নাই। হিন্দী শিক্ষকৰ কাৰণে প্ৰায় এহেজাৰ দৰখাস্ত পৰি আছে। ১৯৬৯-৭০ চনৰ কাৰণে হিন্দীৰ প্ৰচাৰৰ কাৰণে ৭ লাখ টকাৰ Sanction আহিছিল। তাৰে ভিতৰত যিখিনি টকা থাকিল তাৰ বাকীখিনি কেন্দ্ৰীয় চৰকাৰৰ পৰা লৈ আকৌ কেন্দ্ৰীয় চৰকাৰকেই দিয়া হল। অথচ এহেজাৰ হিন্দী শিক্ষকৰ দৰখাস্ত পৰি থকাতে থাকিল। ২।৩।৪ বছৰেও শিক্ষকে দৰ্মহা নেপাই আৰু হিন্দীৰ প্ৰচাৰো সীমিত হৈয়েই থাকিল। গতিকে চৰকাৰক মই অনুৰোধ কৰো যেন হিন্দীৰ প্ৰচাৰৰ ক্ষেত্ৰত এই বৈষম্যবিলাক দুৰ কৰাৰ কাৰণে প্ৰচেষ্টা হাতত লয়।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাৰ সম্বন্ধেও কিছু কব খুজিছো। আজি ২০।২২।২৩ বছৰ বয়সৰ বা তাৰো উৰ্দ্ধৰ যুৱক বিলাকে M. A., B. A Medical, Engineering বা তেনে কোনো অৰ্হতা সম্পন্ন পৰীক্ষা আদি পাচ কৰিও চাকৰি বাকৰি বিছাৰি অনাই-বনাই ঘুৰি ফুৰা দেখিবলৈ পোৱা যায়। অথচ তেওঁলোকৰ কাৰণে কোনো চাকৰীৰ সংস্থান নাই। চৰকাৰৰ নিয়মমতে প্ৰাৰ্থীৰ ২৫ বছৰ উকলি যোৱাৰ পিছত আৰু কোনো চৰকাৰী চাকৰীত সোমাব নোৱাৰে। অদূৰ ভৱিষ্যতে এই নিবনুৱা সকলক চাকৰি বাকৰিৰ কিবা সু-বন্দোবস্ত কৰি দিব পাৰিবনে নোৱাৰে কব নোৱাৰো কিন্তু এই নিবনুৱা ডেকালৰা বিলাকৰ যাতে চাকৰীৰ বয়স কিছু শিথিল কৰি দিয়াৰ বন্দোবস্ত কৰিব প'ৰে তাৰ কাৰণে চৰকাৰক এটা পৰামৰ্শ দিওঁ। চাকৰিৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত বয়সৰ সীমা ২৫ বছৰৰ পৰিবৰ্ত্তে ৩০ বছৰলৈ বঢ়াই দিয়াৰ এটা ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই মই ৰহিলো।

Shri Giasuddin Ahmed : মাননীয় চেয়াৰমেন মহোদয়, ৰাজ্যপালে তেখেতৰ ভাষণত পুৰণি ঐতিহ্য অনুযায়ী চৰকাৰৰ ঢোল কোবালে। কিন্তু বৰ পৰিতাপৰ কথা অতি লাগতিয়াল আৰু গুৰুত্বপূৰ্ণ কিছুমান কথা তেখেতৰ ভাষণত উল্লেখ কৰা হোৱা নাই। আজি আমি কি দেখিবলৈ পাইছো? যিটো আমাৰ প্ৰশাসনীয় ব্যৱস্থা এই প্ৰশাসনীয় ব্যৱস্থাটোৰ ভিতৰত কেৰোণে ধৰাৰ কাৰণে, হাজাৰ ৰকমৰ

ত্ৰুটি-বিচ্যুতিৰ কাৰণে কিছুমান ভাল ভাল আঁচনিত কাৰ্য্যকৰী কৰিব পৰা নাই। আজি আমি আমাৰ এই প্ৰশাসনীয় যন্ত্ৰটোৰ ভিতৰত নৈতিকতাৰ অভাৱ দেখিবলৈ পাইছো। এটা কথা আমাৰ মাননীয় সদস্য শ্ৰীফণী বড়া ডাঙৰীয়াইও কৈছে যে মন্ত্ৰীসকলৰ সকলো কথাতেই আমি সাধাৰণতে দেখা পাও যে নৈতিকতাৰ বৰ অভাৱ। চৰকাৰী কৰ্ম্মচাৰী সকল আৰু চৰকাৰৰ মন্ত্ৰী সকলৰ ভিতৰত প্ৰাৰ্থক্য আছে। কৰ্ম্মচাৰী সকল চাকৰি কৰিবলৈ আহিছে আৰু চাকৰিৰ ক্ষেত্ৰত তেওঁলোকৰ কোনো ত্ৰুটি হলে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা হাতত লব পাৰি। কিন্তু যেতিয়া প্ৰশাসনৰ বৰমূৰীয়া মন্ত্ৰীসকলেই ভুলকৰে বা ৰাইজৰ স্বাৰ্থৰ হকে কাম কৰাত ব্যৰ্থ হয়—উপযুক্ত তদন্তৰ পিছত যদি এইটো খাটাং ভাৱে প্ৰমাণিত হয় আৰু নিজেও বুজিব পাৰে তেন্তে সেই মন্ত্ৰীয়ে পদত্যাগ কৰাই উচিত। এনেকুৱা উদাহৰণ বহুতো আছে। যেতিয়া স্বৰ্গীয় প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰী ৰেলমন্ত্ৰী আছিল তেতিয়া ঘটা এটা ৰেল-দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত স্বইচ্ছাই নিজৰ ভুল বুজিব পাৰি ৰেল মন্ত্ৰী হিচাবে গদত্যাগ কৰা কথাটো কাৰো অবিদিত নহয়। আৰু এটা উদাহৰণ উল্লেখযোগ্য যে কিলাৰ নামৰ এজনী ছোৱালীৰ লগত গণ্ডগোল খন কৰি যেতিয়া ৰাইজৰ চকুত হেয় প্ৰতিপন্ন হয় আৰু নানান বাদানুবাদ আৰু সমালোচনাৰ সন্মুখীন হব লগা হয় তেতিয়া ইংলণ্ডৰ প্ৰতিৰক্ষা মন্ত্ৰী Profumeo ই সেই একে পন্থাকেই নিজৰ বিবেকৰ তাড়নাত অনুসৰণ কৰিবলৈ বাধ্য হৈছিল। পদত্যাগ নকৰিলেহেঁতেন যদি নৈতিকতাৰ ফালৰ পৰা এইটো কোনো দোষনীয় কথা নহলহেঁতেন। কিন্তু অতি দুখৰ কথা যে উপযুক্ত তথ্য-পাতিৰে অভিযোগ প্ৰমাণিত হোৱাৰ পিছতো আমাৰ Agriculture আৰু Cooperative দপ্তৰৰ মন্ত্ৰী মহোদয় জনে পদত্যাগ কৰা নাই। সম্পূৰ্ণৰূপে প্ৰমাণিত হৈ গল যে তেখেতে সাংঘাতিক ৰকমৰ অন্যায় কৰিছে অথচ তেখেতে পদত্যাগ নকৰিলে।

Shri Mahendra Monan Chaudhury : Sir, the matter has been referred to a Committee and it is under consideration of that Committee. Therefore, how can the hon. Member make a reference to that ?

Mr. Chairman : The hon. Minister for Parliamentary Affairs is perfectly correct. Since the House has referred the

matter to a Committee to investigate into the matter, I wish the hon. Members would refrain from making any reference to that matter.

Shri Giasuddin Ahmed : চেয়াৰমেন মহোদয়, প্ৰশাসনিক দুৰ্ব্বলতা আৰু ত্ৰুটিৰ সম্বন্ধে আলোচনা কৰিবলৈ গৈয়েই মই এই কথাটো অৱতাৰনা কৰিবলৈ বাধ্য হৈছোঁ। অৱশ্যে মন্ত্ৰীজনৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱৰ বিষয়টোৰ উপযুক্ত তদন্তৰ বাবে এখন কমিটি গঠন কৰা হৈছে। কথাটো ভাল কথা হৈছে। কিন্তু যদি নৈতিকবল থাকিলেহেতেন মন্ত্ৰীগৰাকীয়ে এনেকুৱা গুৰুতৰ অভি-যোগৰ পৰিপ্ৰেক্ষিতত কেতিয়াবাই পদত্যাগ কৰিলেহেতেন। কিন্তু নকৰিলে আমি ভাৱো যে গোটেই মন্ত্ৰীসভাই নৈতিকতা হীন হৈ পৰিছে যাৰ ফলতেই আজি প্ৰশাসনৰ এই দুৰৱস্থা পৰিলক্ষিত হৈছে আৰু কিছুমান অতি ফলপ্ৰদ আঁচনিও কাৰ্য্যক্ষেত্ৰত কৃতকাৰ্য্য হব পৰা নাই।

চৰকাৰে ঘোষণা কৰিছে যে মাটিহীন মানুহক মাটি দিব লাগে। তেখেত সকলৰ কথা মতেই গোটেই অসমজুৰি মাটিহীন মানুহৰ তালিকা প্ৰস্তুত কৰিব লাগে। বেছ ভাল কথা হৈছে—মাটিহীন মানুহক মাটি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব খুজিছে। কিন্তু কাৰ্য্যক্ষেত্ৰত যি ঘটিছে সেইটো এই চৰকাৰে Note কৰি লোৱাই উচিত হব। মাটিহীন মানুহৰ তালিকা প্ৰস্তুত কৰিবলৈ দিয়া হৈছে পঞ্চায়ত বোৰক কিন্তু এই মাটিহীন মানুহৰ তালিকা প্ৰস্তুত কৰোতে পঞ্চায়ত প্ৰেসিডেণ্ট সকলে এটা সাংঘাটিক পৰিস্থিতিৰ সৃষ্টি কৰিছে। তালিকা কেনেকৈ প্ৰস্তুতি চলিল চাওঁক—এজন মানুহৰ হয়তু ১০০বিঘা মাটি আছে; কিন্তু এই ১০০ বিঘাতে সন্তুষ্টি নহৈ তাক আৰু মাটি লাগে। পোনপটীয়া ভাৱে যদি দৰখাস্ত কৰা হয় তেন্তে তেওঁ দৰখাস্ত নাকচ কৰা হব কাৰণ তেও নামত এশবিঘা মাটি আছে। যিহেতু তেওঁ অলপ প্ৰতিপত্তিশালী মানুহ গতিকে গাওঁ-পঞ্চায়তৰ প্ৰেসিডেণ্টক কলে মোৰ ৪/৫ জন পুত্ৰ আছে। তেওঁলোকক মাটিহীন মানুহৰ তালিকাত সোমোৱাই লওঁক। এইদৰেই পঞ্চায়তক হাতত ৰাখি কিছুমান চহকী মানুহেও মাটিহীন মানুহৰ তালিকাত সোমাই পৰিল।

আমি জানো যে কিছুমান মানুহৰ ১৫০ বিঘাতকৈ অধিক মাটি আছে। কিন্তু যিবিলাক মাটিহীন মানুহ তেওঁলোকে মাটি বিচাৰি দৰখাস্ত কৰিলেও চৰকাৰে মাটি

নিদিয়ে। চিলিং আইনৰ পৰা হাত সাৰিবৰ উদ্দেশ্যে তেওঁলোকে নিজৰ পৰিয়ালৰ বিভিন্ন মানুহৰ নামত উক্ত মাটি ভগাই দি উক্ত আইনক ফাঁকি দিছে। সেই মানুহ বিলাকে আকৌ নানা ষড়যন্ত্ৰ কৰি মাটিহীন মানুহৰ তালিকাত নিজা মানুহৰ নাম সুমুৱাই আৰু মাটি পোৱাৰ দিহা কৰিছে।

মুছলমান অধিবাসী সৰহীয়া অঞ্চল বিলাকত আকৌ আচৰিত ধৰণৰ অপপ্ৰচাৰ চলিছে। অজ্ঞ নিৰক্ষৰ গাওঁলীয়া সৰল প্ৰকৃতিৰ মুছলমান মাটিহীন মানুহক মাটি নথকাৰ কাৰণে পাকিস্তানী বুলি সাব্যস্ত কৰা হব আৰু তাৰ বাবেই তালিকা প্ৰস্তুত কৰা হব ধৰিছে বুলি স্বাৰ্থজড়িত মহলে অপপ্ৰচাৰ কৰিছে। তাৰ ফলত বহুত মাটিহীন মুছলমান খেতিয়ক তালিকাত নামভুক্ত কৰাত উৎসুক হোৱা নাই। বহুত ক্ষেত্ৰত দেখা গৈছে চৰকাৰী চাকৰীয়াল সকলে ভয় দেখুৱাই সেই মানুহ বিলাকৰ পৰা টকা আদায় কৰিছে আৰু লিষ্টৰ পৰা নাম কাটি দিছে। আকৌ মাটি থকা মানুহে পৰিয়ালৰ আন মানুহৰ নাম লিষ্টত ভৰাবলৈ ঘুচ দিছে। এইবিলাক কামত Revenue বিভাগৰ মণ্ডল কানোংগুৰ পৰা ওপৰলৈকে সকলো কৰ্ম্মচাৰীয়ে জড়িত আছে আৰু সমানে টকা খাইছে।

Shri Debendra Nath Hazarika : তালিকা বিলাক প্ৰস্তুত কৰি গাওঁ পঞ্চায়ত আৰু গাওঁসভাত দাখিল কৰা হয় যাতে সকলোৱে চাব পাৰে।

Shri Giasuddin Ahmed : সেইটো তেখেতে কৈছে হয় কিন্তু প্ৰকৃততে সেইটো নহয় কাৰণ Minister সকল চিলঙত সুখ সম্ভোগৰ মাজত থাকে কত কি হৈছে জনাৰ উপায় নাই।

Shri Mahendra Nath Choudhury : মন্ত্ৰী সকলৰ কথাই সদস্য সকলৰ কথা। মন্ত্ৰীৰ বেলেগে কথা থাকিব নোৱাৰে। মন্ত্ৰীয়ে কোনো কথা নজনা থাকিলে সদস্য সকলে জনাই দিব লাগে তাকে নকৰিলে আইন ভঙ্গ কৰা হয়।

Shri Giasuddin Ahmad : গাওসভা বিলাকত এই তালিকা বিলাক Verify কৰা হোৱা নাই। পঞ্চায়তৰ সভাপতিয়ে এইবিলাক কাম কৰিছে। সভাপতিয়ে প্ৰস্তুত কৰা তালিকা Verify কৰাৰ কাৰণে মণ্ডল কানানগু বিলাকক দায়িত্ব দিয়া হৈছে। এই মণ্ডল কানানগু সকলে নাম ভৰোৱাৰ সময়তো পইচা খায় আৰু নাম কাটি দিবৰ সময়তো পইচা খায়। গতিকে এতিয়ালৈ প্ৰস্তুত কৰা

তালিকা মুঠেই শুদ্ধ নহয়। আৰু এই তালিকাৰ ভিত্তিত মাটি বিতৰণ কৰিলে প্ৰকৃত মাটিহীন মানুহ বঞ্চিত হব। গতিকে মই কব খুজিছো যে এই লিষ্ট বিলাক গাওঁ সভাৰ অঞ্চল বিলাকত প্ৰচাৰ কৰক সেই লিষ্ট বিলাকত কাৰ কাৰ নাম আছে—কাৰ কাৰ নাই ৰাইজক জানিবলৈ দিয়ক আৰু সেই তালিকা বিলাক সংশোধন কৰি তাৰ ওপৰত ভিত্তি কৰি মাটি বিতৰণ কৰক। নহলে অন্যায়, অত্যাচাৰৰ হেচাত পৰি বঞ্চিত ভুমিহীন লোক সকলে বিপ্লৱৰ পথ বাছি লবলৈ বাধ্য হব।

( সময়ৰ সঙ্কেত )

যিসকল ভুমিহীন খেতিয়কে খাচ মাটি লৈছে তেওঁলোকক বেদখলকাৰী বুলি অভিহিত কৰা হৈছে আৰু তেওঁলোকৰ ওপৰত বৰ্বৰতাৰে জুলুম কৰি উৎচ্ছেদ কৰিছে। মুছলমান হলেতো কথাই নাই। বেদখলকাৰী বুলি অভিযোগ কৰাৰ উপৰিও যুক্তিহীনভাৱে তেওঁলোকক পাকিস্তানী বুলি অপপ্ৰচাৰ কৰা হয়।

( সময়ৰ সঙ্কেত )

মাটি বেদখল কৰিছে বুলি আইনৰ দণ্ড ধৰি যিবিলাক চৰকাৰী কৰ্ম্মচাৰীয়ে বিচাৰ কৰিছে তেওঁলোকেই ভুমিহীন মুছলমান খেতিয়ক সকলৰ ওপৰত অন্যায় অত্যাচাৰ আৰু শোষণ কৰাৰ উপৰিও যুক্তিহীন আৰু ভিত্তিহীন অভিযোগ কৰিছে যে এই মুছলমান লোক বিলাক ইয়াত পাকিস্থান কৰিবলৈ আহিছে। ইয়াৰ প্ৰতিকাৰ লাগে। অসমত স্থায়ীভাৱে বসবাস কৰা ভাৰতীয় নাগৰিক-মুছলমান সকলৰ জীৱন অসমৰ লগত ওতঃপোত ভাবে জড়িত হৈ আছে আৰু তেওঁলোক হাৰে-হিমজুৰে অসমীয়া। পূৰ্ব পাকিস্তানৰ নেতা মৌলানা ভাচানিয়ে অসমক পাকিস্তানৰ লগত সামৰি লোৱাৰ যি অলিক সপোন দেখিছে সেই সপোন কেতিয়াও দিঠকত পৰিণত নহয়। উক্ত নেতাজনৰ দায়িত্ব জ্ঞানহীন উক্তিৰ মই তীব্ৰ প্ৰতিবাদ কৰো। আৰু মই বিশ্বাস কৰো অসমৰ লাখ লাখ মুছলমানে আন আন নাগৰিকৰ লগত কান্ধত কান্ধ মিলাই অসমৰ Integrity ৰক্ষাৰ বাবে জীৱন উছৰ্গা কৰিবলৈও প্ৰস্তুত আছে আৰু থাকিব।

( হাত চাপৰি )

Mr. Chairman : আপুনি শেষ কৰক আপোনাৰ সময় পাৰহৈ গল। আৰু ১ মিনিটৰ ভিতৰত শেষ কৰক।

Shri Giasuddin Ahmed : তাৰ পাচত অসমৰ ভিতৰতে যিবিলাক আঞ্চলিক বৈষম্য আছে বা ঘটিছে সেইবিলাকৰ প্ৰতি কংগ্ৰেছ চৰকাৰে মনোনিবেশ কৰা নাই তাৰ ফলত অসমৰ ভিতৰতে বিভিন্ন ৰাজ্য ইতিমধ্যে গঢ়ি উঠিছে আৰু বিভিন্ন উপৰাজ্যৰ দাবী চাৰিওফালে মূৰ ডাঙি উঠিছে। অসমৰ অঙ্গৰে পৰা আতৰি গৈ 'নগালেণ্ড' 'মেঘালয়' ৰ সৃষ্টি হল। আৰু বা ভবিষ্যতে কি হয় কব নোৱাৰি। এইকাৰণে সময় থাকোতেই কংগ্ৰেছ চৰকাৰে এনেকুৱা নীতি অবলম্বন কৰক যাৰ দ্বাৰা আঞ্চলিক বৈষম্য দূৰ কৰিব পাৰি আৰু বিভেদমূলক শক্তি সমূহক ধ্বংস কৰিব পাৰি।

Shri Benoy Krishna Ghose : Mr. Speaker, Sir, on the 2nd of April the people of Garo Hills & Khasi & Jaintia Hills have earned for them the State of Meghalaya. We are not sorry, rather we are happy and our goodwill will always be with the people and the Government of Meghalaya. I hope the Hill leaders will make Meghalaya prosperous and its people happy. The Governor in his speech stated that the creation of Meghalaya is a now chapter in the history of Assam and that far reaching constitutional changes have been brought about with so much goodwill and understanding. It will be a chapter of integration if our Ministers take a lesson out of the creation of Meghalaya. Why our hill brothers got Meghalaya ? The hill brothers had been feeling for a long time that they had been neglected and deprived of their legitimate share. So they were dis-satisfied and frustrated, but our Govt. did not pay any attention to their causes, as a result we had to concede Meghalaya. Sir, even at this stage I request our Ministers to rise above parochialism, to rise above regionalism .....

Chairman : Order, order. The House stands adjourned till 10 A.M. tomorrow. Shri Ghose will continue.

## ADJOURNMENT

The Assembly then adjourned till 10 A. M. on Tuesday, the 7th April 1970.

U. Tahbildar

Shillong Secretary,

The 6th April 1970 Legislative Assembly, Assam.